# পাঁচনি বিলাকৰ কৰ্ম্ম

### লূকে লিখা আনখন পুস্তক

১ ১প্ৰিয় থিয়ফিল,
মই লিখা মোৰ প্ৰথম পুস্তকত আৰম্ভণীৰে পৰা
স্বৰ্গলৈ তুলি নিয়া দিনলৈকে যীচুৱে যি সকলো কৰ্ম্ম কৰিছিল
আৰু শিক্ষা দিছিল তাৰ সবিশেষ বিৱৰন আছিল। ২স্বৰ্গলৈ
তুলি নিয়া দিনলৈকে তেওঁ যি যি কৰিছিল আৰু শিকাইছিল
তাৰ সকলো বিৱৰন আছে। স্বৰ্গলৈ তুলি নিয়াৰ পূৰ্ব্বেই
যীচুৱে তেওঁৰ মনোনীত পাঁচনি সকলক পবিত্ৰ আত্মাৰ
সহায়ত তেওঁলোকে কি কৰা উচিত তাক ক'লে। ৩মৃত্যুৰ
পাচত যীচুৱে, তেওঁৰ পাঁচনিসকলৰ আগত তেওঁ যে জিৱীত
তাক অনেক ধৰনে প্ৰত্যয় যোৱাকৈ প্ৰমান কৰি দেখুৱালে,
আৰু অনেক পৰাক্ৰম কাৰ্য্য সাধন কৰি তাৰ প্ৰমাণ
দিলে। মৃত্যুৰ পৰা যীচুৰ পুনৰুত্থানৰ পাচৰ ৪০ দিনলৈকে
পাঁচনিসকলে যীচুক বহুতো বাৰ দেখিছিল। সেই সময়ত
যীচুৱে তেওঁলোকক ঈশ্বৰৰ ৰাজ্যৰ বিষয়ে কথা ক'লে।
৪আৰু এটা সময়ত যেতিয়া যীচুৱে তেওঁলোকক যিৰূচালেম
এৰি নাযাবলৈ আজ্ঞা দিছিল তেতিয়া যীচুৱে তেওঁলোকৰ
লগত ভোজন কৰি আছিল, যীচুৱে তেওঁলোকক কৈছিল,
"পিতৃয়ে তোমালোকক যি প্ৰতিজ্ঞা কৰিছিল, যাৰ বিষয়ে
আগতেই মই তোমালোকক জনাইছিলো, তোমালোকে
তাক গ্ৰহন নকৰালৈকে তাৰ অপেক্ষাত যিৰূচালেমতে
থাকিবা। ৫কাৰণ যোহনে লোক সমূহক পানীত বাপ্তিস্ম
দিছিল, কিন্তু অলপ দিনৰ পাচতেই তোমালোক পবিত্ৰ
আত্মাত বাপ্তিস্ম হবা।"

### যীচুক স্বৰ্গলৈ তোলা হ'ল

৬তাৰ পাচত পাঁচনিসকলে একগোট হৈ যীচুক সুধিলে,
"প্ৰভু, এই সময়তে আপুনি ইস্ৰায়েলক তেওঁলোকৰ ৰাজ্য
ঘূৰাই দিব নেকি?
৭তেওঁ তেওঁলোকক ক'লে, "পিতৃয়েহে কেৱল সময়
ও তাৰিখ নিৰ্ধাৰন কৰে, এইবোৰৰ বিষয়ে তোমালোকে
নাজানিবা; ৮কিন্তু যেতিয়া পবিত্ৰ আত্মা তোমালোকৰ
ওচৰলৈ আহিব, তেতিয়া তোমালোকে শক্তি পাবা আৰু
তোমালোক মোৰ সাক্ষ্য হবা। তোমালোকে লোকসমূহৰ
আগত সকলো ঠাইতে মোৰ কথা কবা। প্ৰথমে
তোমালোকে যিৰূচালেমত থকা লোকসমূহৰ ওচৰত মোৰ
সাক্ষী দিবা তাৰ পাচত গোটেই যিহুদীয়া আৰু চমৰিয়া,
আনকি জগতৰ শেষ সীমালৈকে তোমালোকে মোৰ বিষয়ে
ঘোষনা কৰিবা।"
৯এই কথা কোৱাৰ পাচত পাঁচনিসকলৰ চকুৰ আগতে
তেওঁক আকাশলৈ তুলি নিয়া হ'ল। আৰু এচপৰা মেঘে
তেওঁক তেওঁলোকৰ দৃষ্টিৰ পৰা আতঁৰ কৰিলে। ১০যীচু
যেতিয়া আতঁৰ হৈ গৈছিল, সেই সময়ত পাঁচনিসকলে
আকাশৰ ফালে চাই আছিল, ঠিক সেই সময়তে বগা উজ্জ্বল
কাপোৰ পিন্ধা দুজন ব্যক্তি তেওঁলোকৰ কাষত আহি থিয়
হ'ল। ১১সেই দুজন ব্যক্তিয়ে পাঁচনিসকলক ক'লে, "হে
গালীলৰ লোকসকল, তোমালোকে আকাশৰ ফালে চাই
আছা কিয়? এই যীচু, যি জনক তোমালোকৰ সম্মূখতে
স্বৰ্গলৈ তুলি নিয়া হ'ল, তেওঁক যি দৰে তোমালোকে
স্বৰ্গলৈ নিয়া দেখিলা, ঠিক সেই দৰেই তেওঁ আকৌ ঘূৰি
আহিব।"

### এজন নতুন পাঁচনিক নিৰ্ব্বাচন কৰা

১২তেতিয়া তেওঁলোকে জৈতুন পৰ্ব্বতৰ পৰা নামি
যিৰূচালেমলৈ ঘূৰি গ'ল। যিৰূচালেমৰ পৰা পৰ্ব্বতটোৰ
দূৰত্ব আছিল এক বিশ্ৰামবাৰৰ বাট অৰ্থাত্ প্ৰায় আধা মাইল।
১৩তেতিয়া পাঁচনিসকলে নগৰত প্ৰৱেশ কৰি তেওঁলোকে
যি ঘৰত আছিল, তাৰ ওপৰ মহলাৰ কোঠালৈ গ'ল।
তাত থকা পাঁচনিসকলৰ নাম আছিল; পিতৰ, যোহন,
যাকোব, আন্দ্ৰীয়, ফিলিপ, থোমা, বাৰ্থলময়, মথি, যাকোব
(আলফয়ৰ পুতেক), উদ্দ্যোগী চিমোন, আৰু যিহুদা
(যাকোবৰ পুতেক)।
১৪পাঁচনিসক'লে সকলোৱে তাত একেলগে একে
উদ্দেশ্যৰেই প্ৰতি দিনে প্ৰাৰ্থনা কৰি আছিল। তেওঁলোকৰ
লগত কেই গৰাকীমান তিৰোতা, যীচুৰ মাক মৰিয়ম আৰু
তেওঁৰ ভায়েক সকল আছিল।
১৫সেই দিন কেইটিত যেতিয়া খ্ৰীষ্টীয় বিশ্বাসী সকল
একগোট হৈ প্ৰাৰ্থনা কৰি আছিল, তাত প্ৰায় ১২০ জন
লোক উপস্থিত আছিল। সেই সময়ত পিতৰে থিয় হৈ
ক'লে, ১৬–১৭"ভাই আৰু ভনী সকল, যিহুদাৰ বিষয়ে
পবিত্ৰ আত্মাই দায়ূদৰ মূখে যি বচন অতীতত কোৱাইছিল,
শাস্ত্ৰৰ সেই বচন সিদ্ধ হোৱাৰ প্ৰয়োজন আছিল। যিহুদা
এজন ব্যক্তি, যিজনে যীচুক বন্দী কৰা সকলক পৰিচালনা
কৰিছিল। যিহুদা আছিল আমাৰ মাজৰেই এজন, যিহুদাই
আমাৰ লগত একে লগে পৰিচৰ্য্যা কৰিছিল।"
১৮(এই জন মানুহে তেওঁৰ এই অন্যায় কৰ্ম্মৰ দ্বাৰাই ধন
উপাৰ্জন কৰি তাৰে এটুকুৰা মাটি কিনিছিল; কিন্তু তেওঁ
মূৰ তল কৰি মাটিত পৰিল, আৰু তেওঁৰ পেট ফাটি পেটৰ
ভিতৰৰ নাড়ী ভুৰু সকলো ওলাই পৰিল। ১৯যি সকলে
যিৰূচালেমত নিবাস কৰে, তেওঁলোক সকলোৱে এই
বিষয়ে জানে। সেয়ে সেই মাটিক তেওঁলোকৰ ভাষাত
হকলদামা কয় যাৰ অৰ্থ, "তেজৰ মাটী।")

২০পিতৰে ক'লে "গীতমালাত যিহুদাৰ বিষয়ে এই দৰে
লিখা আছে:

'তেওঁৰ গৃহ যেন পৰিত্যক্ত হয়;
কোনেও যেন তাত নিবাস নকৰে' *গীতমালা ৬৯ : ২৫*

আৰু লিখা আছে:

'আন কোনোৱে তেওঁৰ ঠাই দখল কৰক।'
*গীতমালা ১০৯:৮*

২১-২২"সেয়ে যোহনে যেতিয়া বাপ্তিস্ম দিবলৈ আৰম্ভ
কৰিছিল, সেই সময়ৰ পৰা প্ৰভু যীচুক স্বৰ্গলৈ তুলি নিয়া
সময়লৈকে যিমান দিন প্ৰভু যীচু আমাৰ লগত আছিল, সেই
দিন কেইটাত যি সকল লোক সকলো সময়তে আমাৰ
লগত আছিল, তেওঁলোকৰ মাজৰে এজনক আমি মনোনীত
কৰা উচিত। যি জনে আমাৰ দলত যোগ দিব, তেওঁ নিশ্চয়ে
আমাৰ লগত যীচুৰ পুনৰুত্থানৰ সাক্ষ্য হব লাগিব।"
২৩তেতিয়া পাঁচনিসকলে দুজন লোকক উপস্থিত কৰিলে,
যোচেফ যিজনক বাৰ্নব্বা বুলি মাতে যাৰ আন এটা নাম যুষ্ট
আৰু মত্তথিয়। ২৪-২৫তাৰ পাচত তেওঁলোকে প্ৰাৰ্থনাৰে
ক'লে, "প্ৰভু, তুমি সকলোৰে অন্তৰ জানা। এই দুজনৰ
মাজত কাক তুমি এই কামৰ বাবে মনোনীত কৰিছা তাক
আমাক দেখুৱাই দিয়া। যিহুদাই এই কৰ্ম্মৰ পৰা ওলাই তেওঁ
যি ঠাইৰ আছিল তালৈ গুচি গ'ল। পাঁচনী হিচাবে তেওঁৰ ঠাই
কোনে লব তাক দেখুৱাই দিয়া।" ২৬তেতিয়া তেওঁলোকে
সেই দুজনৰ ভিতৰত কাক মনোনিত কৰিব তাৰ বাবে চিঠি
খেলালে আৰু প্ৰভুৱে বিচৰা মতে মত্তথিয়ৰ নাম উঠিল, ।
এইদৰে তেওঁ এঘাৰজন পাঁচনিৰ লগৰ পাঁচনি বুলি গন্য হ'ল।

### পবিত্ৰ আত্মাৰ আগমন

২ ১যেতিয়া পঞ্চাচ দিনীয়া পৰ্ব্ব আহিল, সেই দিনা
পাঁচনিসকল সকলোৱে একে ঠাইতে গোট খাই
আছিল। ২সেই সময়ত অকস্মাতে আকাশৰ পৰা বতাহৰ
শব্দৰ দৰে বৰ জোৰেৰে এটা শব্দ শুনা গ'ল আৰু যি
ঘৰত তেওঁলোক বহি আছিল, সেই গোটেই ঘৰত বিয়পি
পৰিল। ৩তেওঁলোকে তেওঁলোকৰ আগত জুইৰ শিখাৰ দৰে
জিবা কিছুমান দেখা পালে, সেই শিখাৰ নিচিনা জিবা বোৰ
তেওঁলোকৰ ওপৰত বিয়পি পৰিল আৰু পৃথক পৃথক ভাৱে
তেওঁলোকৰ প্ৰত্যেকৰে ওপৰত বৈ থাকিল। ৪তেওঁলোকে
পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হ'ল আৰু ভিন ভিন ভাষাত কথা
কবলৈ ধৰিলে। পবিত্ৰ আত্মাই তেওঁলোকক এইদৰে কবলৈ
শক্তি দিছিল।
৫সেই সময়ত যিৰুচালেমত কিছুমান ধাৰ্ম্মিক যিহুদী
লোক আছিল। তেওঁলোক পৃথিৱীৰ প্ৰত্যেক দেশৰ পৰা
আছিল ৬সেই শব্দ শুনি অনেক লোক আহি তাত একগোট
হ'ল। তাতে তেওঁলোক সকলোৱে আচৰিত হ'ল, কাৰণ
তেওঁলোকৰ প্ৰত্যেকেই তেওঁলোকৰ নিজৰ নিজৰ ভাষাত
পাঁচনিসকলে কথা কোৱা শুনিলে।
৭তাতে তেওঁলোকে বিস্ময় হৈ পাঁচনী সকলে কেনেকৈ
তাক কব পাৰিছে তেওঁলোকে একো বুজিব নোৱাৰি
পৰস্পৰে কবলৈ ধৰিলে, "চোৱা! এই লোকসমূহে যে
কথা কৈছে, এওঁলোক সকলোৱে গালীলৰ মানুহ নহয়
নে! ৮তেনে হলে কেনেকৈ তেওঁলোকক আমি প্ৰতিজনে
প্ৰত্যেককে আমাৰ নিজ নিজ মাতৃভাষাত কথা কোৱা
শুনিছো? এইটো কেনেকৈ সম্ভৱপৰ? ৯ইয়াত আমি
যি সকল আছোঁ, আমি ভিন ভিন্ দেশৰ লোক; পাৰ্থিয়া,
মাদিয়া, এলমীয়া, মিচোপটেমিয়া, যিহুদীয়া, কাপাদিকিয়া,
পন্ত, এচিয়া, ফাৰুগীয়া, পাম্ফুলিয়া, মিচৰ, আৰু ১০লিবিয়াৰ
ওচৰৰ কুৰিনীয়া চহৰৰ কাষৰ অঞ্চলৰ লোক, ৰোমৰ পৰা
অহা এনে লোক সকল, আৰু যিহুদী বা যিহুদী ধৰ্ম্মত দীক্ষিত
অনেক লোক, ১১ক্ৰিতীয়া আৰু আৰবীয়া, আৰু আমাৰ কিছু
যিহুদী বংশত জন্মা লোক, আৰু আন লোক সকল যিয়ে
তেওঁলোকৰ ধৰ্ম্ম সলনি কৰি ঈশ্বৰৰ আৰাধনা কৰা যিহুদী
সকলৰ দৰে, আৰু আমিও এই বিভিন্ন দেশৰ, কিন্তু আমি
সকলোৱে আমাৰ মাতৃভাষাত ঈশ্বৰৰ মহান পৰাক্ৰমৰ
কাৰ্য্যৰ বৰ্ননা এওঁলোকৰ মুখত শুনিছো।"
১২তেওঁলোকে অবাক হৈ বিস্ময়েৰে বিবুদ্ধি হ'ল আৰু
পৰস্পৰে পৰস্পৰৰ লগত কবলৈ ধৰিলে ইয়াৰ অৰ্থ কি?
১৩কিন্তু আন লোক সক'লে ঠাট্টা কৰি কবলৈ ধৰিলে,
"এওঁলোকে অধিক দ্ৰাক্ষাৰস পান কৰি মতলীয়া হৈছে।

### পিতৰৰ বক্তৃতা

১৪তেতিয়া পিতৰে সেই এঘাৰজন জন পাঁচনিৰে সৈতে
লগত উঠি থিয় হৈ বৰ মাতেৰে সকলোৱে শুনাকৈ চিঞৰি
ক'লে, "যিৰুচালেমত নিবাস কৰা হে মোৰ যিহুদী ভাইসকল,
মোৰ কথালৈ কাণ পাতা, তোমালোকে জানিব লগীয়া কিছু
প্ৰয়োজনীয় কথা কম, সাৱধানে শুনা ১৫তোমালোকে মনত
ভবাৰ দৰে, এই লোকসমূহ কোনোৱেই মতলীয়া নহয়,
এতিয়া মাত্ৰ ৰাতিপুৱা ন' টা বাজিছেহে। ১৬কিন্তু এই বিষয়ে
যোৱেল, ভাৱবাদীৰ দ্বাৰায় যি কোৱাহৈছে,

১৭ 'ঈশ্বৰে কৈছে: শেষৰ দিনবোৰত মই সকলো মানুহৰ
ওপৰত মোৰ আত্মা বাকি দিম,
তাতে তোমালোকৰ লৰা-ছোৱালী বিলাকে
ভাবোক্তি প্ৰচাৰ কৰিব,
তোমালোকৰ যুবক-যুবতি সকলে দৰ্শন পাব,
আৰু তোমালোকৰ বৃদ্ধ লোকসকলে সপোন
দেখিব।
১৮ আৰু, মই মোৰ সেৱক পুৰুষ আৰু স্ত্ৰী, উভয়ৰে
ওপৰত মোৰ আত্মা বাকি দিম,
আৰু তেওঁলোকে ভাৱবানী কব।
১৯ মই ওপৰত আকাশত আচৰিত চিনৰ লক্ষনবোৰ
দেখুৱাম

আৰু তলত পৃথিৱীত বিভিন্ন ধৰনৰ অদ্ভুত চিন,
তেজ, জুই আৰু ধোঁৱাঁৰ ডাঠ আবৰণ দেখুৱাম।
২০ প্ৰভুৰ আগমনৰ সেই মহান আৰু গৌৰৱময় দিন
আহাৰ আগেয়ে,
সূৰ্য্য আন্ধাৰ আৰু চন্দ্ৰ তেজৰ নিচিনা ৰঙা হৈ যাব।
২১ আৰু যি কোনোৱে প্ৰভুৰ নাম লব, তেওঁ উদ্ধাৰ পাব।'

*যোৱেল ২:২৮–৩২*

২২"হে ইস্ৰায়েলৰ লোক সকল, এই কথা শুনা নাচৰতীয়া যীচুৰ দ্বাৰাই ঈশ্বৰে অনেক আচৰিত আৰু বিস্ময়কৰ কৰ্ম্ম কৰি তোমালোকৰ আগত প্ৰমাণ দিছে যে তেওঁৱেঁই সেই ব্যক্তি যি জনক ঈশ্বৰে পঠাইছে; আৰু তোমালোকে এই ঘটনাবোৰ জানা। ২৩যীচুক তোমালোকৰ হাতত শোধাই দিয়া হ'ল, আৰু তোমালোকে তেওঁক বধ কৰিলা। বিধান বিহীন লোক সকলৰ দ্বাৰাই তোমালোকে তেওঁক ক্ৰুচবিদ্ধ কৰিলা। ঈশ্বৰে জানিছিল যে, এইবোৰ ঘটিব; আৰু সেয়ে আছিল ঈশ্বৰৰ পৰিকল্পনা, যি তেওঁ অতীততেই কৰি থৈছিল। ২৪যীচুৱে মৃত্যু যাতনা ভোগ কৰিলে, কিন্তু ঈশ্বৰে তেওঁক জীবিত কৰি তোলাৰ দ্বাৰায় মুক্ত কৰিলে ঈশ্বৰে যীচুক মৃত্যুৰ পৰা তুলিলে। মৃত্যুৱে তেওঁক মৃত্যুৰ কৱলত ধৰি ৰাখিবলৈ কোনোমতেই সম্ভৱপৰ নহ'ল। ২৫কাৰণ দায়ূদে তেওঁৰ বিষয়ে কৈছিল:

'মই প্ৰভুক সদায় মোৰ সন্মুখত দেখিলো মই
নলৰিবলৈ তেওঁ মোৰ সোঁফালে থাকে
মোক শেষলৈকে থিৰে ৰাখিবলৈ তেওঁ মোৰ
সোঁহাতে অৱস্হান কৰিছে।
২৬ সেই বাবে মোৰ মন আনন্দিত,
আৰু মোৰ জিভাই উল্লাস কৰে।
মোৰ এই শৰীৰো আশাত জীৱিত থাকিব।
২৭ কাৰণ তুমি মোৰ প্ৰাণ মৃতলোকত ত্যাগ নকৰা।
তুমি তোমাৰ পবিত্ৰ ব্যক্তিক ক্ষয় পাবলৈ নিদিবা।
২৮ তোমাৰ সান্নিধ্যতে মোৰ জীৱন
তোমাৰ উপস্হিতিয়ে মোকআনন্দ দিব।'

*গীতমালা ১৬:৮–১১*

২৯"মোৰ ভাইসকল, আমাৰ সেই শ্ৰদ্ধাৰ পূৰ্ব্ব পুৰুষ দায়ূদৰ বিষয়ে মই দৃঢ়তাৰে কব পাৰো যে, তেওঁৰ মৃত্যু হ'ল আৰু তেওঁক কবৰো দিয়া হৈছে, আৰু আজিও তেওঁৰ কবৰ আমাৰ মাজত আছে। ৩০তেওঁ এজন ভাৱবাদী আছিল আৰু জানিছিল ঈশ্বৰে এই প্ৰতিজ্ঞা কৰিছিল যে, তেওঁৰ বংশৰ এজনক তেওঁৰে নিচিনা ৰজা কৰি সিংহাসনত প্ৰতিস্থা কৰিব। ৩১পাছত কি হব তাক আগেয়ে জানি দায়ূদে যীচুৰ পুনৰুত্থানৰ বিষয়ে কৈছিল:

'তেওঁক মৃতলোকত ত্যাগ কৰা নহয়
বা তেওঁৰ দেহ কবৰত ক্ষয় নহয়।'

৩২গতিকে যীচুৱেই সেইজন, যাক ঈশ্বৰে মৃত্যুৰ পৰা তুলিলে; আৰু আমি সকলোৱে এই ঘটনাৰ সাক্ষী আছোঁ। আমি সকলোৱে তেওঁক দেখিলো। ৩৩যীচুক স্বৰ্গলৈ তুলি নিয়া হ'ল; এতিয়া যীচু ঈশ্বৰৰ ওচৰত তেওঁৰ সোঁহাতে অৱস্হিত আছে। পিতৃয়ে যীচুক পবিত্ৰ আত্মা দিছে, পিতৃয়ে তেওঁক সেই পবিত্ৰ আত্মা প্ৰদান কৰিবলৈ প্ৰতিজ্ঞা কৰিছিল। এতিয়া যীচুৱে সেই পবিত্ৰ আত্মা বাকি দিলে, তোমালোকে এতিয়া তাকে দেখিছা আৰু শুনিছা। ৩৪কাৰণ দায়ূদক স্বৰ্গলৈ তোলা হোৱা নাই, আৰু তেওঁ নিজেই এই কথা কৈছে,

'প্ৰভু ঈশ্বৰে মোৰ প্ৰভুক কৈছে:
৩৫ যেতিয়ালৈকে মই তোমাৰ শত্ৰুবোৰক তোমাৰ ভৰি
ৰাখা ঠাইত পৰিণত নকৰো মানে,
তুমি মোৰ সোঁহাতে বহি থাকিবা।'[a] *গীতমালা ১১০:১*

৩৬"সেয়ে ইস্ৰায়েলৰ সকলো পৰিয়ালে নিশ্চয়কৈ জানক, যে যিজনক তোমালোকে ক্ৰুচবিদ্ধ কৰিছিলা, সেই যীচুকে ঈশ্বৰে প্ৰভু ও মচীহ কৰিলে।"

৩৭লোকসমূহে এই কথা শুনি অতিশয় দুখ পালে। তেওঁলোকে পিতৰ আৰু আন পাঁচনিসকলক ক'লে, "ভাইসকল, আমি কি কৰা উচিত?"

৩৮পিতৰে তেওঁলোকক ক'লে, "তোমালোকে জীৱন সলনি কৰা, আৰু প্ৰত্যেকেই পাপ ক্ষমাৰ বাবে যীচু খ্ৰীষ্টৰ নামত বাপ্তিস্ম গ্ৰহন কৰা, তেতিয়া তোমালোকে দানৰূপে এই পবিত্ৰ আত্মা পাবা। ৩৯কাৰণ এই প্ৰতিজ্ঞা তোমালোকৰ বাবে, তোমালোকৰ সন্তান - সন্ততি সকলৰ বাবে আৰু আন সকলো লোকৰ বাবে। আমাৰ প্ৰভূ ঈশ্বৰে তেওঁৰ নিজৰ ওচৰলৈ যি সকলক মাতিলে, এই দান তেওঁলোক সকলোৰে বাবে।"

৪০পিতৰে তেওঁলোকক আৰু অনেক কথা কৈ সাৱধান কৰি দিলে; তেওঁ তেওঁলোকক বিনয় কৰি ক'লে, "বৰ্ত্তমান সময়ৰ কুটিল লোক সকলৰ পৰা পৰস্পৰে নিজকে ৰক্ষা কৰা!" ৪১যি সকলে পিতৰে কোৱা কথা গ্ৰহণ কৰিলে, তেওঁলোকে বাপ্তিস্মাও গ্ৰহন কৰিলে। সেইদিনাই প্ৰায় তিনি হাজাৰ মানুহ খ্ৰীষ্টিয় বিশ্বাসী সকলৰ লগত.যোগ হ'ল।

## বিশ্বাসী সকলৰ সহভাগীতা

৪২বিশ্বাসী সক'লে প্ৰায়ে একগোট হৈ মনোযোগেৰে পাঁচনিসকলৰ পৰা শিক্ষা গ্ৰহণ কৰিছিল আৰু বিশ্বাসী সক'লে পৰস্পৰে সহভাগিতাত আছিল আৰু একে লগেই প্ৰভুভোজ[b] গ্ৰহন আৰু প্ৰাৰ্থনা কৰিছিল। ৪৩পাঁচনিসক'লে অনেক অলৌকিক আৰু আচৰিত কৰ্ম্ম কৰিবলৈ ধৰিলে; প্ৰত্যেকৰে অন্তৰত ঈশ্বৰৰ উদ্দেশ্যে গভীৰ ভক্তি আছিল।

[a] **২:৩৫ তোমাৰ ভৰি … বহি থাকিবা** প্ৰকৃতাৰ্থত তোমাৰ শত্ৰুবোৰক ভৰি তল নকৰো মানে।
[b] **২:৪২ প্ৰভুভোজ** প্ৰকৃতাৰ্থত পিঠা ভঙা প্ৰভুৱে শিষ্য সকলক দি যোৱা নিৰ্দ্দেশ।

৪৪বিশ্বাসী সকলে সকলোৱে উমৈহতিয়াকৈ একেলগে
থাকি সকলোৱে পৰস্পৰৰ মাজত থকা সকলো ভাগ কৰি
লৈছিল। ৪৫তেওঁলোকে তেওঁলোকৰ সকলো অস্হাবৰ
সম্পত্তি বেচি, যাৰ যেনেকৈ প্ৰয়োজন সেই অনুসৰি ভাগ
বাঁটি লৈছিল। ৪৬তেওঁলোকে প্ৰতিদিনেই নামঘৰৰ চৌহদত
একগোট হৈছিল, এক উদ্দেশ্যৰেই তালৈ গৈছিল।
তেওঁলোকে তেওঁলোকৰ ঘৰত একেলগে ভোজন পান
কৰিছিল আৰু ঈশ্বৰক ধন্যবাদ দি আনন্দ মনেৰে আহাৰ
গ্ৰহণ কৰিছিল। ৪৭বিশ্বাসী সকলোৱে ঈশ্বৰৰ প্ৰশংসা
কৰিছিল, আৰু তেওঁলোক সকলোৰে আদৰৰ পাত্ৰ হৈছিল
আৰু প্ৰতিদিনেই অধিক অধিক লোকে উদ্ধাৰ পাইছিল,
আৰু যি সকলে উদ্ধাৰ পাইছিল সেই সকলোকে, প্ৰভুৱে
বিশ্বাসী সকলৰ লগত লগ লগাই থাকিল।

### পিতৰে খোৰা মানুহ এজনক সুস্থ কৰা

৩ ১এদিনাখন পিতৰ আৰু যোহন নামঘৰলৈ গ'ল,
তেতিয়া সময় আবেলি প্ৰায় তিনিটা মান হৈছে, সেই
সময়তে নামঘৰত প্ৰতিদিনে প্ৰাৰ্থনা হয়। ২তেওঁলোক
নামঘৰত প্ৰবেশ কৰা সময়ত জন্মৰে খোৰা এজন মানুহক
দেখা পালে, তেওঁ জন্মৰ পৰাই খোৰা, খোজ কাঢ়িব নোৱাৰে।
তেওঁৰ বন্ধুসকলে প্ৰতিদিনেই তেওঁক নামঘৰৰ প্ৰাঙ্গনলৈ
কঢ়িয়াই লৈ আনে আৰু নামঘৰৰ বাহিৰৰ "সুন্দৰ" নামৰ যি
দুৱাৰ আছে তাতে নি তেওঁক বহুৱাই দিয়ে। তেওঁ নামঘৰলৈ
যোৱা লোক সকলৰ পৰা অৰ্থ ভিক্ষা মাগে। ৩সেইদিনা
মানুহজনে পিতৰ আৰু যোহনক নামঘৰলৈ সোমাই যোৱা
দেখি তেওঁলোকৰ পৰা ভিক্ষা খুজিবলৈ ধৰিলে।
৪পিতৰ আৰু যোহনে সেই খোৰা মানুহজনৰ ফালে একে
থৰে চাই ক'লে, "আমালৈ চোৱা!" ৫তেওঁ তেওঁলোকৰ
ফালে কিছু ধন পোৱাৰ আশাৰে চালে। ৬কিন্তু পিতৰে
তেওঁক ক'লে, "মোৰ ওচৰত সোণ বা ৰূপ নাই, মোৰ
ওচৰত যি আছে তাকে মই তোমাক দিছোঁ। নাচৰতীয়া
যীচুৰ নামত তুমি উঠি থিয় হোৱা আৰু খোজ কাঢ়ি ফুৰা।"
৭এই বুলি পিতৰে তেওঁৰ সোঁ হাত খন ধৰি তেওঁক
তুলিলে, লগে লগে তেওঁৰ ভৰি আৰু গাঠিঁত বল পালে,
৮আৰু জাপ মাৰি উঠি থিয় হৈ খোজ কাঢ়িব ধৰিলে। তাৰ
পাচত তেওঁ তেওঁলোকৰ লগত নামঘৰৰ ভিতৰলৈ সোমাই
তাত খোজ কাঢ়ি জপিয়াই ঈশ্বৰৰ প্ৰশংসা কৰিবলৈ ধৰিলে।
৯-১০লোকসমূহে সেই মানুহজনক খোজ কঢ়া আৰু ঈশ্বৰৰ
প্ৰশংসা কৰা দেখি তেওঁলোকে মন্দিৰৰ "সুন্দৰ" নামৰ
দুৱাৰত সদায় ভিক্ষা খোজা জনেই যে সেই জন তাক চিনি
পালে। এতিয়া তেওঁলোকে তেওঁক খোজ কাঢ়ি ঈশ্বৰৰ
প্ৰশংসা কৰা দেখি বিস্ময় মানি এই ঘটনা কেনেকৈ ঘটিল
তাক বুজি নাপালে।

### পিতৰৰ সাক্ষ্য

১১মানুহজনে পিতৰ আৰু যোহনক ধৰি থিয় হৈ আছিল;
সেয়ে সকলোৱে এই মানুহজনক সুস্থ হোৱা দেখি আচৰিত
হৈ চলোমনৰ বাৰাণ্ডালৈ পিতৰ আৰু যোহনৰ ওচৰলৈ
দৌৰি আহিল।
১২এনে দেখি পিতৰে লোকসকলক উদ্দেশ্য কৰি ক'লে,
"হে মোৰ যিহুদী ভাইসকল, তোমালোক কিয় আচৰিত
হৈছা? তোমালোকে আমালৈ এনে দৰে চাই আছা
যেন আমাৰ নিজ ক্ষমতাৰ গুণে এওঁক খোজ কাঢ়িবলৈ
শক্তি দিছো। তোমালোকে কি ভাবা আমাৰ ধাৰ্ম্মিকতাৰ
কাৰনে এনে কাম কৰিব পাৰিছো? ১৩নহয়! ঈশ্বৰেহে এই
কাৰ্য্য কৰিলে। তেওঁ আব্ৰাহাম, ইচাহাক আৰু যাকোবৰ
ঈশ্বৰ। আমাৰ পুৰ্ব্বপুৰুষ সকলে আৰাধানা কৰা ঈশ্বৰ,
তেৱেঁই তেওঁৰ মনোনীত দাস যীচুক গৌৰৱান্বিত কৰিলে।
কিন্তু তোমালোকে তেওঁক বধ কৰিবলৈ শত্ৰুৰ হাতত
শোধাই দিছিলা। পীলাতে যেতিয়া তেওঁক মুকলি কৰি
দিবলৈ চিন্তা কৰিছিল, তোমালোকে কৈছিলা যে যীচুক
তোমালোকে নিবিচাৰা। ১৪যীচু পবিত্ৰ আৰু শুদ্ধ ব্যক্তি কিন্তু
তোমালোকে তেওঁক নালাগে বুলি কলা, আৰু সেই ধাৰ্ম্মিক
ব্যক্তিক অগ্ৰাহ্য কৰি তেওঁৰ সলনি এজন হত্যাকাৰীকহে[a]
তোমালোকৰ বাবে মুকলি কৰি দিবলৈ পীলাতক কৈছিলা।
১৫গতিকে যি জন জীৱন দিওঁতা, তোমালোকে তেওঁক বধ
কৰিলা; কিন্তু ঈশ্বৰে তেওঁক মৃত্যুৰ পৰা তুলিলে। আমি
এইবোৰৰ সাক্ষী আছো।
১৬"আমি যীচুত বিশ্বাস ৰখাৰ বাবে এই খোৰা জনে
সুস্থতা লাভ কৰিলে। যীচুৰ শক্তিয়ে তেওঁক সুস্থ কৰিলে।
তোমালোকে এওঁক চাব পাৰা, আৰু এওঁক চিনিও পোৱা।
যীচু খ্ৰীষ্টৰ প্ৰতি থকা বিশ্বাসে তেওঁক সম্পুৰ্ন ৰুপে সুস্থ
কৰিলে, তোমালোক সকলোৱে ইয়াক ঘটা দেখিলা।
১৭"মোৰ ভাইসকল, মই জানো যে তোমালোকে যীচুলৈ
যি কৰিছিলা সেই সকলো বোৰ তোমালোকৰ অজ্ঞাতে
কৰিছিলা, তেনে দৰে তোমালোকৰ নেতা সকলেও তাক
নুবুজিয়েই কৰিছিল। ১৮কিন্তু ঈশ্বৰে এই সকলো ঘটাৰ
কথা ভাৱবাদী সকলৰ যোগে এই দৰে ক'লে, যে তেওঁৰ
মচীহই দু:খ ভোগ কৰি মৃত্যু বৰন কৰিব, আৰু সেইয়ে
ঈশ্বৰে কি দৰে ঘটাব তাক মই তোমালোকক কলো।
১৯তেওঁৱেঁই তোমালোকৰ পাপৰ ক্ষমা দান কৰিব, সেই
বাবে তোমালোকে হৃদয় আৰু জীৱন সলনি কৰি ঈশ্বৰলৈ
ঘূৰি আহিব লাগে, ২০তেতিয়া প্ৰভুৱে তোমালোকক আত্মিক
জিৰণি দান কৰি, যি জনক মচীহ ৰুপে মনোনিত কৰিছে
সেই যীচুক তোমালোকৰ বাবে পঠাই দিব।
২১কিন্তু এই সকলো বিষয় পুন:স্থাপন নোহোৱা লৈকে
যীচুৱে স্বৰ্গতে থাকিব লাগিব। বহুদিনৰ আগেয়ে "ঈশ্বৰে
তেওঁৰ পবিত্ৰ ভাৱবাদী সকলৰ যোগেদি এই সময়ৰ কথা
ঘোষনা কৰিছিল। ২২কাৰণ মোচিয়ে কৈছিল, 'তোমালোকৰ
প্ৰভূ ঈশ্বৰে, তোমালোকক এজন ভাবৱাদী দিব, আৰু
সেই ভাববাদী তোমালোকৰ মাজৰ নিজৰ লোকৰ পৰাই
হব। তেওঁ মোৰ দৰেই হব। তেওঁ কোৱা সকলো কথা

[a] **৩:১৪ হত্যাকাৰীকহে** 'বাৰব্বা' যি জনক যিহুদীবিলাকে যীচুৰ
বদলি খুজিছিল, লূক ২৩:১৮ পদত চাওঁক।

তোমালোকে মানিব লাগিব। ২৩আৰু যি কোনোৱে সেই
ভাববাদীয়ে কোৱা কথা অমান্য কৰিব, তেওঁৰ মৃত্যু হব আৰু
ঈশ্বৰৰ লোক সমূহৰ পৰা, তেওঁক বিচ্ছিন্ন কৰা হব।'[a]

২৪সকলো ভাৱবাদী, আনকি চমুৱেল আৰু তেওঁৰ পাছত
অহা ঈশ্বৰৰ পক্ষে ঘোষনা কৰা, যি সকলো ভাৱবাদী
আহিছে ঈশ্বৰৰ পৰা বাৰ্ত্তাপোৱা সকলেএই সময়ৰ কথা
কৈ গৈছে। ২৫তোমালোক ভাৱবাদী সকলৰ বংশধ্বৰ,
তোমালোক ঈশ্বৰৰ সেই চুক্তিৰ উত্তৰাধিকাৰী, যি চুক্তি
ঈশ্বৰে তোমালোকৰ পূৰ্ব্বপুৰুষ সকলৰ সৈতে কৰিছিল।
তেওঁৱেই তোমালোকৰ আদি পিতৃ আব্ৰাহামক কৈছিল,
'তোমাৰ বংশৰ দ্বাৰাই পৃথিৱীৰ সকলো জাতিয়ে আশীৰ্ব্বাদ
লাভ কৰিব।'[b] ২৬ঈশ্বৰে তেওঁৰ মনোনীত দাস যীচুক
পঠালে, প্ৰথমেই তেওঁক তোমালোকৰ ওচৰলৈ পঠিয়ালে
যেন তোমালোক সকলোৱে আশীৰ্বাদ প্ৰাপ্ত হৈ, পাপময়
জীৱনৰ পৰা ঘূৰা।"

## যিহুদী মহাসভাত পাঁচনিসকল

**4** ১পিতৰ আৰু যোহনে লোকসমূহৰ সৈতে কথা
পাতি থাকোতে, কিছুমান যিহুদী নেতা তেওঁলোকৰ
ওচৰলৈ আহিল, তাত কেইজনমান পুৰুহিত, নামঘৰৰ
পহৰাদাৰৰ সেনাপতি আৰু কিছু চদ্দূকী লোক আছিল।
২তেওঁলোকে পিতৰ আৰু যোহনে লোক সকলক যি
শিক্ষা দি আছিল, এই শিক্ষাই তেওঁলোকক ক্ষুব্ধ কৰিছিল,
যীচুৰ বিষয়ে কৈ, পাঁচনি সক'লে শিক্ষা দিছিল, যে মানুহ
বিলাক মৃত্যুৰ পৰা জীবিত হব। ৩তেতিয়া যিহুদী নেতা
সকলে পিতৰ আৰু যোহনক আটক কৰি বন্দীশালত
থলে। তেতিয়া নিশা হৈছিল, সেই বাবে পাচদিনালৈকে
তেওঁলোকক বন্দীশালতে থলে ৪কিন্তু লোক সকলৰ
অনেকে পাঁচনীসকলে কোৱা কথা বিশ্বাস কৰিলে, তাতে
এতিয়া বিশ্বাসী সকলৰ দলত প্ৰায় ৫০০০ লোক হ'ল।

৫পাছদিনা যিহুদী শাসন কৰ্ত্তা, জেষ্ঠনেতা সকল, আৰু
বিধান পণ্ডিত সকলোৱে যিৰুচালেমত একগোট হ'ল।
৬তাত হানন নামৰ মহাপুৰোহিত, কায়ফা, যোহন আৰু
আলেকজেন্দাৰ আছিল, আৰু মহাপুৰোহিতৰ পৰিয়ালৰ
লোক সকলো তাত আছিল। ৭পিতৰ আৰু যোহনক
তেওঁলোকৰ সন্মুখত থিয় কৰাই যিহুদী নেতা সকলে বাৰে
বাৰে প্ৰশ্ন কৰিলে, "তোমালোকে কি শক্তি বা কি ক্ষমতাৰে
এইবোৰ কৰ্ম্ম কৰিছা?"

৮তেতিয়া পিতৰে পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হৈ
তেওঁলোকক ক'লে, "হে লোক সকলৰ শাসন কৰ্ত্তা আৰু
বৃদ্ধ সকল ৯আজি আমাক প্ৰশ্ন কৰিছা নে, এই খোৰা মানুহ
জনক সহায় কৰিবলৈ আমি কি কৰিলো? আমাক শুধিছা
নে তেওঁক কিহে সুস্থ কৰিলে ১০তেন্তে ইস্ৰায়েলৰ লোক
আৰু তোমালোক সকলোৱে জনা উচিত যে এই লোক জন
নাচৰতীয়া যীচু খ্ৰীষ্টৰ শক্তিৰ দ্বাৰা সুস্থ হ'ল। তোমালোকে
যীচুক ক্ৰুচবিদ্ধ কৰি বধ কৰিছিলা, ঈশ্বৰে তেওঁক মৃত্যুৰ
পৰা তুলিলে এই লোকজন খোৰা আছিল কিন্তু তেওঁ এতিয়া
সুস্থ। যীচুৰ শক্তিৰ বাবেই তেওঁ এতিয়া তোমালোকৰ
আগত থিয় হৈ আছে। ১১যীচু হৈছে,

'সেই শিল যি জনক তোমালোক ঘৰ নিৰ্মান কৰোতা
সকলে প্ৰয়োজনবোধ নকৰিলা
কিন্তু সেই শিল এতিয়া চুকৰ প্ৰধান শিল হৈ
উঠিল।' *গীতমালা ১১৮:২২*

১২আন কাতো পৰিত্ৰান নাই, কিয়নো যাৰে আমি পৰিত্ৰান
পাব লাগে, স্বৰ্গৰ তলত মানুহৰ মাজত দিয়া এনে আন
কোনো নাম নাই।"

১৩যিহুদী নেতা সকলে যেতিয়া বুজিলে যে পিতৰ আৰু
যোহনৰ কোনো বিশেষ শিক্ষা বা প্ৰশিক্ষন নাই, আৰু
তেওঁলোকে কথা কবলৈ ভয় নকৰা দেখি, নেতা সক'লে
বিস্ময় মানিলে, তেওঁলোকে এই কথাও অনুভৱ কৰিলে যে
পিতৰ আৰু যোহন যীচুৰ লগত আছিল। ১৪তাতে যি জন
খোৰা মানুহ সুস্থ হৈছিল, তেওঁক পাঁচনি সকলৰ সৈতে
দেখিলে, তেওঁলোকে তেওঁক সুস্থ হোৱা দেখাৰ বাবে
পাঁচনি সকলৰ বিৰুদ্ধে একো কব নোৱাৰিলে।

১৫তেতিয়া যিহুদী নেতা, সকলে তেওঁলোকক মহা সভা
এৰি যাবলৈ ক'লে। তাৰ পাচত নেতা সকলে পৰস্পৰে কি
কৰা উচিত সেই বিষয়ে কথা পাতিলে। ১৬তেওঁ লোকে
ক'লে "এই লোক কেইজনক লৈ কি কৰা যায়? কাৰণ
এইটো ঠিক যে এওঁলোকে যিৰুচালেমত যি আচৰিত কৰ্ম্ম
কৰিলে তাক সকলো মানুহে জানিলে; আৰু আমিও এনে
হোৱা নাই বুলি কব নোৱাৰো। ১৭কিন্তু এই কথা যেন মানুহৰ
মাজত আৰু বিয়পি নাযায়, সেয়ে আহাঁ আমি এওঁলোকক
ভয় দেখুৱাই সাৱধান কৰি দিওঁ, যেন সেই নাম উল্লেখ কৰি
তেওঁলোকে একো কথাই নকয়।"

১৮সেয়ে যিহুদী নেতা সকলে পিতৰ আৰু যোহনক আকৌ
ভিতৰলৈ মাতিলে; আৰু যীচুৰ নামেৰে কোনো ধৰনৰ কথা
কবলৈ বা শিক্ষা দিবলৈ নিষেধ কৰিলে। ১৯কিন্তু পিতৰ আৰু
যোহনে তেওঁলোকক উত্তৰ দি ক'লে, "তোমালোকেই কি
কৰা উচিত, তাক বিচাৰ কৰা? , ঈশ্বৰে কি বিচাৰে? আমি
তোমালোকৰ নে ঈশ্বৰৰ বাধ্য হোৱা উচিত হব? ২০কাৰণ
আমি যিহকে দেখিলো আৰু শুনিলো তাকে নকৈ থাকিব
নোৱাৰোঁ।"

২১-২২তেতিয়া যিহুদী নেতা সক'লে পাঁচনি সকলক
দোষী কৰি, শাস্তি বিহিবলৈ কোনো উপায় নেদেখিলে,
কিয়নো সকলো লোকে, যি কৰা হ'ল তাৰ বাবে ঈশ্বৰৰ
প্ৰশংসা কৰিছিল। এই অলৌকিক কাৰ্য্য ঈশ্বৰৰ পৰা এক
চিন আছিল। যি জনক সুস্থ কৰা হৈছিল, তেওঁৰ বয়স ৪০
বছৰতকৈ বেছি আছিল, সেই বাবে যিহুদী নেতা সকলে
পাঁচনি সকলক পুনৰ সাৱধান বানী শুনাই তেওঁলোকক
মুকলি কৰি দিলে,

[a] **৩:২২-২৩** উদ্ধৃতি দ্বিতীয় বিৱৰণ ১৮:১৫, ১৯
[b] **৩:২৫** উদ্ধৃতি আদিপুস্তক ২২:১৮; ২৬:২৪

## বিশ্বাসী সকলৰ ওচৰলৈ পিতৰ আৰু যোহন ঘূৰি যোৱা

২৩পিতৰ আৰু যোহন যিহুদী নেতা সকলৰ সভাৰ পৰা বাহিৰ
হৈ পুনৰ নিজৰ দললৈ ঘূৰি গ'ল, আৰু প্ৰধান পুৰোহিত
আৰু যিহুদী নেতা সকলে তেওঁলোকক যি যি কৈছিল, তেওঁ
লোকে সেই সকলো কথা তেওঁলোকক বিবৰি ক'লে।
২৪সেই কথা শুনি বিশ্বাসী সকলোৱে একগোট হৈ ঈশ্বৰলৈ
এক চিত্তে এই প্ৰাৰ্থনা জনালে, "প্ৰভু, আকাশ মণ্ডল, পৃথিৱী,
সাগৰ আৰু এইবোৰত যি সকলো আছে সেই সকলোৰে
সৃষ্টিকৰ্ত্তা তুমিয়েই। ২৫তুমি তোমাৰ দাস, আমাৰ পূৰ্ব্বপুৰুষ
দায়ূদৰ যোগে পবিত্ৰ আত্মাৰ দ্বাৰাই এই কথা কোৱাইছিলা:

'জাতি বিলাকৰ কিয় খং উঠিল?
কিয় বা লোকসমূহে অনৰ্থক কথা ভাবিলে?

২৬ প্ৰভু আৰু তেওঁৰ অভিষিক্ত জনাৰ বিৰুদ্ধে জগতৰ
ৰজা সকল উঠিল,
আৰু শাসন কৰ্ত্তা সকল গোট খালে।

*গীতমালা ২:১–২*

২৭হয়, আচলতে এই দৰেই হ'ল যেতিয়া হেৰোদ, পন্তিয়াচ
পিলাত, অন্য জাতি আৰু ইস্ৰায়েলৰ লোক সকলোৱে
যিৰুচালেমত যীচুৰ বিৰুদ্ধে এক গোট হ'ল। তেওঁৰেই
তোমাৰ পবিত্ৰ দাস, যি জনক তুমি মচীহ ৰুপে কৰিলা।
২৮এই লোক সকল যি সক'লে যীচুৰ বিৰুদ্ধে তোমাৰ আঁচনি
সিদ্ধ কৰিবলৈ এক গোট হ'ল তোমাৰ শক্তিত আৰু তোমাৰ
ইচ্ছাতে এই সকলো কৰা হ'ল। ২৯আৰু এতিয়া, হে প্ৰভু,
তেওঁলোকে কি কৈছে তাক শুনা, তেওঁলোকে আমাক
ভয় খুৱাবলৈ বিচাৰিছে, আমি তোমাৰেই দাস, তুমি বিচৰা
দৰে আমি কবলগীয়া নিৰ্ভয়ে কবলৈ আমাক সহায় কৰা।
৩০তোমাৰ শক্তি প্ৰদৰ্শনেৰে আমাক সাহসী কৰা। অসুস্থ
লোক সকলক সুস্থ কৰি তোলা। অলৌকিক কাম আৰু অদ্ভুদ
লক্ষন বোৰ তোমাৰ দাস যীচুৰ ক্ষমতাৰে[a] সম্পন্ন কৰা।"
৩১এইদৰে বিশ্বাসী সকলে প্ৰাৰ্থনা শেষ কৰিলত,
তেওঁলোকে যি ঠাইত একগোট হৈছিল সেই ঠাই কপিঁ
উঠিল আৰু তেওঁলোক সকলোৱে পবিত্ৰ আত্মাৰে পুৰ হ'ল
আৰু অসীম সাহসেৰে ঈশ্বৰৰ বাক্য ঘোষনা কৰিবলৈ ধৰিলে।

## বিশ্বাসী সকলৰ সহভাগীতা

৩২এই বিশ্বাসী সকলৰ দল টি তেওঁলোকৰ চিন্তাধাৰা আৰু
তেওঁলোকে ইচ্ছা কৰা প্ৰয়োজনীয়তাত এক হৈ থাকিল,
কোনোজনেই তেওঁলোকৰ থকা বস্তুক নিজৰ বুলি
নক'লে বৰং সকলো ভাগ বটাই ললে। ৩৩পাঁচনিসকলে
সম্পুৰ্ন সাহসেৰে যীচুক যে মৃত্যুৰ পৰা তোলা হ'ল তাৰ
সাক্ষ্য দিবলৈ ধৰিলে, আৰু সকলো বিশ্বাসীক ঈশ্বৰে
প্ৰচুৰ পৰিমানে আশীৰ্ব্বাদ কৰিলে। ৩৪তেওঁলোকৰ কাৰো
কেতিয়াও কোনো ধৰনৰ অভাব হোৱা নাছিল, কাৰণ
তেওঁলোকৰ মাটি বাৰী যি সকলো আছিল তাক তেওঁলোকে
বেচি তাৰ মূল্য লৈ আনি পাঁচনিসকলক গতাই দিছিল
আৰু ৩৫পাছত যাৰ যেনেকৈ প্ৰয়োজন, পাঁচনিসকলে
তেওঁলোকক তেনেকৈ দিছিল।

৩৬তেনে এজন বিশ্বাসীৰ নাম আছিল যোচেফ;
পাঁচনিসকলে তেওঁক বাৰ্ন্নববা বুলিও মাতে; এই নামৰ অৰ্থ
"উৎসাহ যোগোৱা জন।" তেওঁ এজন চাইপ্ৰাচৰ বাসিন্দা
লেবিয়া জাতিত জন্মা লোক আছিল। ৩৭এই যোচেফৰ নিজা
এটুকৰা মাটি আছিল, তেওঁ তাক বেচি সেই ধন লৈ আহি
পাঁচনিসকলক দিলে।

৫ ১অননিয় নামৰ এজন মানুহ আছিল, তেওঁৰ ভাৰ্য্যাৰ
নাম আছিল ছফিৰা। তেওঁ এটুকুৰা মাটি বেচি ২সেই
ধনৰ অংশ পাঁচনিসকলৰ ওচৰলৈ আনি দিলে; কিন্তু গুপুতে
সেই ধনৰ কিছু অংশ নিজলৈ ৰাখিলে। তেওঁৰ ভাৰ্য্যাই এই
কথা জানি এই কথাত সন্মত আছিল।

৩তেতিয়া পিতৰে ক'লে, "অননিয় তুমি কিয় চয়তানক
তোমাৰ অন্তৰত এনে কৰ্ম্ম কৰিবলৈ দিলা? তুমি ধনৰ
কিছু অংশ নিজলৈ ৰাখি পবিত্ৰ আত্মাৰ আগত কিয় মিছা
মাতিলা। ৪সেই মাটি বেচাৰ আগয়েই তোমালোকৰ নাছিল
নে? আৰু তাক বেচাৰ পাচতো সেই ধন তোমালোকে নিজ
ইচ্ছাৰে ব্যৱহাৰ কৰিব পাৰিলা হেতেন? কিন্তু তোমালোকে
এনেধৰনৰ চিন্তা কিয় কৰিলা? তুমি মানুহৰ ওচৰত নহয়,
ঈশ্বৰৰ আগতহে মিছা কলা, ।"

৫–৬এই কথা শুনাৰ লগে লগে অননিয় মাটিত পৰি মৰিল,
আৰু যি সকলে এই কথা শুনিলে, তেওঁলোকে সকলোৱে
ভীষন ভয় খালে। তাৰ পাচত কিছুমান যুবক আহি তেওঁক
কাপোৰেৰে মেৰিযাই বাহিৰলৈ লৈ গৈ কবৰ দিলে।

৭এই ঘটনাৰ প্ৰায় তিনি ঘন্টাৰ পাচত অননিয়ৰ পত্নি
চফিৰাই তেওঁৰ স্বামীৰ কি হৈছে তাক নজনাকৈয়ে তালৈ
আহিল। ৮তেতিয়া পিতৰে তেওঁক ক'লে মোক কোৱাচোন,
তোমালোকে মাটি টুকুৰা ইমান টকাতে বিক্ৰী কৰিলা নে?
তেওঁ ক'লে, হয় ইমান টকাতে বিক্ৰী কৰিলো ৯তেতিয়া
পিতৰে তেওঁক ক'লে তোমালোক দুয়োজনে প্ৰভুৰ
আত্মাক পৰীক্ষা কৰিবলৈ কিয় এক মত হলা। শুনা যি
সকলে তোমাৰ স্বামীক কবৰ দিব গৈছিল তেওঁলোক উভটি
আহি দুৱাৰৰ ওচৰত ৰৈছেহে মাত্ৰ তেওঁলোকে তোমাকো
এই দৰে লৈ যাব। ১০লগে লগেই তাইয়ো তেওঁৰ চৰনৰ
কাষত পৰি মৰিল সেই যুবক সকলে ভিতৰলৈ আহি
তাইকো মৃত দেখিলে আৰু বাহিৰলৈ লৈ গৈ তাইৰ স্বামীৰ
কাষত তাইকো কবৰ দিলে। ১১তেতিয়া মণ্ডলীৰ সকলোৱে
আৰু আন সকলে, যিবিলাকে এই কথা শুনিলে, তেওঁলোক
সকলোৱে ভীষন ভয় লাগিল।

## ঈশ্বৰৰ পৰা পোৱা প্ৰমাণ

১২লোক সকলক বিভিন্ন চিন আৰু অদ্ভুদ লক্ষন দেখুৱাবলৈ

[a] **৪:৩০ ক্ষমতা** আখৰিক অৰ্থত নাম।

পাঁচনিসকলক ক্ষমতা দিয়া হৈছিল, আৰু তেওঁলোক
সকলোৱেই একে লগে চলোমনৰ বাৰাণ্ডাত বহি আছিল,
আৰু সকলোৰে উদ্দেশ্য এটাই আছিল। ১৩আন কোনো
লোকে পাচঁনিসকলৰ সৈতে থিয় হবলৈ সাহস কৰা নাছিল;
কিন্তু সকলোৱে তেওঁলোকৰ বিষয়ে প্ৰশংসা কৰিব ধৰিলে।
১৪আৰু দলে বলে অনেক পুৰুষ আৰু তিৰোতা সক'লে
যীচুক বিশ্বাস কৰি বিশ্বাসী সকলৰ লগত যোগ দিলে। ১৫সেই
বাবে লোকসক'লে, নৰিয়াত পৰা অসুস্হ ৰোগী সকলক
লৈ আনি বাটৰ মাজতে তেওঁলোকৰ বিচনাত বা পাটিত এই
আশাৰে শুৱাই থয়, যাতে যেতিয়া পিতৰ সেই বাটেদি খোজ
কাঢ়ি যায় তেতিয়া যেন অন্ত:ত তেওঁৰ গাৰ চাঁ তেওঁলোকৰ
ওপৰত পৰে;। ১৬যিৰুচালেমৰ কেওদিশৰ নগৰৰ পৰা
অনেক লোকে ৰোগী সকলক বা অশুচি আত্মাৰ কবলত
পৰা লোকক আনিলে আৰু তেওঁলোক আটায়ে সুস্থ হ'ল।

## পাঁচনিসকলক গ্ৰেপ্তাৰ কৰা

১৭তেতিয়া মহাপুৰোহিত আৰু তেওঁলোকৰ লগৰ শিষ্য
বিলাক যাক চদ্দূকীৰ দল বোলা হয় তেওঁলোক হিংসাত
জ্বলি উঠিল। ১৮তেওঁলোকে পাঁচনিসকলক গ্ৰেপ্তাৰ কৰি
কাৰাগাৰত বন্দী কৰি ৰাখিলে; ১৯কিন্তু নিশাৰ সময়ত
প্ৰভুৰ এজন দূতে আহি সেই কাৰাগাৰৰ দুৱাৰ মুকলি কৰি
দিলে, সেই দুতে পাঁচনি সকলক বাহিৰলৈ কাৰাগাৰৰ পৰা
চলাই লৈ গৈ ক'লে, ২০"যোৱা আৰু নামঘৰৰ মাজত থিয়
হৈ লোক সকলক এই নতুন জীৱনৰ বিষয়ে জনোৱা।"
২১পাঁচনিসকলে এই কথা শুনাৰ পাচত তেওঁলোকে কৰা
আজ্ঞা অনুসাৰে অতি পুৱাতেই নামঘৰলৈ গৈ শিক্ষা দিবলৈ
ধৰিলে।

ইফালে মহাপুৰোহিত আৰু তেওঁলোকৰ শিষ্য সকলৰ,
যিহুদী জেষ্ঠ নেতা সকলে এখন মহাসভা পাতিলে; আৰু
তেওঁলোকে পাঁচনিসকলক লৈ আনিবলৈ কাৰাগাৰলৈ মানুহ
পঠিয়ালে। ২২কিন্তু যেতিয়া সেই মানুহ কেইজন কাৰাগাৰলৈ
আহিল, কাৰাগাৰত পাঁচনিসকলক দেখা নাপালে। সেয়ে
তেওঁলোকে ঘূৰি গৈ যিহুদী নেতা সকলক ক'লে, ২৩"আমি
গৈ দেখিলো যে কাৰাগাৰৰ তলা ভালদৰেই বন্ধ আছে,
দুৱাৰে দুৱাৰে চন্তৰীও থিয় হৈ আছিল, কিন্তু দুৱাৰ মেলি
ভিতৰলৈ গৈ আমি কাকো দেখা নাপালো, কাৰাগাৰ খালি
হৈ আছিল।" ২৪নামঘৰৰ মুখ্য দুৱৰি আৰু প্ৰধান পুৰোহিত
সকলে এই কথা শুনি বিবুদ্ধীত পৰি বিস্মিত হৈ সংশয় কৰি
থাকোতেই,

২৫তেতিয়াই এজনে আহি তেওঁলোকক ক'লে, "শুনক!
যি কেইজনক আপোনালোকে কাৰাগাৰত ৰাখিছিল
তেওঁলোকক নামঘৰৰ ভিতৰত ঠিয় হৈ লোকসকলক
শিক্ষা দি থকা দেখিলো।" ২৬তেতিয়া সেনাবাহিনীৰ প্ৰধানে
তেওঁৰ সঙ্গী সকলক লগত লৈ গৈ পাঁচনিসকলক উভটাই
আনিলে কিন্তু তেওঁলোকক কোনো বল প্ৰয়োগ নকৰিলে,
কাৰণ মানুহ বিলাকে তেওঁলোকক শিল দলিয়াই বধ কৰিব
পাৰে বুলি ভয় কৰিছিল,

২৭সৈনিক সকলে পাঁচনিসকলক ভিতৰলৈ লৈ আনি
মহাসভাৰ আগত থিয় কৰালে, তেতিয়া মহাপুৰোহিতে
পাঁচনিসকলক প্ৰশ্ন কৰিলে। ২৮তেওঁ ক'লে, "সেই
মানুহৰ[a] বিষয়ে কোনো শিক্ষা কেতিয়াও পুনৰ নিদিবলৈ
আমি তোমালোকক নিশ্চয়কৈ বাধা কৰিছিলো। কিন্তু চোৱা
চোন তোমালোকে কি কৰিলা? তোমালোকে তোমালোকৰ
শিক্ষাৰে গোটেই যিৰুচালেম বিয়পাই দিছা, আৰু সেই
মানুহৰ মৃত্যুৰ বাবে আমাক দোষাৰোপ কৰিবলৈ চেষ্টা
কৰিছা।"

২৯তেতিয়া পিতৰ আৰু আন পাঁচনিসকলে উত্তৰ
দি ক'লে, "নিশ্চয়ে আমি ঈশ্বৰৰ আজ্ঞা মানিব লাগে,
তোমালোকৰ আজ্ঞা নহয়। ৩০তোমালোকে যীচুক বধ
কৰিছিল, তেওঁক ক্ৰুচবিদ্ধ কৰিছিলা, কিন্তু, আমাৰ সেই
পিতৃপুৰুষ সকলৰ ঈশ্বৰে যীচুক মৃত্যুৰ পৰা তুলিলে।
৩১যীচুৱেই এক মাত্ৰ, যি জনক ঈশ্বৰে আমাৰ নেতা আৰু
ত্ৰাণকৰ্ত্তা ৰুপে সন্মানিত কৰি নিজৰ সোঁ হাতে স্থান দিলে।
ঈশ্বৰে ইস্ৰায়েল জাতিক মন সলনি কৰি ঈশ্বৰলৈ ঘুৰাৰ
সুযোগ দিবলৈ এই সকলো কৰিলে যাতে তেওঁলোকে
পাপৰ ক্ষমা পায়। ৩২আমি আটায়বোৰ ঘটা দেখিলো, আৰু
কব পাৰো যে এইবোৰ সত্য। এই সকলো যে সত্য, পবিত্ৰ
আত্মাও ইয়াৰ সাক্ষী আছে। ঈশ্বৰে এই আত্মা সেই সকলক
দান কৰিছে যি সক'লে তেওঁৰ আজ্ঞা পালন কৰে।"

৩৩মহাসভাৰ লোক সকলে এইবোৰ কথা শুনি ভীষন
খং উঠিল, আৰু তেওঁলোকে পাঁচনিসকলক বধ কৰিবলৈ
আঁচনি ললে। ৩৪কিন্তু সেই মহাসভাৰ লোক সকলৰে
মাজৰ সভ্য গমলীয়েল নামৰ এজন ফৰিচি, যি এজন বিধান
অধ্যাপক, যি জনক সকলোৱে সন্মান কৰিছিল, তেওঁ উঠি
থিয় হৈ সেই পাঁচনিসকলক কিছু সময়ৰ বাবে সভাৰ পৰা
বাহিৰলৈ যাবলৈ ক'লে। ৩৫তাৰ পাচত তেওঁ তেওঁলোকক
ক'লে, "হে ইস্ৰায়েলীয়া লোক সকল, তোমালোকে
এওঁলোকৰ প্ৰতি যি কৰিবলৈ ওলাইছা তাৰ বিষয়ে সাৱধান
হোৱা। ৩৬কাৰণ কিছু দিন আগে থিয়োদাচ নামৰ এজন
মানুহ ওলাই নিজকে মহান বুলি দাবি কৰিলে। প্ৰায় চাৰি
শ মানুহ তেওঁৰ অনুগামী হৈছিল; আৰু তেওঁক বধ কৰা
হ'লত তেওঁৰ সকলো শিষ্য চেদেলি-ভেদেলি হৈ যেনিয়ে
তেনিয়ে পলাই গ'ল, আৰু তেওঁলোকে একোৱেই কৰিব
নোৱাৰিলে।

৩৭তাৰ পাছত লোক পিয়লৰ সময়ত গালীলৰ পৰা যিহুদা
নামৰ এজন মানুহ ওলাই বহুতো লোকক নিজৰ ফালে
আকৰ্ষিত কৰাৰ পাচত তেওঁকো বধ কৰা হ'লত তেওঁৰ
শিষ্য সকলো চেদেলি-ভেদেলি হ'ল। ৩৮সেই কাৰনে
এতিয়া মই তোমালোকক কওঁ এই লোক সকলৰ পৰা
আঁতৰি থাকি এওঁ লোকক অকলে এৰি দিয়া। যদি ইয়াৰ
যোগে তেওঁলোকে কিবা হব বুলি ভাবিছে, তেন্তে ই সফল
নহব। ৩৯কিন্তু ই যদি ঈশ্বৰৰ পৰা হয় তেন্তে তোমালোকে

[a] **৫:২৮ 'সেই মানুহৰ'** যি নাম হৈছে যীচু যিহুদী নেতা সক'লে লবলৈ অস্বীকাৰ কৰিছে চাওঁক পাঁচ ৪:১৭-১৮

তেওঁলোকক কোনো পধ্যেই ৰখাব নোৱাৰা, কেৱল অযথা
ঈশ্বৰৰ অহিতে যূজ কৰাহে হব যিহুদী নেতা সক'লে
তেতিয়া গমলিয়েলৰ কথাত সন্মত হ'ল।
৪০তাৰ পাচত পাচঁনীসকলক ভিতৰলৈ মাতি আনি
চাবুকেৰে কোবাই যীচুৰ নামে কোনো কথা কবলৈ নিষেধ
কৰি তেওঁলোকক মুকলি কৰি দিলে ৪১পাঁচনিসকলে সেই
মহাসভাৰ পৰা বহিৰলৈ ওলাই গ'ল আৰু যীচুৰ নামৰ বাবে
তেওঁলোক যে তাড়না আৰু অপমান সহ্য কৰিবলৈ যোগ্য
বিবেচিত হৈছে, এই কথা ভাবি আনন্দ কৰিবলৈ ধৰিলে।
৪২আৰু ক্ষান্ত নাথাকি যীচু যে মচীহ এই শুভবাৰ্ত্তা ঘোষনা
কৰি থাকিল। এই ঘোষনা প্ৰতিদিনেই নামঘৰ অঞ্চলত আৰু
মানুহৰ ঘৰে ঘৰে কৰি থাকিল।

## বিশেষ কৰ্ম্মৰ বাবে সাতজনক মনোনীত

৬ ১সেই সময়ত অধিক অধিক লোক যীচুৰ অনুগামী
হব ধৰিলে। কিন্তু একে সময়তে গ্ৰীক ভাষী বিশ্বাসী
সক'লে আন যিহুদী বিশ্বাসী সকলৰ বিৰোদ্ধে অভিযোগ
তুলিলে যে তেওঁলোকৰ বিধবা তিৰোতা সক'লে অনুগামী
সক'লে প্ৰতিদিনে পোৱা তেওঁলোকৰ ভাগ পোৱা নাই।
২তেতিয়া সেই বাৰজন পাঁচনিয়ে গোটেই শিষ্যৰ দলক এক
গোট কৰিলে,
পাঁচনি সক'লে তেওঁলোকক ক'লে, লোকসকলক
আহাৰ যোগোৱাৰ বাবে আমাৰ কাৰনে ঈশ্বৰৰ বাক্য
শিকোৱাৰ কৰ্ম্ম বন্ধ কৰা ঠিক নহয়। ৩সেয়েহে মোৰ ভাই
আৰু ভনীসকল, তোমালোকে নিজৰ মাজৰ পৰা সাতজন
জ্ঞানী, পবিত্ৰ আত্মাত পৰিপূৰ্ণ আৰু সুনাম সম্পন্ন লোক বাচি
লোৱা। আমি তেওঁলোকৰ ওপৰত এই কাৰ্য্য সমৰ্পন কৰিম।
৪যাতে আমি প্ৰাৰ্থনা আৰু ঈশ্বৰৰ বাক্য পৰিচৰ্য্যা কাৰ্য্যত
আমাৰ সম্পুৰ্ণ সময় দিবলৈ পাৰো।"
৫তেওঁলোকৰ এই প্ৰস্তাৱে সকলো বিশ্বাসী সকলক
সন্তুষ্ট কৰিলে, সেয়ে তেওঁলোকে : স্তিফান (এওঁ ঈশ্বৰৰ
বিশ্বাসী আৰু পবিত্ৰ আত্মাত পৰিপূৰ্ণ আছিল।) ফিলিপ, [a]
প্ৰখৰ, নিকানৰ, তিমোন, পাৰ্মিনা আৰু নিকলাচ (এওঁ
আন্তিয়খিয়াৰ লোক আছিল, যিজনে যিহুদী ধৰ্ম গ্ৰহণ
কৰিছিল।) এওঁলোকক মনোনীত কৰিলে ৬তেওঁলোকে
এওঁলোক সকলোকে পাঁচনিসকলৰ সন্মুখত থিয় কৰালে;
আৰু পাঁচনিসক'লে প্ৰাৰ্থনা কৰি তেওঁলোকৰ ওপৰত হাত
ৰাখিলে। [b]
৭ঈশ্বৰৰ বাক্য বিস্তাৰিত ৰূপে প্ৰচাৰ হ'ল, যাৰ ফলত যে
চাযিৰুচালেমত শিষ্যৰ সংখ্যা বাঢ়ি বাঢ়ি গৈ থাকিল, আনকি
পুৰোহিত সকলৰ মাজৰো এটা ডাঙৰ দলে খ্ৰীষ্টক বিশ্বাস
কৰি তেওঁক গ্ৰহন কৰিলে।

## স্তিফানক আটক কৰা

৮স্তিফান ঈশ্বৰৰ শক্তি আৰু অনুগ্ৰহেৰে পৰিপুৰ্ন আছিল;
তেওঁ লোক সকলৰ মাজত বিভিন্ন ধৰনৰ অলৌকিক ও
পৰাক্ৰম কাৰ্য্য কৰিবলৈ ধৰিলে। ৯কিন্তু যিহুদী সকলৰ মাজৰ
কিছুমান মুক্ত মানুহ নামঘৰৰ পৰা আহি স্তিফানৰ লগত তৰ্ক
আৰম্ভ কৰিলে, এই লোক সকলৰ মাজৰ কোনো কোনো
লোক আছিল লিবৰ্ত্তীন আলেকজেন্দ্ৰীয়া আৰু কুৰুনীয়া
সকলৰ সমাজৰ। আন যিহুদী সকল কিলিকিয়া দলৰ আৰু
এচিয়াৰ পৰা অহা লোক আছিল ১০কিন্তু তেওঁলোকৰ
লগত প্ৰজ্ঞাৰে কথা কবলৈ পবিত্ৰ আত্মাই স্তিফানক সহায়
কৰিছিল। তেওঁৰ কথা ইমানেই শক্তিশালী আছিল যে
তেওঁলোক কোনেও তেওঁৰ লগত তৰ্ক কৰিব নোৱাৰিলে।
১১তেতিয়া তেওঁলোকে কিছুমান লোকক উচটাই দি
মিছা কোৱালে বোলে "আমি শুনিছো যে স্তিফানে মোচি
আৰু ঈশ্বৰৰ বিৰোদ্ধে নিন্দা কৰিছে।" ১২ইয়াক কোৱাৰ
দ্বাৰাই তেওঁলোকে লোকসমূহক, যিহুদী নেতা সকলক
আৰু বিধান পণ্ডিত সকলক উত্তেজিত কৰি তুলিলে।
তেওঁলোকে আহি স্তিফানক ধৰি লৈ গৈ মহাসভাৰ আগত
উপস্থিত কৰালে।
১৩তাৰ পাচত তেওঁলোকে কিছুমান মিছা সাক্ষী সজাই
কোৱালে বোলে, "এই লোক জনে সদায় পবিত্ৰ নামঘৰৰ
বিৰোদ্ধেবিৰোদ্ধে আৰু বিধানৰ-ব্যৱস্থাৰ বিৰোদ্ধেবিৰোদ্ধে
কথা কবলৈ কেতিয়াও নেৰে। ১৪আমি এওঁক কোৱা শুনিছো
যে, নাচৰতীয়া যীচুয়ে এই ঠাই বিনষ্ট কৰিব আৰু মোচিয়ে
দিয়া সকলো ৰীতি-নীতি সলনি কৰি দিব।" ১৫তেতিয়া
মহাসভাত বহি থকা সকলো লোকে একে থৰে স্তিফানৰ
ফালে চাই দেখিলে যে, তেওঁৰ মূখমণ্ডল স্বৰ্গদূতৰ মুখৰ
দৰে দেখা গ'ল।

## স্তিফানৰ বক্তৃতা

৭ ১তেতিয়া মহাপুৰোহিতে স্তিফানক সুধিলে, "এইবোৰ
কথা সঁচা নেকি? ২স্তিফানে উত্তৰ দি ক'লে, "হে
পিতৃসকল আৰু ভাইসকল, মোৰ কথা শুনা, হাৰাণ নগৰত
থকাৰ আগতে, মেচোপটোমিয়াত থকাৰ সময়ত আমাৰ
পূৰ্ব্বপুৰুষ আব্ৰাহামক আমাৰ মহান গৌৰৱময়, ৩ঈশ্বৰে
কৈছিল, 'তুমি তোমাৰ দেশ আৰু আত্মিয় সকলক এৰি মই
যি দেশ দেখুওৱাম তালৈ তুমি যোৱা।' [c]
৪আব্ৰাহামে তেতিয়া কলদীয়া[d] ইঁতৰ দেশ এৰি গৈ
হাৰোণত আহি বাস কৰিলে। তেওঁৰ পিতৃৰ মৃত্যুৰ
পাচত ঈশ্বৰে তেওঁক এই দেশলৈ পঠালে, যত এতিয়া
তোমালোকে নিবাস কৰা। ৫কিন্তু ঈশ্বৰে আব্ৰাহামক এই
ঠাইৰ একোকে নিদিলে, এনে কি এটুকৰা মাটিও নিদিলে;
কিন্তু ঈশ্বৰে প্ৰতিজ্ঞা কৰিলে যে ভবিষ্যতে এই দেশ

[a] **৬:৫ ফিলিপ** পাঁচনি সকলৰ মাজৰ নহয়।
[b] **৬:৬ হাত ৰাখিলে** ঈশ্বৰৰ আশীৰ্ব্বাদ খোজা ই এক বিষয় আছিল। এই দৰে প্ৰাৰ্থনা কৰি সুস্থ হবৰ বাবে, পবিত্ৰ আত্মাৰ শক্তি পাবলৈ আশীৰ্ব্বাদ বিচাৰিছিল।
[c] **৭:৩** উদ্ধৃতি আদিপুস্তক ১২:১
[d] **৭:৪ কলদীয়া** বা বেবিলন হৈছে দক্ষিণ মেচোপটোমিয়াৰ অংশ, চাওঁক ২ পদ।

তেওঁক আৰু তেওঁৰ সন্তান সকলক দিব, যদিও আব্ৰাহামৰ তেতিয়ালৈকে কোনো সন্তান নাছিল।

৬ঈশ্বৰে তেওঁক এই কথাও ক'লে যে, 'তোমাৰ বংশধৰ সকল আন দেশত প্ৰবাশ কৰিব তাত তেওঁলোক বিদেশী হব আৰু লোক সকলে তাত তেওঁলোকক চাৰি শ বছৰ ধৰি দাস ৰুপে বন্দী কৰি অপহ্যৱহাৰ কৰাব। ৭কিন্তু মই সেই জাতিক শাস্তি দিম যি সকলে তেওঁলোকক দাস হিচাবে ৰাখিছিল।'[a] ঈশ্বৰে ইয়াকো ক'লে সেই সকলো হৈ যোৱাৰ পাচত তোমাৰ লোক সকল সেই দেশৰ পৰা ওলাই অহিব 'তেতিয়া তেওঁলোকে এই ঠাইত মোৰ উপাসনা কৰিব।'[b]

৮"তেতিয়া ঈশ্বৰে আব্ৰাহামৰ লগত এক চুক্তি কৰিলে। এই চুক্তিৰ চিন হ'ল চুন্নত্। আৰু যেতিয়া আব্ৰাহামৰ এটা পুত্ৰ সন্তান হ'ল, জন্মৰ আঁঠদিনৰ দিনা তেওঁৰ চুন্নত্ কৰিলে; তেওঁৰ সেই পুত্ৰৰ নাম ইচাহাক। ইচাহাকেও তেওঁৰ পুত্ৰ যাকোবৰ চুন্নত্ কৰিলে। আৰু যাকোবেও সেইদৰে তেওঁৰ পুত্ৰসকলৰ চুন্নত কৰিলে, যি বাৰজন আমাৰ মহান আদিবংশৰ পিতৃ হ'ল।

৯"আমাৰ এই আদিবংশ সকলে তেওঁলোকৰ ভ্ৰাতৃ যোচেফৰ প্ৰতি হিংসা কৰি মিচৰত দাস হবলৈ তেওঁক বেচিলে, কিন্তু ঈশ্বৰ তেওঁৰ লগত আছিল। ১০আৰু তেওঁক সকলো দুখ কষ্টৰ পৰা ৰক্ষা কৰিছিল; সেই সময়ত ফৌৰন মিচৰৰ ৰজা আছিল। ঈশ্বৰে যোচেফক দিয়া জ্ঞান আৰু বুদ্ধিৰ বাবে ফৌৰনে তেওঁক ভাল পাইছিল আৰু শ্ৰদ্ধা কৰিছিল। ফৌৰনে যোচেফক মিচৰৰ ৰাজ্যপাল আনকি ফৌৰন ৰজাৰ ঘৰৰ সকলোৰে ওপৰত শাসক পাতিলে। ১১তেতিয়া গোটেই মিচৰ আৰু কনান দেশলৈ এনে ধৰনে সঙ্কট আহিল যে ইয়াৰ মাটিত একো শস্যই উৎপন্ন নহ'ল, লোকসমূহৰ অশেষ কষ্ট হ'ল। আমাৰ পুৰ্ব্বপুৰুষ সকলৰ খাবলৈ একোৱে নোহোৱা হ'ল।

১২"কিন্তু যাকোবে শুনিবলৈ পালে যে মিচৰত শস্য আছে, তেতিয়া তেওঁ আমাৰ পুৰ্ব্বপুৰুষ সকলক তালৈ পঠালে । মিচৰলৈ এইয়া তেওঁলোকৰ প্ৰথম যাত্ৰা আছিল। ১৩তেওঁলোকে দ্বিতীয় বাৰ পুনৰ যাওঁতে এইবাৰ যোচেফে নিজকে তেওঁৰ ভায়েক সকলক তেওঁ কোন আছিল নিজৰ বিষযে জনালে, তেতিয়া ফৌৰনে যোচেফৰ পৰিয়ালৰ বিষয়ে জানিলে। ১৪তাৰ পাছত যোচেফে কিছুমান মানুহ পঠিয়াই তেওঁৰ পিতৃ যাকোবক আৰু তেওঁৰ সম্পৰ্কীয় সৰ্ব্বমুঠ ৭৫ জন লোকক মিচৰলৈ আহিবলৈ আমন্ত্ৰণ জনালে। ১৫সেই বাবে যাকোব মিচৰলৈ গ'ল, তেওঁ আৰু আমাৰ পুৰ্ব্বপুৰষ সকল তাতে মৃত্যুলৈকে থাকিল। ১৬তাৰ পাচত তেওঁলোকৰ শৰ চিখিমলৈ নি তাত কবৰত থলে, সেই কবৰ যি আব্ৰাহামে চিখিমত ৰুপৰ মূদ্ৰা দি হমোৰৰ পুতেক সকলৰ পৰা কিনিছিল।

১৭"ঈশ্বৰে আব্ৰাহামলৈ যি প্ৰতিজ্ঞা কৰিছিল সেইয়া সিদ্ধ হোৱাৰ সময় ওচৰ হোৱাত মিচৰত আমাৰ লোকৰ সংখ্যা বাঢ়ি. বাঢ়ি. গ'ল। ১৮সেই সময়তে যোচেফৰ বিষয়ে একো নজনা এজন ৰজাই মিচৰ দেশত ৰাজত্ব কৰিব ধৰিলে। ১৯এই ৰজা জনে আমাৰ লোক সকলক নিৰ্দয়তাৰে শোষণ কৰি আমাৰ পূৰ্ব্বপুৰুষ সকলক কু-ব্যৱহাৰ কৰি শিশু সকলক বাহিৰলৈ পেলাই দিয়ে যাতে সিহঁত জীয়াই নাথাকে।

২০"সেই খিনি সময়তে মোচিৰ জন্ম হৈছিল, তেওঁ অতি সুন্দৰ শিশু আছিল আৰু তিনি মাহলৈকে তেওঁক মাক দেউতাকে ঘৰতে যতনে ৰাখিলে। ২১যেতিয়া তেওঁক বাহিৰত আনি থলে, ফৌৰনৰ জীয়েকে তেওঁক নিজৰ পুতেকৰ দৰে ঘৰলৈ লৈ আনি ডাঙৰ কৰিলে। ২২মিচৰীয়া সক'লে মোচিক মিচৰীয়া সকলৰ জানিব লগীয়া সকলো কথা শিকালে, তেওঁ কথাত আৰু কৰ্ম্মত শক্তিশালী হৈ উঠিল।

২৩"মোচিৰ বয়স যেতিয়া প্ৰায় চল্লিশ বছৰ হ'ল তেতিয়া তেওঁৰ নিজৰ ইস্ৰায়েলীয়া লোক সকলক দেখা কৰিবলৈ ইচ্ছা কৰিলে। ২৪তেতিয়া মোচিয়ে তেওঁলোকৰ মাজৰ এজনক এজন মিচৰীয়াই দূৰ্ব্যৱহাৰ কৰা দেখি তেওঁৰ পক্ষ লৈ সেই মিচৰীয়াক তাৰ প্ৰতিফল দিবলৈ বেয়াকৈ আঘাত কৰাত তেওঁৰ মৃত্যু হ'ল। ২৫মোচিয়ে ভাবিলে যে তেওঁৰ ভাইসক'লে হয়তো বুজিব যে ঈশ্বৰে তেওঁলোকৰ উদ্ধাৰৰ বাবেই তেওঁক ব্যৱহাৰ কৰিছিল, কিন্তু তেওঁলোকে তাক বুজি নাপালে।

২৬"পাচদিনা মোচিয়ে দেখিলে যে, দুজন ইস্ৰায়েলীয়াই পৰস্পৰৰ মাজতেই যুজ কৰিছে, তেওঁলোকৰ মাজত মিলা প্ৰীতি কৰি দিবলৈ তেওঁ ক'লে, 'তোমালোকে পৰস্পৰে ভাই -ভাই, কিয় এনেকৈ নিজৰ মাজতে হতা-হতি কৰিছা?' ২৭কিন্তু অন্যায় ভাবে চুবুৰীয়াক মাৰ-ধৰ কৰা জনে মোচিক গতিয়াই ক'লে, 'আমাৰ ওপৰত বিচাৰ কৰিবলৈ কোনে তোমাক অধিকাৰী পাতিলে? ২৮তুমি যেনেকৈ যোৱা কালি সেই মিচৰীয়াক হত্যা কৰিছিলা, তেনেকৈ কি মোকো হত্যা কৰিব খোজা নেকি?'[c] ২৯এই কথা শুনি মোচিয়ে মিচৰ এৰি মিদিয়নিয়া সকলৰ দেশলৈ পলাই গৈ বিদেশী হিচাবে নিবাস কৰিবলৈ ধৰিলে। তাত থকাৰ সময়তে মোচিৰ দুজন পুতেকৰ জন্ম হয়।

৩০"চল্লিশ বছৰ পাৰ হোৱাৰ পাছত চিনয় পৰ্ব্বতৰ ওচৰৰ মৰুপ্ৰান্তত এক জ্বলন্ত জুইৰ জোপোহাৰ মাজত এজন স্বৰ্গদূতে তেওঁক দৰ্শন দিলে। ৩১ইয়াকে দেখি মোচিয়ে বিস্ময় হৈ আৰু ভালকৈ প্ৰতক্ষ্য কৰিবলৈ ইয়াৰ কাষ চপাত, প্ৰভুৰ এই বাণী শুনিলে, ৩২প্ৰভূৱে তেওঁক ক'লে 'মই তোমাৰ পূৰ্ব্বপুৰুষ সকলৰ ঈশ্বৰ, আব্ৰাহাম, ইচাহাক আৰু যাকোবৰ ঈশ্বৰ'[d] মোচিয়ে ভয়ত কপিঁব ধৰিলে, আৰু ভালদৰে তেওঁক প্ৰতক্ষ্য কৰিবলৈ সাহস নকৰিলে।

৩৩"তেতিয়া প্ৰভুৱে তেওঁক ক'লে, 'তোমাৰ ভৰিৰ পৰা পাদুকা খোলা, কাৰণ এতিয়া যি ঠাইত তুমি থিয় হৈ আছা, সেইয়ে পবিত্ৰ ঠাই। ৩৪মিচৰত মোৰ লোক সকলে

[a] **৭:৭** উদ্ধৃতি আদিপুস্তক ১৫:১৩-১৪
[b] **৭:৭** উদ্ধৃতি আদিপুস্তক ১৫:১৪; যাত্ৰাৰ ৩:১২
[c] **৭:২৮** উদ্ধৃতি যাত্ৰাপুস্তক ২:১৪
[d] **৭:৩২** উদ্ধৃতি যাত্ৰাপুস্তক ৩:৬

অশেষ কষ্ট ভোগা দেখিলো, তেওঁলোকৰ কেকঁনি মই
শুনিলো, সেয়ে মই তেওঁলোকক উদ্ধাৰ কৰিবলৈ নামি
আহিছো, মোচি আঁহা, এতিয়া মই তোমাক মিচৰলৈ ঘূৰাই
পঠিয়াওঁ।’ [a]
৩৫“এইয়ে সেই মোচি যাক তেওঁৰ লোক সক’লে
তেঁওক নালাগে বুলি, ‘কোনে তোমাক আমাৰ শাসনকৰ্তা
আৰু বিচাৰক পাতিলে বুলি কৈ অগ্ৰাহ্য কৰিলে’। কিন্তু এই
মোচিকে ঈশ্বৰে নিজে উদ্ধাৰকৰ্ত্তা আৰু শাসনকৰ্ত্তা হবলৈ
পঠিয়াই স্বৰ্গদুতক সহায়ক কৰি জুইৰ জোপোহাত দৰ্শন
দিছিল, যি মোচিয়ে, জ্বলন্ত জুইৰ জোপোহা দেখিছিল
৩৬তেওঁ লোকসকলক মিচৰৰ পৰা উলিয়াই আনিলে আৰু
লোহিত সাগৰত আৰু অৰণ্যৰ মাজত ৪০ বছৰ ধৰি অনেক
অদ্ভূত লক্ষণ আৰু আচৰিত চিন দেখুউৱালে।
৩৭মোচিয়ে ইস্ৰায়েলৰ সন্তান সকলক কৈছিল, ‘ঈশ্বৰে
তোমালোকক মোৰ দৰেই এজন ভাৱবাদী দিব, তেওঁ
তোমালোকৰ মাজৰ পৰাই হব,’ ৩৮এই মোচিয়েই অৰন্যত
ঈশ্বৰৰ লোকসমূহৰ লগত আছিল। তেওঁ চিনয় পৰ্ব্বতত
স্বৰ্গদুতৰ লগত কথা পাতিছিল, আৰু আমাৰ পূৰ্ব্বপুৰুষ
সকলৰ লগত আছিল আৰু আমাক দিবলৈ ঈশ্বৰৰ পৰা
জীৱন দায়ক বাক্য লাভ কৰিছিল।
৩৯“কিন্তু আমাৰ পূৰ্ব্বপুৰুষ সক’লে মোচিৰ আজ্ঞা
মানিবলৈ নিবিচাৰিলে তেওঁলোকে তেওঁক অৱজ্ঞা কৰি
পুনৰ মিচৰলৈ ঘূৰি যাবলৈহে বিচাৰিলে। ৪০তেওঁলোকে
হৰোণক ক’লে, ‘মোচিয়ে আমাক মিচৰ দেশৰ পৰা
বাহিৰ কৰি আনিলে, কিন্তু তেওঁৰ কি হ’ল আমি একো
নাজানিলো। সেইবাবে আমাৰ আগে আগে গৈ আমাক
চলাই নিবলৈ কিবা ঈশ্বৰ সাজা। [b] ৪১সেই কাৰনে লোক
সক’লে গৰু পোৱালীৰ দৰে এটা মূৰ্ত্তি গঢ়ি সেই মূৰ্ত্তিৰ
আগত বলিদান উৎসৰ্গ কৰিলে। তেওঁলোকে নিজ হাতে
তৈয়াৰ কৰা এই মূৰ্ত্তিৰ বাবে তেওঁলোকে আনন্দ কৰিবলৈ
ধৰিল। ৪২কিন্তু ঈশ্বৰে তেওঁলোকৰ বিপক্ষে মূখ ঘূৰাই
আকাশত থকা অসাৰ দেৱতা বোৰক উপাসনা কৰিবলৈ
এৰি দিছিল। ভৱবাদী সক’লে লিখা পুস্তকত ঈশ্বৰে কোৱা
কথা এই দৰে লিখা আছে:

‘হে ইস্ৰায়েল জাতি, অৰন্যত চল্লিশ বছৰ ধৰি
তোমালোকে হলে মোৰ উদ্দেশ্য বলি আৰু
নৈবেদ্য উৎসৰ্গ কৰা নাই;
৪৩ কিন্তু তোমালোকে উপাসনাৰ বাবে মোলকৰ তম্বু
কঢ়িয়াই আনিছিলা
তোমালোকৰ ৰিফন নামৰ দেৱতাৰ তৰাৰ
প্ৰতিকৃতি বৈ আনিছিলা
এইদৰে উপাসনা কৰিবৰ কাৰণেই তোমালোকে এই
দেৱতা বোৰ গঢ়িছিলা।
সেই বাবে মই তোমালোকক বাবিলৰ পৰা আঁতৰ
কৰি পঠিয়াম।’ আমোচ *৫:২৫-২৭*

৪৪“মৰু প্ৰান্তত আমাৰ পূৰ্ব্ব পুৰুষ সকলৰ যি পবিত্ৰ
তম্বু[c] ঈশ্বৰে দিয়া নমুনা মতে মোচিয়ে সাজিছিল, ৪৫সেয়ে
লৈ, যিহোচূৱাই আমাৰ পূৰ্ব্বপুৰুষ সকলক আগুৱাই নি,
অন্যজাতিৰ দেশ অধিকাৰ কৰিলে। সেই অধিকাৰ কৰা
নতুন দেশত থকা লোকসকলক আঁতৰি যাবলৈ ঈশ্বৰে
বাধ্য কৰিলে। সেই সময়ত সেই পবিত্ৰ তম্বু তেওঁলোকৰ
লগত আছিল, যি তেওঁলোকে পূৰ্ব্বপুৰুষ সকলৰ পৰা
পাইছিল আৰু দায়ুদ ৰজাৰ সময়লৈকে ই তেওঁলোকৰ
লগতে আছিল। ৪৬দায়ুদে ঈশ্বৰৰ দৃষ্টিত বিশেষ অনুগ্ৰহ
লাভ কৰিছল, তেওঁ যাকোবৰ[d] লোক সকলৰ বাবে ঈশ্বৰৰ
এটি নিবাস সাজিবলৈ অনুমতি বিচাৰিলে। ৪৭কিন্তু দায়ুদৰ
পুতেক চলোমনেহে সেই মন্দিৰ সাজিলে।
৪৮“যি হওক সৰ্ব্বোপৰি জনা কেতিয়াও মানুহৰ হাতে
সজা গৃহত বাস নকৰে। এই বিষয়ে ভাৱবাদীয়ে[e] কৈছে:

৪৯ প্ৰভূৱে কৈছে, স্বৰ্গ মোৰ সিংহাসন।
পৃথিৱী মোৰ ভৰি ৰাখা ঠাই।
সেয়ে তুমি মোৰ বাবে কেনে ধৰনৰ গৃহ সাজিবা?
আৰু মোৰ বিশ্ৰামস্হান কত?
৫০ মোৰ হাতেই সকলো সজা নাই নে! *যিচয়া ৬৬:১–২*

৫১তেতিয়া স্তিফানে ক’লে “হে আঁকোৰ গোজ মনৰ
যিহুদী নেতা সকল তোমালোকে ঈশ্বৰৰ কথাও অমান্য
কৰা, হৃদয়ো তেওঁক নিদিয়া। তোমালোকো, তোমালোকৰ
পূৰ্ব্বপুৰুষ সকলে কৰাৰ দৰে সদায় পবিত্ৰ আত্মাৰ বিৰোদ্ধে
কৰ্ম্ম কৰা। ৫২এনে কোনো ভাৱবাদী আছিল নে যি জনক
তোমালোকৰ পূৰ্ব্বপুৰুষ সকলে তাড়না কৰা নাই? বহুত
দিনৰ আগেয়ে যিয়ে সেই ধাৰ্মিক ব্যক্তিৰ অহাৰ কথা ঘোষনা
কৰিছিল, তোমালোকৰ পূৰ্ব্বপুৰুষ সকলে তেওঁলোকক
হত্যাও কৰিছিল; ৫৩আৰু এতিয়া তোমালোকে সেই ধাৰ্ম্মিক
জনাক শত্ৰুৰ হাতত শোধাই দি বধ কৰিছা। তোমালোকে
মোচিৰ ব্যৱস্থা পাইছিলা, ঈশ্বৰে তেওঁৰ দূতসকলৰ দ্বাৰা
তাক দিছিল, কিন্তু তোমালোকে তাক অৱজ্ঞা কৰিলা!

## স্তিফানক বধ কৰা

৫৪এই সকলো কথা শুনি সভাত থকা লোক সকল প্ৰচণ্ড
খংত বলিয়াৰ দৰে হৈ তেওঁলৈ দাঁত কৰচিব ধৰিলে।
৫৫কিন্তু স্তিফানে পবিত্ৰ আত্মাৰে পৰিপুৰ্ণ হৈ স্বৰ্গলৈ চাই

[a] **৭:৩৪** উদ্ধৃতি যাত্ৰাপুস্তক ৩:৫-১০
[b] **৭:৪০** উদ্ধৃতি যাত্ৰাপুস্তক ৩২:১

[c] **৭:৪৪ পবিত্ৰ তম্বু** প্ৰকৃতাৰ্থত সাক্ষ্যৰ তম্বু, অৰ্থৰ তালিকাত পবিত্ৰ তম্বু চাওঁক।
[d] **৭:৪৬ যাকোবৰ** লোক সকলৰ বাবে ঈশ্বৰ, কিছমান পুৰণি লিপিত যাকোবৰ ঈশ্বৰ বুলি আছে।
[e] **৭:৪৮ যিচয়া ভাৱবাদীয়ে** ৭৪০-৭০০ খ্ৰীষ্টপূৰ্ব্বত ভাৱবাণী কৰিছিল।

ঈশ্বৰৰ মহিমা, আৰু যীচুক ঈশ্বৰৰ সোঁহাতে থিয় হৈ থকা
দেখিলে। ৫৬স্তিফানে ক'লে, "চোৱা! মই স্বৰ্গৰ দুৱাৰ মেলা
দেখিছো; আৰু মই মানৱ পুত্ৰক ঈশ্বৰৰ সোঁহাতে থিয় হৈ
থকা দেখিছো!"
৫৭তেতিয়া তাত থকা সকলোৱে বৰ মাতেৰে চিঞঁৰি
উঠিল, আৰু নিজৰ নিজৰ হাতেৰে কাণ বন্ধ কৰি একে
লগে স্তিফানৰ ফালে দৌৰি গ'ল। ৫৮তেওঁলোকে তেওঁক
নগৰৰ পৰা বাহিৰলৈ আনি তেওঁলৈ শিল দলিয়াব ধৰিলে।
যি সকলে স্তিফানৰ বিৰোদ্ধে মিছা সাক্ষ্য দিবলৈ আহিছিল,
তেওঁলোকৰ মাজৰ চৌল নামৰ এজন যুবকৰ ভৰিৰ
ওচৰত তেওঁলোকৰ নিজৰ নিজৰ বস্ত্ৰ সোলকাই থলে।
৫৯তেওঁলোকে তেওঁলৈ শিল দলিওৱাৰ সময়ত স্তিফানে
প্ৰাৰ্থনা কৰি ক'লে, "প্ৰভু যীচু মোৰ আত্মা গ্ৰহণ কৰা!"
৬০তেতিয়া তেওঁ আঠু পাৰি ক'লে, "প্ৰভু, তেওঁলোকৰ
বিৰোদ্ধে এই পাপ গন্য নকৰিবা!" তেওঁৰ মৃত্যুৰ আগেয়ে
এইয়াই তেওঁৰ শেষ কথা আছিল।

৮ ১–৩স্তিফানক বধ কৰাটো চৌলে, উচিত হ'ল বুলি
সন্মতি প্ৰকাশ কৰিছিল। তাৰ পাচত, কিছু ধাৰ্ম্মীক
লোক সকলে বৰকৈ ক্ৰন্দন কৰি, স্তিফানক কবৰস্হ
কৰিলে।

## বিশ্বাসী সকলৰ ওপৰত অত্যাচাৰ

৪সেই সময় চোৱাত, যীহুদী সক'লে যিৰুচালেমত থকা
মণ্ডলীৰ ওপৰত বৰকৈ অত্যাচাৰ কৰিবলৈ আৰম্ভ কৰি,
লোক সকলক অধিককৈ তাড়না দিবলৈ ধৰিলে। চৌলে
বিশ্বাসী সকলৰ এই দলবোৰক নষ্ট কৰিবলৈ চেষ্টা কৰি ঘৰে
ঘৰে গৈ, পুৰুষ ও স্ত্ৰী সকলক টানি আনি বন্দী শালত থলে,
তেতিয়া আটাই বিশ্বাসী সকল যিৰুচালেম এৰি গ'লগৈ,
কেৱল পাঁচনি সকলহে তাত থাকিল। এই বিশ্বাসী সকল
চমৰীয়া আৰু যীহুদীয়া অঞ্চলৰ বিভিন্ন ঠাইলৈ গ'লগৈ,
তেওঁলোক যোৱা সকলো অঞ্চলতে, আৰু সকলো ঠাইতে
ক্ৰমান্বয়ে সিঁচৰিত হৈ শুভবাৰ্ত্তা ঘোষনা কৰিলে

## চমৰীয়াত ফিলিপে শুভবাৰ্ত্তা ঘোষনা কৰা

৫ফিলিপে[a] চমৰিয়া নগৰলৈ গৈ তাত, লোক সকলক খ্ৰীষ্টৰ
বিষয়ে ক'লে। ৬লোক সকলে ফিলিপে কোৱা কথা আৰু
তেওঁ দেখুওৱা অলৌকিক চিন বোৰ দেখিলে আৰু বৰ
মনোযোগেৰে তেওঁ কোৱা কথাও শুনিলে। ৭এওঁলোকৰ
মাজৰ অনেকৰ ভিতৰত অশুচি আত্মা আছিল, ফিলিপে
এই আত্মা বোৰ তেওঁলোকৰ পৰা বাহিৰ কৰি দিলে, আৰু
এই আত্মা বোৰে প্ৰচণ্ড জোৰে, আৰ্ত্তনাদেৰে তেওঁলোকৰ
ভিতৰৰ পৰা ওলাই আহিল, তাত আন বহুতো দূৰ্ব্বল ও
খোৰা লোকো আছিল, ফিলিপে এই লোক সকলকো সুস্থ
কৰিলে। ৮সেয়ে গোটেই চহৰ খনৰ বাবে ই এক আনন্দৰ
দিন আছিল। ৯এই খন চহৰতে চিমোন নামৰ এজন লোকো
আছিল। ফিলিপ এই ঠাইলৈ অহাৰ আগতে চিমোনে
চমৰীয়া লোক সকলক, নিজকে এজন ডাঙৰ মানুহ বুলি
কৈ যাদু-মন্ত্ৰ কৰি অভিভুত কৰিছিল। ১০সৰু-বৰ সকলোৱে
তেওঁ কোৱা কথাত আস্হা ৰাখি ক'বলৈ ধৰিলে, "এই লোক
জনৰ লগত ঈশ্বৰৰ শক্তি আছে, যাক ঈশ্বৰৰ অসীম পৰাক্ৰম
বুলি কোৱা হয়।" ১১তেওঁ বহু দিনৰ পৰাই যাদু বিদ্যাৰ দ্বাৰা
লোক সকলক অভিভুত কৰাত, লোক সকল তেওঁৰ
অনুগামী হৈ পৰিল ১২কিন্তু ফিলিপে যেতিয়া তেওঁলোকক
ঈশ্বৰৰ ৰাজ্যৰ বিষয়ে শুভবাৰ্তা, আৰু যীচু খ্ৰীষ্টৰ শক্তিৰ
বিষয়ে ক'লে, অনেক পুৰুষ আৰু মহিলাই ফিলিপক বিশ্বাস
কৰি বাপ্তিস্ম ললে, ১৩এই চিমোনেও বিশ্বাস কৰি, বাপ্তিস্ম
ললে, বাপ্তিস্ম লোৱাৰ পাচত তেওঁ ফিলিপৰ লগতে থাকিল,
আৰু ফিলিপে কৰা অনেক অলৌকিক চিন আৰু পৰাক্ৰম
কাৰ্য্য দেখি বিস্ময় মানিলে।
১৪যেতিয়া যিৰুচালেমত পাঁচনিসক'লে শুনিলে, যে
চমৰিয়াৰ লোক সকলে ঈশ্বৰৰ বাক্য গ্ৰহন কৰিছে, তেতিয়া
চমৰিয়াত থকা লোক সকলৰ ওচৰলৈ পিতৰ আৰু যোহনক
পঠালে। ১৫যেতিয়া পিতৰ আৰু যোহন তালৈ আহিল,
তেতিয়া তেঁও লোকে, চমৰিয়া বিশ্বাসী সকলে পবিত্ৰ আত্মা
লাভ কৰিবলৈ প্ৰাৰ্থনা কৰিলে; ১৬কাৰণ এই লোকসমূহে,
প্ৰভু যীচু খ্ৰীষ্টৰ নামত বাপ্তিস্ম ললে কিন্তু সেই মূহুৰ্ত্তলৈকে
তেওঁলোকৰ কাৰো ওপৰলৈ পবিত্ৰ আত্মা নামা নাই, তাৰ
বাবে পিতৰ আৰু যোহনে প্ৰাৰ্থনা কৰিলে। ১৭যেতিয়া এই
দুজন পাঁচনিয়ে, তেওঁলোকৰ মূৰৰ ওপৰত হাত থলে
তেওঁলোকে পবিত্ৰ আত্মা লাভ কৰিলে।
১৮চিমোনে যেতিয়া দেখিলে যে, পাঁচনিসক'লে হাত
থোৱাৰ দ্বাৰাই লোক সক'লে পবিত্ৰ আত্মা পাইছে, তেতিয়া
তেওঁ তেওঁলোকক ধন যাচি ক'লে, ১৯"মোকো এই ক্ষমতা
দিয়া যাতে মই কাৰোবাৰ ওপৰত মোৰ হাত থলে, তেওঁ
লোকেও যেন পবিত্ৰ আত্মা পায়।"
২০পিতৰে তেতিয়া চিমোনক ক'লে, "তুমি আৰু
তোমাৰ ধন দুয়ো বিনষ্ট হওক, কিয়নো ঈশ্বৰৰ দান, তুমি
ধন দি কিনাৰ কথা ভাবিছা? ২১সেয়ে তুমি এই পৰিচৰ্য্যাত
আমাৰ লগত সহভাগী হব নোৱাৰা, কাৰণ ঈশ্বৰৰ দৃষ্টিত
তোমাৰ অন্তৰ শুদ্ধ নহয়। ২২সেই বাবে তুমি তোমাৰ
মন সলনি কৰি, চয়তানৰ এই কু চিন্তাৰ পৰা আঁতৰি
অনুতাপেৰে প্ৰভুৰ ওচৰত প্ৰাৰ্থনা কৰা, হয়তু বা তেওঁ
তোমাক ক্ষমা কৰে। ২৩কাৰণ মই দেখিছো তুমি সম্পূৰ্ন
তিতা ৰূপ হিংসাৰে পূৰ্ণ, নিজকে অধৰ্ম্ম ৰূপ কৰ্ম্মৰ পৰা
বিৰত ৰাখিব নোৱাৰা।
২৪তেতিয়া চিমোনে উত্তৰ দি ক'লে, "আপোনালোক
দুয়োৱে প্ৰভুৰ ওচৰত মোৰ বাবে প্ৰাৰ্থনা কৰক, যাতে মোৰ
বাবে যি সকলো আপোনালোকে ক'লে সেই যেন নঘটে!"
২৫তাৰ পাচত পাঁচনিসকলে দেখা, আৰু যীচুৱে কৰা
সকলো কৰ্ম্মৰ বিষয়ে, তেওঁলোকক কৈ যিৰুচালেমলৈ
ঘূৰি গ'ল, আৰু ঘূৰি যাওঁতে বহুতো চমৰিয়া নগৰৰ মাজেদি
গৈ লোক সকলক এই শুভবাৰ্ত্তাৰ বিষয়ে ক'লে।

[a] **৮:৫ ফিলিপ** পাঁচনিবিলাকৰ মাজৰ ফিলিপ নহয়।

### ফিলিপে এজন ইথোপিয়াৰ লোকক শিক্ষা দিয়া

২৬এদিন প্ৰভুৰ এজন দুতে সপোনত দৰ্শন দি ফিলিপক
ক'লে, "যুগুত হোৱা, আৰু দক্ষিন ফালে যেৰুচালেমৰ পৰা
গাজালৈ যোৱা নিৰ্জ্জন বাটেৰে যোৱা"
২৭তেতিয়া ফিলিপে উঠি যুগুত হৈ গ'ল, তেতিয়া বাটেদি
যাওঁতে তেওঁ এজন ইথোপিয়াৰ লোকক দেখা পালে, তেওঁ
নপুংসক আৰু কুচ দেশৰ এজন বিশেষ বিষয়া আছিল,
আৰু ইথোপিয়াৰ ৰাণীৰ সকলো ধন-সম্পত্তিৰ তত্ত্বাবধায়ক
আছিল। এওঁ যিৰুচালেমলৈ উপাসনা কৰিবলৈ গৈছিল।
২৮তেওঁ উভতি আহোঁতে, ৰথত বহি যিচয়া ভাবৱাদীৰ
পুস্তক খন পঢ়ি গৈ আছিল।
২৯তেতিয়া আত্মাই ফিলিপক ক'লে, "সেই ৰথৰ
ওচৰলৈ গৈ তেওঁক লগ ধৰা," ৩০সেই বাবে ফিলিপে
তেওঁৰ ওচৰলৈ গৈ, তেওঁ যিচয়া ভাবৱাদীৰ পুস্তক খন পঢ়ি
থকা দেখি, তেওঁক সুধিলে, "আপুনি যি পঢ়িছে তাক বুজি
পাইছে নে?"
৩১তেওঁ তেতিয়া ক'লে, "মই কেনেকৈ বুজিম? মোক
বুজাই দিবলৈ এজন ব্যক্তিৰ প্ৰয়োজন" সেয়ে তেওঁ
ফিলিপক উঠি আহি ৰথত তেওঁৰ লগতে বহিবলৈ আমন্ত্ৰন
জনালে। ৩২তেওঁ পঢ়ি যোৱা শাস্ত্ৰৰ এই অংশ আছিল :

"তেওঁ কাটিবলৈ নিয়া এটা ভেড়াৰ নিচিনা,
আৰু নোমকটিয়াৰ ওচৰত নিৰবে থকা ভেড়া
ছাগৰ দৰে,
তেওঁ নিজৰ মুখকে নেমেলিলে।
৩৩ তেওঁ লজ্জিত হ'ল আৰু তেওঁৰ অধিকাৰ কাঢ়ি লোৱা
হ'ল।
তেওঁৰ প্ৰাণ এই পৃথিৱীত শেষ হব,
আৰু তেওঁৰ বংশৰ কথা বৰ্ণিত নহব" *যিচয়া ৫৩:৭–৮*

৩৪তেতিয়া সেই বিষয়াই[a] ফিলিপক সুধিলে, "অনুগ্ৰহ
কৰি কওক, এই ভাৱবাদীয়ে কাৰ বিষয়ে এই কথা কৈছে?
তেওঁ তেওঁৰ নিজৰ বিষয়ে কৈছে, নে আন কাৰোবাৰ
বিষয়ে কৈছে?" ৩৫ফিলিপে শাস্ত্ৰৰ সেই অংশৰ আলম
লৈ তেওঁক যীচুৰ শুভৱাৰ্তাৰ বিষয়ে জনালে।
৩৬তেওঁলোকে সেই বাটেদি যাওঁতে বাটত সেই বিষয়াই
পানী দেখা পাই ক'লে, "চোৱা! ইয়াত পানী আছে! বাপ্তিস্ম
লোৱাতনো মোৰ কি বাধা আছে?" ৩৭[b] ৩৮তাৰ পাচত তেওঁ
ৰথ ৰখাবলৈ কৈ, পানীত ফিলিপে সৈতে নামিল আৰু
ফিলিপে তেওঁক তাত বাপ্তিস্ম দিলে। ৩৯তেওঁলোকে
যেতিয়া পানীৰ পৰা বাহিৰলৈ আহিল, তেতিয়াই প্ৰভুৰ
আত্মাই ফিলিপক আতঁৰাই লৈ গ'ল আৰু সেই বিষয়াই
তেওঁক আৰু দেখা নাপালে; কিন্তু আনন্দ কৰি কৰি নিজ
বাটেৰে ঘৰলৈ গৈ থাকিল। ৪০কিন্তু ফিলিপে অচদো নগৰত
আবিৰ্ভাব হৈ, সকলো চহৰতে শুভবাৰ্ত্তা প্ৰচাৰ কৰি কৰি
অচদোদৰ পৰা কৈচৰিয়া পালেগৈ।

### মন সলনি

**৯** ১ইতিমধ্যে চৌলে যিৰুচালেমত প্ৰভুৰ শিষ্য সকলক
তেতিয়ালৈকে ভয় দেখুৱাবলৈ চেষ্টা কৰি আছিল,
আনকি তেওঁলোকক বধ কৰিবলৈ তেওঁ মহাপুৰোহিতৰ
ওচৰলৈ গৈ ২দমেচকৰ নামঘৰ বোৰৰ প্ৰতি পত্ৰ প্ৰেৰণ
কৰিবলৈ ক'লে, আৰু যদি সেই পথৰ কোনো অনুগামী
পায়, তেন্তে পুৰুষেই হওক বা মহিলাই হওক তেওঁলোকক
গ্ৰেপ্তাৰ কৰি বন্দীৰূপে যিৰুচালেমলৈ যেন লৈ আনিব পাৰে
তাৰ অধিকাৰ বিচাৰলে।
৩সেই বাবে পৌল দমেচকলৈ গ'ল। যেতিয়া তেওঁ
দমেচকৰ ওচৰ পাওঁতে, অকস্মাতে স্বৰ্গৰ পৰা এক অতি
উজ্বল পোহৰৰ ৪চমক দেখি মাটিত ঢলি পৰিল, তেনেতে
"চৌল, চৌল, মোক কিয় তাড়না কৰিছা বুলি কোৱা এক
বাণী শুনিলে"
৫তেতিয়া, "প্ৰভু আপুনি কোন?" বুলি চৌলে শুধিলে।
সেই মাতৰ পৰা উত্তৰ আহিল,
"মই যীচু, যাক তুমি তাড়ণা কৰিছা। ৬এতিয়া তুমি উঠা,
আৰু নগৰৰ ভিতৰলৈ যোৱা আৰু তাতে কোনোবা এজনে
তুমি কি কৰা উচিত তাক তোমাক কব।"
৭তেওঁৰ লগত যোৱা লোক সক'লে কোনো কথা কব
নোৱাৰিলে। কেৱল নিৰৱে তেওঁলোকে ঠিয় হৈ মাতহে
শুনিলে, কিন্তু কাকো নেদেখিলে। ৮তাৰ পাচত চৌলে
মাটিৰ পৰা উঠি চকু মেলিলে কিন্তু চকুৰে একো নেদেখিলে,
সেয়ে তেওঁৰ লগত যোৱা সক'লে তেওঁৰ হাত ধৰি তেওঁক
দমেচকলৈ লৈ গ'ল। ৯চৌলে তিনি দিন লৈকে একো দেখা
নাপালে, আৰু একো খোৱা-বোৱাও নকৰিলে, আনকি
পানীও নাখালে।
১০দমেচকতে অননিয় নামৰ এজন খ্ৰীষ্টৰ শিষ্য আছিল।
প্ৰভূৱে তেওঁক দৰ্শন দি ক'লে অননিয়,
তেওঁ উত্তৰ দিলে, "প্ৰভূ, মই আছো"
১১প্ৰভূয়ে তেওঁক ক'লে, "উঠা, আৰু আলিলৈ ওলাই
পোন নামৰ বাটেদি গৈ যিহূদাৰ[c] ঘৰ বিচাৰা, আৰু তাৰ্চৰ
পৰা অহা চৌল নামৰ লোক এজনক বিচাৰা এতিয়া তেওঁ
প্ৰাৰ্থনাত আছে।" ১২তেওঁ দৰ্শন দেখিছে যে, অননিয় নামৰ
এজন ব্যক্তি আহি তেওঁক স্পৰ্শ কৰাত তেওঁ পুনৰ দৃষ্টি
পোৱা বুলি দৰ্শন পাইছে।
১৩কিন্তু অননিয়ই ক'লে, "প্ৰভু, বহুতো লোকে
মোক এওঁৰ বিষয়ে কৈছে, যেৰুচালেমত এওঁ বহুতো
আপোনাৰ বিশ্বাসী পবিত্ৰ সেৱক সকলৰ প্ৰতি কৰা কুকৰ্ম্মৰ
কথা, ১৪আৰু এতিয়া তেওঁ দমেচকলৈ আহিছে, কিয়নো

[a] **৮:৩৪ বিষয়া** প্ৰকৃতাৰ্থত নপুংসক, ৩৬, ৩৮, ৩৯ পদতো আছে।
[b] **৮:৩৭** কিছুমান লিপিত ৩৭ যিবিলাক কৰা হৈছে: "ফিলিপ উত্তৰ দিলে, 'যদি তুমি বিশ্বাস কৰিছা তেন্তে বাধা নাই। তাতে তেওঁ কলে, 'যীচু যে ঈশ্বৰৰ পুত্ৰ তাত মই বিশ্বাস কৰিছো।"
[c] **৯:১১ যিহূদা** এওঁ পাঁচনি সকলৰ মাজৰ যিহূদা নহয়।

আপোনাক বিশ্বাস[a] কৰা সকলো লোকক গ্ৰেপ্তাৰ কৰিবলৈ পুৰোহিত নেতা সকলে এওঁক অধিকাৰ দিছে।”

১৫কিন্তু প্ৰভূ যীচুৱে অননিয়ক ক’লে, “তুমি যোৱা, মই চৌলক এক বিশেষ উদ্দেশ্যৰ বাবে বাচি লৈছো তেওঁ ইস্ৰায়েলৰ লোক সকল, ইয়াত থকা অন্য জাতি আৰু তেওঁলোকৰ শাসক সকলক মোৰ বিষয়ে কব। ১৬মোৰ নামৰ বাবে তেওঁ ভূগিব লগীয়া সকলো যাতনাবোৰ মই তেওঁক দেখুৱাম।

১৭সেই বাবে অননিয় যিহুদাৰ ঘৰলৈ গৈ সোমাল আৰু তেওঁ চৌলৰ ওপৰত হাত থৈ ক’লে, “মোৰ ভাই চৌল, প্ৰভূ যীচু, যি জন, তুমি ইয়ালৈ বাটত আহোঁতে তোমাৰ আগত আবিৰ্ভাব হৈছিল, তেওঁ মোক তোমাৰ ওচৰলৈ পঠাইছে যেন তুমি পুনৰ দৃষ্টি পোৱা ও পবিত্ৰ আত্মাত পুৰ হোৱা।” ১৮তেতিয়া লগে লগে মাছৰ বাকলিৰ দৰে কিছুমান বস্তু চৌলৰ চকুৰ পৰা ওলাই পৰিল, আৰু তেওঁ পুনৰ দেখা পালে। তাৰ পাছত তেওঁ উঠি বাপ্তিস্ম ললে। ১৯আৰু ভোজন-পান কৰি পুনৰ সবল হ’ল।

## চৌলে যীচুৰ বিষয়ে ঘোষনা আৰম্ভ কৰা

কিছু দিনৰ বাবে চৌলে যীচুৰ অনুগামী সকলৰ লগত দম্মেচকতে থাকিল। ২০“যীচু যে ঈশ্বৰৰ পুত্ৰ”, এই বিষয়ে তেওঁ লগে লগে তেতিয়াই নামঘৰত গৈ লোকসমূহৰ আগত ঘোষনা কৰিবলৈ আৰম্ভ কৰিলে।

২১চৌলে কোৱা এই কথা, শুনি সকলো লোকে বিচুৰ্ত্তি খাই ক’লে “এই জনেই সেই ব্যক্তি, যিয়ে যেৰুচালেমত আছিল আৰু যীচুক বিশ্বীস কৰা সকলক ধংস কৰিবলৈ চেষ্টা কৰিছিল, আৰু সেই বাবেই যীচুৰ অনুগামী সকলক গ্ৰেপ্তাৰ কৰি মূখ্য পুৰোহিত নেতা সকলৰ ওচৰলৈ ধৰি নিবলৈ ইয়ালৈয়ো আহিল ২২যীচুৱেই যে মচীহ, সেই কথাৰ প্ৰমান দিবলৈ চৌল শক্তি শালী হৈ উঠিল, তেওঁৰ প্ৰমান বোৰ ইমান দৃঢ় আছিল যে দম্মেচক্কত থকা যিহুদী সকলে ইয়াৰ বিষয়ে তেওঁৰ লগত কোনো তৰ্ক কৰিব নোৱাৰিলে।

## চৌলে কিছু যিহুদী লোকৰ পৰা হাত সাৰা

২৩ভালেমান দিন পাৰ হোৱাৰ পাচত কিছুমান যিহুদী লোকে চৌলক বধ কৰিবলৈ ষড়যন্ত্ৰ ৰচিবলৈ ধৰিলে। ২৪চৌলক বধ কৰিবলৈ তেওঁলোকে দিনে নিশাই নগৰৰ দুৱাৰ নিৰীক্ষন কৰি আছিল, কিনন্ত তেওঁ, তেওঁলোকৰ এই ষড়যন্ত্ৰৰ কথা জানিলে। ২৫এদিন ৰাতি চৌলৰ কেইজনমান অনুগামীয়ে নগৰ খনৰ পৰা ওলাই যাবলৈ তেওঁক সহায় কৰিলে, তেওঁলোকে তেওঁক এটা পাচিত ভৰাই নগৰৰ প্ৰাচীৰৰ ফাকেদি গড়ৰ ওপৰৰ পৰা তললৈ নমাই দিলে।

## যিৰুচালেমত চৌল

২৬তেতিয়া তেওঁ যিৰুচালেমলৈ গ’ল আৰু তাত তেওঁ শিষ্য সকলৰ লগ লবলৈ চেষ্টা কৰিলে; কিন্তু তেওঁলোকে সকলোৱে তেওঁলৈ ভয় কৰিলে, তেওঁ যে সঁচাকৈয়ে যীচুৰ অনুগামী এই কথা তেওঁলোকে বিশ্বাস নকৰিলে, ২৭কিন্তু বাৰ্ণ্নাবাই চৌলক গ্ৰহন কৰি পাঁচনি সকলৰ ওচৰলৈ লৈ গ’ল আৰু চৌলে কেনেকৈ বাটত প্ৰভূৰ দৰ্শন পাই, প্ৰভুৱে চৌলৰ লগত কেনেকৈ কথা পাতিছিল তাক ক’লে। লগতে চৌলে দম্মেচকত কেনেকৈ সাহসেৰে প্ৰভূৰ বাবে কথা কৈছিল তাকো ক’লে।

২৮তাৰ পাচত চৌলে অনুগামী সকলৰ লগত থাকি যিৰুচালেমৰ কেউ দিশে প্ৰভূৰ কথা সাহসেৰে কৈ গ’ল। ২৯তেওঁ প্ৰায়ে গ্ৰীক ভাষা-বাদী যিহুদী সকলৰ লগত তৰ্ক কৰিছিল, যি সক’লে তেওঁক বধ কৰিবলৈ আঁচনি তৈয়াৰ কৰিছিল। ৩০এই কথা যেতিয়া বিশ্বাসী ভাইসক’লে গম পালে, তেতিয়া তেওঁ লোকে চৌলক কৈচৰিয়ালৈ নি তাৰ পৰা তাৰ্চ নগৰলৈ পঠিয়াই দিলে।

৩১সেই সময় চোৱাত যিহুদীয়া, গালীল আৰু চমৰিয়াত থকা মণ্ডলী সমূহত শান্তি বিৰাজ কৰি আছিল। আৰু পবিত্ৰ আত্মাৰ সহায়ত এই বিশ্বাসীৰ দল সমূহ বিশ্বাসত বলৱান হৈ, তেওঁলোকৰ জীবন-যাপনৰ যোগে, প্ৰভূৰ প্ৰতি সন্মান দৰ্শাইছিল। সেই বাবে সকলো ঠাইতে মণ্ডলী সংখ্যাত বৃদ্ধি হৈছিল।

## লুদ্দা আৰু যাফোত পিতৰ

৩২পিতৰে যিৰুচালেমৰ কেওদিশে ফুৰি লুদ্দাত থকা বিশ্বাসী[b] সকলৰ ওচৰলৈ আহিল। ৩৩তাতে ঐনিয় নামৰ এজন আঠ বছৰে শয্যাৰ পৰা উঠিব নোৱাৰা এজন পক্ষাঘাট ৰোগীক লগ পালে। ৩৪পিতৰে তেওঁক ক’লে “ঐনিয়, যীচু খ্ৰীষ্টই তোমাক সুস্হ কৰিছে, তুমি উঠি তোমাৰ শোৱা-পাটি আঁতাই লোৱা” ততালিকে তেওঁ উঠি থিয় হ’ল। ৩৫তেতিয়া লূদ্দা আৰু চাৰোনৰ সমতলত থকা সকলো লোকে তেওঁক দেখি প্ৰভুক অনুসৰন কৰিবলৈ নিৰ্ন্নয় ললে।

৩৬যাফো চহৰত তাবিথা নামৰ এগৰাকী যীচুৰ অনুসৰন কাৰী আছিল। তেওঁৰ গ্ৰীক নাম আছিল, দৰ্কাচ, এই নামৰ অৰ্থ “হৰিণী”, তাই সদায় আনৰ প্ৰতি ভাল কৰ্ম্ম কৰি প্ৰয়োজন থকা সকলক আৰ্থিক সহায় কৰিছিল। ৩৭পিতৰ যেতিয়া লূদ্দাত আছিল সেই সময়ত তাবিথা নৰিয়াত পৰি মৰিল; সেয়ে তেওঁলোকে তেওঁৰ দেহ ধূই ওপৰ তলাৰ এটি কোঠাত থলে। ৩৮যাফোত থকা অনুগামী সকলে পিতৰ লূদ্দাত আছে বুলি যেতিয়া গম পালে, কিয়নো লূদ্দা ওচৰতে আছিল, তেতিয়া তেওঁলোকে দুজন মানুহ পঠালে, যি কিজনে গৈ তেওঁক ক’লে “অতি সোনকালে পলম নকৰি আহক।” ৩৯পিতৰে যুগুত হৈ তেওঁলোকৰ লগত গ’ল, যেতিয়া তেওঁ আহি পালে তেওঁলোকে তেওঁক সেই ওপৰ

[a] **৯:১৪ বিশ্বাস** কৰা সকলো লোক প্ৰকৃতাৰ্থত, যি সকলে তোমাৰ নাম লয়। সহায়ৰ বাবে বিশ্বাস কৰি প্ৰাৰ্থনাৰে খোজে তেওঁলোকক কোৱা হৈছে।

[b] **৯:৩২ বিশ্বাসী** প্ৰকৃতাৰ্থত, পবিত্ৰ লোক, যিটো নাম যীচুৰ বিশ্বাসী সকলক দিয়া হৈছিল। ৪১ পদো চাওঁক।

কোঠালিলৈ লৈ গ'ল, তাত আটাই বিধবা সকলে তেওঁক
বেৰি ধৰি তাবিথাই জীয়াই থাকোতে তেওঁলোকৰ লগত
বনোৱা চোলা-কাপোৰ দেখুৱাই কান্দি আছিল। ৪০পিতৰে
সকলোকে কোঠালিৰ পৰা বাহিৰলৈ পঠিয়াই আঁঠু কাঢ়ি
প্ৰাৰ্থনা কৰিলে, তাৰ পাচত তাবিথাৰ দেহৰ ফালে ঘূৰি
ক'লে, "তাবিথা, উঠি থিয় হোৱা" তাতে তাই চকু মেলি
পিতৰক দেখি উঠি বহিল। ৪১তেওঁ তেওঁৰ হাত আগ বঢ়াই
তাইক ঠিয় হবলৈ সহায় কৰিলে, তেতিয়া তেওঁ বিশ্বাসী
সকলক আৰু বিধবা সকলক কোঠালিলৈ মাতি তাবিথাক
দেখুৱালে যে তাই জীৱিত।
৪২যাফোৰ সকলো ফালে লোক সকলে এই কথা গম
পাই বহুতে প্ৰভুক বিশ্বাস কৰিলে ৪৩পিতৰে যাফোত
চিমোন নামৰ এজন লোকৰ ঘৰত বহু দিন থাকিল, যি এজন
চমাৰ কৰ্ম্মী আছিল।

১০ ১কৈচেৰিয়াত কৰ্ণলিয়াচ নামৰ এজন মানুহ
আছিল; এওঁ ইতালীয়া নামৰ সৈন্য দলৰ এজন
এশৰ সেনাপতি আছিল। ২তেওঁ এজন ধাৰ্ম্মিক লোক
আছিল, তেওঁ আৰু তেওঁৰ ঘৰত থকা সকলো সদস্যই
সত্য ঈশ্বৰৰ উপাসনা কৰা লোক আছিল। তেওঁ লোক
সকলৰ মাজৰ দৰিদ্ৰ সকলক যথেষ্টভাৱে আৰ্থিক সহায়
আগবঢ়াইছিল আৰু সকলো সময়তে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা
কৰিছিল। ৩এদিন আবেলি প্ৰায় তিনি মান বজাত এটি দৰ্শনত
স্পষ্টকৈ এজন ঈশ্বৰৰ দুত তেওঁৰ ওচৰলৈ আহি কোৱা
শুনিলে "কৰ্ণলিয়াচ"
৪তেতিয়া কৰ্ণলিয়াচে একেথৰে স্বৰ্গদূতলৈ চাই ভয়তে
ক'লে, "আপোনাৰ কি প্ৰয়োজন, কওক মহাশয়?"
সেই স্বৰ্গদূতে তেওঁক ক'লে, "তোমাৰ প্ৰাৰ্থনা ঈশ্বৰে
শুনিলে; তুমি দুখীয়া সকলক আগবঢ়োৱা উপহাৰ তেওঁ
দেখিলে, তুমি কৰা এই সকলো কাম তেওঁ সোঁৱৰিলে।
৫এতিয়া তুমি যাফোলৈ মানুহ পঠাই, তাত চিমোন, যাক
পিতৰো বোলা নামৰ এজনক অনোৱা ৬তেওঁ সাগৰৰ
পাৰত নিবাস কৰা চামৰা তৈয়াৰ কৰোতা, চিমোন নামৰ
কোনোবা এজনৰ লগত আছে। ৭যেতিয়া কৰ্নলিয়াচক কথা
কোৱা স্বৰ্গদূত গুচি গ'ল তেতিয়া তেওঁৰ দাস বোৰৰ মাজৰ
দুজন দাস আৰু এজন সৈনিকক মাতি পঠালে। এই সৈনিক
জন ধাৰ্ম্মীক লোক তেওঁৰ নিকটতম সহায়ক আছিল।
৮কৰ্নলিয়াচে এই তিনিও জন ব্যক্তিক সকলো কথা বিৱৰি
কৈ তেওঁলোকক যাফোলৈ পঠালে।
৯পাছদিনা প্ৰায় দুপৰীয়া তেওঁলোক যাফোৰ ওচৰ
পাওঁতে সেই সময়ত পিতৰে প্ৰাৰ্থনা কৰিবলৈ চালৰ ওপৰ
উঠিল। ১০তেতিয়া তেওঁৰ ভোক লাগিল আৰু কিবা খাবলৈ
বিচাৰিলে, যেতিয়া পিতৰৰ বাবে আহাৰ তৈয়াৰ হৈ আছিল
তেতিয়া তেওঁ এক দৰ্শন পালে। ১১তেওঁ দেখিলে যে
আকাশ মুকলি হৈ তললৈ এখন ডাঙৰ চাৰি চুকৰ চাদৰৰ
দৰে কিবা নামিছে। ১২ইয়াত সকলো ধৰনৰ জন্তু, বগাই ফুৰা
জীৱ, আৰু পক্ষী আছে। ১৩তেতিয়া তেওঁলৈ এষাৰ মাত
কোৱা হ'ল, "পিতৰ উঠা, ইয়াত থকা কিবা মাৰি খোৱা।"
১৪কিন্তু পিতৰে ক'লে, "প্ৰভু, মই এনে কৰিব নোৱাৰো,
মই কোনোদিনে একো অশুচি বস্তু, বা আহাৰৰ বাবে
অনুপযোগী বস্তু খোৱা নাই।"
১৫কিন্তু আকৌ তেওঁলৈ মাত আহিল, "ঈশ্বৰে এই
সকলো শুচি কৰিলে আৰু সেইবোৰ খোৱাৰ অনুপযোগী
বুলি নকবা।" ১৬এইদৰে তিনি বাৰ হোৱাৰ পাচত সেই
সকলো আকাশলৈ তুলি নিয়া হ'ল। ১৭পিতৰে এই দৰ্শনৰ
অৰ্থত দোধোৰ মোধোৰ হ'ল। তেনেতে কৰ্ণলিয়াচে
পঠিওৱা লোক কেইজনে চিমোনৰ ঘৰ পাই দুৱাৰ দলিত
আহি থিয় হৈ আছিল
১৮তেওঁলোকে সুধিলে, "চিমোন পিতৰ এই ঘৰত থাকে
নেকি?"
১৯পিতৰে তেতিয়াও সেই দৰ্শনৰ বিষয়ে চিন্তা কৰি
থকাত আত্মাই তেওঁক ক'লে, "শুনা তোমাক তিনিজন
লোকে বিচাৰিছে। ২০উঠা আৰু তলৰ মহলালৈ নামি, উচিত
অনুচিত নাভাবি তেওঁলোকৰ লগত যোৱা, কাৰণ ময়েই
তেওঁলোকক পঠালো।" ২১সেই বাবে পিতৰে তললৈ নামি
গৈ তেওঁলোকক ক'লে, "মই ভাবো সেই জন মই, যাক
তোমালোকে বিচাৰিছা, ইয়ালৈ তোমালোক কিয় আহিলা?"
২২তেওঁলোকে ক'লে, "কৰ্নলিয়াচ যি এজন সেনাপতি,
পবিত্ৰ দুতে তেওঁক আপোনাক তেওঁৰ ঘৰলৈ মাতিবলৈ
ক'লে। তেওঁ এজন ভাল মানুহ, যিয়ে ঈশ্বৰৰ উপাসনা কৰে
আৰু সকলো যিহুদী লোকে তেওঁক সন্মান কৰে। স্বৰ্গদূতে
তেওঁৰ ঘৰলৈ আপোনাক মাতিবলৈ ক'লে যাতে আপোনাৰ
পৰা বাক্য শুনিবলৈ পায়।" ২৩তেতিয়া পিতৰে তেওঁলোকক
ভিতৰলৈ ৰাতিটো তাতে আলহী ৰূপে থাকিবলৈ মাতি নিলে।
পাচ দিনা পিতৰে যুগুত হৈ সেই তিনিজন লোকৰ লগত
গ'ল। যাফোৰ পৰা বিশ্বাসী সকলৰ মাজৰ কিছুমান বিশ্বাসীও
তেওঁলোকৰ লগত গ'ল। ২৪পাছদিনা তেওঁলোকে কৈচৰিয়া
নগৰলৈ আহিল, কৰ্নলিয়াচে তেওঁৰ সম্পৰ্কীয় লোক আৰু
নিকটতম বন্ধু সকলক একত্ৰিত কৰি তেওঁলোকৰ বাবে নিজ
ঘৰতে অপেক্ষা কৰি আছিল।
২৫যেতিয়া পিতৰ ঘৰৰ ভিতৰলৈ সোমাল কৰ্নলিয়াচে
তেওঁক লগ কৰি পিতৰৰ চৰণত পৰি প্ৰণাম কৰিলে।
২৬কিন্তু পিতৰ তেওঁক উঠাই ক'লে, "উঠি থিয় হোৱা,
মইও তোমাৰ দৰে এজন মানুহ।" ২৭পিতৰে কৰ্ণলিয়াচক
কথা কৈ থাকোতে, ভিতৰলৈ সোমাই তেওঁ তাত বৰ
এজাক মানুহ গোট খাই থকা দেখিলে।
২৮পিতৰে তেওঁলোকক ক'লে, "তোমালোকে জানা যে,
অযিহুদীৰ লগ লোৱা বা তেওঁলোকৰ তালৈ যোৱা আমাৰ
নিয়মৰ বিৰোধ, কিন্তু ঈশ্বৰে মোক কোনো লোককে অশুচি
বা বৰ্জিত নুবুলিবলৈ দেখুৱালে। ২৯ইয়ে মোক তোমালোকৰ
মানুহে ইয়ালৈ আহিবলৈ কোৱাত মই কোনো আপত্তি
নকৰাকৈ আহিলো, এতিয়া অমুগ্ৰহ কৰি মোক কোৱা কিয়
মোক বিচাৰি পঠালা।"
৩০কৰ্নলিয়াচে ক'লে, "চাৰিদিন পূৰ্বে আবেলি তিনি
বজাত এনেকুৱা সময়তে মোৰ ঘৰত মই প্ৰাৰ্থনা কৰি

থাকোতে অকস্মাতে উজ্জ্বল জিলিকা বস্ত্ৰ পিন্ধা কোনোবা
এজন মোৰ আগত থিয় হৈ ৩১ক'লে, "কৰ্ণলিয়াচ, ঈশ্বৰে
তোমাৰ প্ৰাৰ্থনা শুনিলে, আৰু তুমি দৰিদ্ৰ সকলক দিয়া
উপহাৰ বোৰ দেখি, তোমাক আৰু তুমি কৰা সকলো বোৰ
সোঁৱৰিলে, ৩২সেয়ে যাফো চহৰলৈ কিছুমান মানুহ পঠিয়াই
চিমোন পিতৰক আহিবলৈ কোৱা। তেওঁ চামৰা কাম কৰা
চিমোন নামৰ আন এজন মানুহৰ লগত আছে, যি জনৰ
ঘৰ সমূদ্ৰৰ পাৰত আছে।" ৩৩সেই বাবে মই ততালিকে
আপোনাৰ বাবে মানুহ পঠালো আপুনি ইয়ালৈ অহাত বৰ
ভাল হ'ল, এতিয়া আমি সকলোৱে, প্ৰভূৱে আমাক কবলৈ
আপোনাক দিয়া সকলো নিৰ্দেশ শুনিবলৈ ঈশ্বৰৰ সন্মূখত
উপস্থিত আছো।

## কৰ্ণলিয়াচৰ ঘৰত পিতৰে কথা কোৱা

৩৪পিতৰে তেতিয়া কবলৈ আৰম্ভ কৰিলে, "মই এতিয়া
সচাঁকৈয়ে বুজিছো, যে ঈশ্বৰে এজনতকৈ আনজনক
উতকৃষ্ট গন্য নকৰে। ৩৫তেওঁ সেই সকলক গ্ৰহন কৰে
যি সকলে তেওঁৰ আৰাধনা কৰে আৰু যি উচিত তাকে
কৰে, তেওঁ কি জাতিৰ সেইটো প্ৰযোজনীয় নহয়। ৩৬ঈশ্বৰে
ঈস্ৰায়েল লোক সকলক কথা ক'লে, তেওঁ লোক সকললৈ
এই শুভবাৰ্ত্তা প্ৰেৰন কৰিলে যে যীচু খ্ৰীষ্টৰ যোগে শান্তি
আহিল, আৰু যীচুৱে সকলোৰে ওপৰত এক মাত্ৰ প্ৰভূ।
৩৭"যোহনে লোক সকলক বাপ্তিস্মৰ প্ৰয়োজনৰ কথা
কোৱাৰ পাচত, গালীলৰ পৰা আৰম্ভ কৰি গোটেই যিহুদিয়াত
কি ঘটিল তাক তোমালোকে জানা। ৩৮নাচৰতিয়া যীচুৰ
বিষয়ে তোমালোকে জানা, ঈশ্বৰে তেওঁক পবিত্ৰ আত্মা আৰু
পৰাক্ৰম দান কৰি মাচিহ কৰিলে, যীচুৱে সকলো ঠাইতে গৈ
সকলোৱে ভাল কৰিলে, চয়তানৰ নিৰ্য্যাতনত থকা সকলক
সুস্হ কৰি ঈশ্বৰ যে তেওঁৰ লগত আছিল তাক দেখুৱালে।
৩৯"যিহুদীয়া আৰু যিৰুচালেমত যীচুৱে কৰা সকলো
কৰ্ম্ম আমি দেখিলো, কিন্তু তেওঁক বধ কৰা হ'ল। তেওঁক
তেওঁলোকে কাঠৰ ক্ৰুচত আঁৰিলে। ; ৪০কিন্তু মৃত্যুৰ তিনি
দিনৰ পাচত ঈশ্বৰে তেওঁক জীৱিত কৰি তুলিলে। ঈশ্বৰে
তেওঁক জীৱিত কৰাৰ পাচত মুকলিকৈ সকলোৱে দৃশ্যমান
কৰিলে। ৪১কিন্তু তেওঁ প্ৰত্যেকৰে দৃশ্যমান নহ'ল, কেৱল
ঈশ্বৰে সাক্ষ্য হবলৈ মনোনীত কৰা আমাৰ আগতহে
দৃশ্যমান হ'ল। তেওঁ জীৱিত হোৱাৰ পাচত আমি তেওঁৰ
লগত ভোজন পানো কৰিলো।
৪২যীচুৱে আমাক গৈ লোক সকলক কবলৈ ক'লে
যে "তেওঁৱেই এক মাত্ৰ, যাক ঈশ্বৰে জিৱীত আৰু মৃত
সকলোৱে ন্যায় কৰিবলৈ মনোনিত কৰিলে। ৪৩যি
কোনোৱে যীচুক বিশ্বাস কৰে, তেওঁ তেওঁৰ নামৰ দ্বাৰাই
পাপ ক্ষমা পাব। "আটাই ভাৱবাদীয়েই এই সকলো যে সত্য
তাত সন্মত হ'ল।

## অযিহুদী ওপৰলৈ পবিত্ৰ আত্মা আহিল

৪৪পিতৰে এই কথা কৈ থাকোতেই, তেওঁৰ কথা শুনি থকা
সকলোৰে ওপৰত পবিত্ৰ আত্মা নামিল। ৪৫পিতৰৰ লগত
অহা যিহুদী বিশ্বাসী সক'লে, অযিহুদী সকলৰো ওপৰত
পবিত্ৰ আত্মা উপহাৰ স্বৰূপে নমা দেখি আচৰিত হ'ল
৪৬তেওঁলোকে বিভিন্ন ভাষাত কথা কৈ ঈশ্বৰৰ প্ৰশংসা
কৰা শুনিলে, তেতিয়া পিতৰ ক'লে, ৪৭"এওঁলোকে
পানীত বাপ্তিস্ম লবলৈ কোনে আপত্তি দৰ্শাব? আমাৰ দৰেই
এওঁলোকেও পবিত্ৰ আত্মা পাইছে।" ৪৮সেই কাৰণে পিতৰে
কৰ্ণলীয়াচ আৰু তেওঁৰ পৰিয়াল বৰ্গ আৰু বন্ধু সকলক যীচু
খ্ৰীষ্টৰ নামত বাপ্তিস্ম লবলৈ ক'লে। তাৰ পাচত তেওঁলোকে
পিতৰক তেওঁলোকৰ লগত কিছু দিন থাকিবলৈ ক'লে।

**১১** ১যিহুদীয়াত থকা পাঁচনি আৰু বিশ্বাসী সক'লে
শুনিলে যে, অযিহুদী সকলেও ঈশ্বৰৰ বাক্য
গ্ৰহণ কৰিলে। ২কিন্তু যেতিয়া পিতৰ যিৰুচালেমলৈ আহিল,
তেতিয়া কেইজনমান যিহুদী বিশ্বাসী[a] লোকে তেওঁৰ লগত
তৰ্ক কৰি ৩তেওঁক ক'লে, "চোৱা, তুমি যিবিলাক যিহুদী
নহয় আৰু যিবিলাক অচুন্নত তেওঁলোকৰ ঘৰলৈ গৈছিলা,
আনকি তাত তেওঁলোকৰ লগত খোৱা-বোৱা কৰিছিলা!"
৪তেতিয়া পিতৰে তেওঁলোকৰ আগত সকলো ঘটনা
বিবৰি ক'লে, ৫তেওঁ ক'লে "মই যাফো নগৰত প্ৰাৰ্থনা কৰি
থাকোতে, সেই সময়ত এখন ডাঙৰ চাৰি চুকৰ চাদৰৰ দৰে
স্বৰ্গৰ পৰা নামি মোৰ কাষত অহা এক দৰ্শন পালো। ৬মই
ভালকৈ লক্ষ্য কৰি দেখিলো ইয়াৰ ভিতৰত সকলো ধৰনৰ
জীৱ-জন্তু, বনৰীয়াকে ধৰি, সৰীসৃপ তথা সকলো ধৰনৰ
পক্ষী। ৭তেতিয়া মই মোক কোৱা এক বাণী শুনিলো 'পিতৰ
উঠা আৰু, ইয়াত থকা যি কোনো এটা বধ কৰি খোৱা!'
৮"কিন্তু মই কলো, 'প্ৰভূ মই এনে কৰিব নোৱাৰো, মই
কেতিয়াও যি অশুচি তাক খোৱা নাই বা খোৱাৰ অনুপযোগী
তাক খোৱা নাই।'
৯কিন্তু স্বৰ্গৰ পৰা পুনৰ উত্তৰ আহিল 'ঈশ্বৰে এই সকলো
বোৰ শুচি কৰিলে, সেই বোৰ খোৱাৰ বৰ্জিত বুলি নকবা।'
১০"এইদৰে তিনিবাৰ ঘটিল, তাৰ পাছত সেই সকলো
বস্তু স্বৰ্গলৈ পুনৰ তুলি লৈ যোৱা হ'ল। ১১এনেতে
ততালিকে মই যি ঠাইত আছিলো সেই ঘৰৰ বাহিৰত তিনি
জন মানুহ থিয় হ'ল, তেওঁলোকক কৈচৰিয়াৰ পৰা মোক
লবলৈ পঠাইছিল। ১২আত্মাই মোক একো সংশয় নকৰাকৈ,
উচিত অনুচিত নাভাবি তেওঁলোকৰ লগত যাবলৈ ক'লে,
এই ছজন ভাইও মোৰ লগত ওলাল আৰু আমি কৰ্ণলিয়াচৰ
ঘৰলৈ গলো। ১৩তেতিয়া তেওঁ এজন স্বৰ্গদূতৰ বিষয়ে
ক'লে, যি জনক তেওঁৰ ঘৰত থিয় হৈ থকা দেখিছিল,
স্বৰ্গদূতে তেওঁক ক'লে "চিমোন যাক পিতৰো বোলে
তেওঁক আনিবলৈ যাফোলৈ কোনোবা জনক পঠোৱা।
১৪তেওঁ আহি যি সকলো কথা কব তাৰ দ্বাৰাই তুমি আৰু
তোমাৰ গৃহত থকা সকলোৱে উদ্ধাৰ লাভ কৰিব।"

[a] **১১:২ বিহুদী বিশ্বাসী** প্ৰকৃতাৰ্থত চুন্নৎ হোৱা বিলাক, ইয়াৰ অৰ্থ যিহুদী বিশ্বাসী সকলে খ্ৰীষ্টৰ বিশ্বাসী সকলক চুন্নৎ হবলৈ আৰু মোচিৰ আজ্ঞা পালন কৰিবলৈ শিকাইছিল, গালাতীয়া ২:১২ পদ চাওঁক।

১৫তেতিয়া “মই কথা কবলৈ আৰম্ভ কৰাৰ পাচত
তেওঁলোকলৈ, পবিত্ৰ আত্মা নামিল যি দৰে আৰম্ভণীতে[a]
আমাৰ ওপৰলৈ নামিছিল। ১৬তেতিয়া মই প্ৰভু যীচুৰ সেই
বাক্য সোঁৱৰিলো, ‘যোহনে লোক সমূহক পানীত বাপ্তিস্ম
দিছিল, কিন্তু তোমালোকে পবিত্ৰ আত্মাৰে বাপ্তিস্ম হবা।’
১৭ঈশ্বৰে এই লোক সকলক আমাক দিয়া সেই একেই পবিত্ৰ
আত্মাৰ বৰ দিলে, যি সক’লে প্ৰভু যীচু খ্ৰীষ্টক বিশ্বাস কৰিলে,
সেয়ে ঈশ্বৰে কৰিব বিচৰা এই কাৰ্য্যত মই কেনেকৈ আপত্তি
দৰ্শাম”

১৮যিহুদী বিশ্বাসী সক’লে যেতিয়া এই সকলো কথা
শুনিলে, তেওঁলোকে তৰ্ক এৰি ঈশ্বৰৰ প্ৰশংসা কৰি ক’লে,
“তেন্তে অযিহুদী সকলকো ঈশ্বৰে দিয়া সেই জীৱন লাভ
কৰিবলৈ মন পৰিবৰ্ত্তন কৰাৰ সুযোগ দিলে!”

## আন্তিয়খিয়ালৈ শুভবাৰ্তাৰ আগমণ

১৯ষ্তিফানক বধ কৰাৰ পাচত বিশ্বাসী সকলৰ ওপৰত
চলা তাড়নাৰ[b] বাবে তেওঁলোক গোট গোট হ’ল, তাৰে
কিছুমানে ফৈনীকিয়া, কুপ্ৰ, আৰু আন্তখিয়ালৈকে গৈ,
তেওঁলোকে কেৱল যিহুদী সকলৰ মাজতহে এইবোৰ
ঠাইত শুভবাৰ্তা ঘোষনা কৰিছিল। ২০এওঁলোকৰ মাজৰ
কিছুমান বিশ্বাসী কুপ্ৰ আৰু কুৰীণীৰ আছিল। এই সকল
লোক যেতিয়া আন্তিয়খিয়ালৈ আহিল তেওঁলোকে যি
সকল যিহুদী নহয়[c] তেওঁবিলাকৰ লগত বাৰ্ত্তালাপ আৰম্ভ
কৰিলে আৰু তেওঁলোকক প্ৰভু যীচুৰ বিষয়ে শুভবাৰ্তা
ঘোষনা কৰিলে। ২১প্ৰভুৱে এই লোক সকলক সহায়
কৰিছিল আৰু এক বৃহত সংখ্যক লোকে বিশ্বাস কৰি প্ৰভূক
অনুসৰন কৰিবলৈ নিৰ্নয় ললে।

২২যেতিয়া যিৰুচালেমত থকা মণ্ডলীয়ে এই বিষয়ে
শুনিলে তেওঁলোকে বাৰ্নাবাক আন্তিয়খিয়ালৈ পঠালে।
২৩–২৪বৰ্নাবা সম্পুৰ্ন পবিত্ৰ আত্মা ও বিশ্বাসেৰে পুৰ্ন এজন
সাধু ব্যক্তি আছিল। তেওঁ আন্তিয়খিয়ালৈ গৈ ঈশ্বৰে তাত
থকা বিশ্বাসী সকলক কৰা আশীৰ্বাদ দেখি তেওঁ বৰ সুখী
হ’ল। তেওঁ লোক সকলক “সদায় প্ৰভুত বিশ্বাসী হৈ থাকি
আন্তৰিকতাৰে তেওঁৰ সেৱা কৰিবলৈ উদগালে” আৰু
অধিক অধিক লোক প্ৰভুৰ অনুগামী হ’ল।

২৫তাৰ পাচত বাৰ্নবাই চৌলক বিচাৰি তাৰ্চ নগৰলৈ গ’ল।
২৬য়েতিয়া তেওঁ তেওঁক লগ পালে তেওঁক আন্তিয়খিয়লৈ
লৈ আহিল আৰু গোটেই বছৰটো তাতে থাকিল। সেই
সময়ত মণ্ডলী তাত গোট খাওঁতে বৰ্নব্বা আৰু চৌলে
তেওঁলোকক লগ ধৰি অনেক লোকক শিক্ষা দিলে। আৰু
এই আন্তিয়খিয়াতে লোক সক’লে যীচুৰ অনুগামী সকলক
“খ্ৰীষ্টিয়ান” বুলি কবলৈ আৰম্ভ কৰিলে।

২৭এই খিনি সময়তে কিছুমান ভাৱবাদী যিৰুচালেমৰ পৰা
আন্তিয়খিয়ালৈ আহিল। ২৮তেওঁলোকৰ মাজৰ আগাব নামৰ
এজনে উঠি আত্মাৰ সহায়ত ক’লে, “গোটেই পৃথিবীলৈ বৰ
বেয়া সময় আহিছে, মানুহৰ বাবে খাবলৈ আহাৰ নাথাকিব
(ক্লৌদিয় সম্ৰাট থকাৰ সময়ত এনে ধৰনৰ ভীষন আকাল
হৈছিল) ২৯প্ৰভুৰ অনুগামী সকলে সিদ্ধান্ত গ্ৰহন কৰিলে যে
প্ৰত্যেক জনেই যিমান অধিককৈ পাৰে যিহুদীয়াত থকা ভাই
ভনী সকললৈ অৰ্থৰ সহায় পঠিয়াব। ৩০ইয়ে তেওঁলোকে
আৰ্থিক সাহায্য গোটাই বাৰ্নব্বা আৰু চৌলক দিলে, যি
তেওঁলোকে যিহুদীয়াত থকা বৃদ্ধ সকলৰ বাবে লৈ দিলে।”

## বিশ্বাসী সকললৈ অধিক যাণ্ত্ৰনা

**১২** ১সেই সময়ত ৰজা হেৰোদে বিশ্বাসী সকলৰ
মণ্ডলীত থকা কিছু অংশৰ ওপৰত অত্যাচাৰ
আৰম্ভ কৰিছিল। ২তেওঁ যোহনৰ ভায়েক যাকোবক
তৰোৱালেৰে বধ কৰিববলৈ আদেশ দিলে। ৩তেওঁ যেতিয়া
দেখিলে যে যিহুদী সকলে এই কথাত সুখি হ’ল, তেতিয়া
তেওঁ পিতৰকো বন্দী কৰিববলৈ সিদ্ধান্ত গ্ৰহন কৰিলে। সেয়ে
খমিৰ নিদিয়া পিঠাৰ দিন আহিলত ৪তেওঁ পিতৰক গ্ৰেপ্তাৰ
কৰি বন্দীশালত থলে, যত তেওঁক ১৬ জনীয়া সৈনিকৰ
এটা দলে পহৰা দি আছিল আৰু হেৰোদে পিতৰক লোক
সকলৰ সন্মুখত উপস্হিত কৰাবলৈ বিচাৰি, নিস্তাৰ পৰ্ব্বৰ
সময়লৈকে অপেক্ষা কৰিলে। ৫সেই কাৰণে পিতৰক
বন্দীশালত থোৱা হ’ল, কিন্তু মণ্ডলীয়ে তেওঁৰ বাবে ঈশ্বৰৰ
ওচৰত নিৰন্তৰে প্ৰাৰ্থনা কৰি আছিল।

## পিতৰক কাৰাগাৰৰ পৰা উলিয়াই অনা

৬এদিন ৰাতি পিতৰে দুজন সৈনিকৰ মাজত দুডাল
শিকলিৰে বন্ধা হৈ টোপনিত আছিল, আন অধিক সৈনিক
সকল বন্দীশালৰ দুৱাৰত পহৰা দি আছিল, পাচ দিনা
হেৰোদে পিতৰক লোক সকলৰ আগত আনিবলৈ চিন্তা
কৰি আছিল। ৭অকস্মাতে প্ৰভুৰ এজন দুত তাত থিয় হ’ল;
আৰু কোঠাটো পোহৰেৰে পৰিপুৰ্ন হৈ উঠিল, তেতিয়া
স্বৰ্গদূতে পিতৰৰ গাত চাপৰ মাৰি জগাই দি ক’লে, “বেগাই
উঠা”, তেতিয়া তেওঁৰ হাতৰ শিকলি খহি পৰিল। ৮তাতে
সেই স্বৰ্গদূতে ক’লে, “সাজু হোৱা, আৰু ভৰিৰ পাদুকা
পিন্ধা “পিতৰে তেওঁ কোৱাৰ দৰে কৰিলে তাৰ পাচত স্বৰ্গ
দুতে ক’লে “তোমাৰ চোলা পিন্ধা আৰু মোৰ পাচত আঁহা।”

৯সেই স্বৰ্গদূত বাহিৰলৈ ওলাল আৰু পিতৰে তেওঁৰ
পাছ ললে; কিন্তু স্বৰ্গদূতে যি কৰিলে তাক যে বাস্তৱিকতে
কৰিছে, তাক তেওঁ বুজি নাপায়, তেওঁ ই কিবা এক দৰ্শন
বুলি ভাবিলে। ১০পিতৰ আৰু স্বৰ্গদুতে প্ৰথম আৰু দ্বিতীয়
চন্তৰী পাৰ কৰি আহি তেওঁলোক লোহাৰ দুৱাৰ পোৱাত
তেওঁলোকক নগৰৰ পৰা পৃথক কৰা হ’ল। পিছে দুৱাৰ
খন নিজে নিজে তেওঁলোকৰ বাবে মেল খালে আৰু

[a] **১১:১৫ আৰম্ভণীতে** অৰ্থাৎ পাঃকৰ্ম্ম ২ উল্লেখ কৰা পঞ্চাচদিনিয়া পৰ্ব্ব কথা কোৱা হৈছে।

[b] **১১:১৯ তাড়নাৰ** যীচুক বিশ্বাস কৰাৰ বাবে বিহুদী নেতা বিলাকে কৰা অত্যাচাৰৰ সময়। পাঃকৰ্ম্ম ৮:১-৪ চাওঁক।

[c] **১১:২০ যি সকল যিহুদী নহয়** প্ৰকৃতাৰ্থত গ্ৰীক ভাষাবাদী। কিছুমান গ্ৰীক লিপিত গ্ৰীকলোক সকল বুলি উল্লেখ আছে।

তেওঁলোক দুৱাৰ খনেদি গৈ এটা মুৰ পোৱাত, অকস্মাতে
দুতে তেওঁলোকক এৰিলে
১১পিতৰে তেতিয়া, যি ঘটিলএই কথা অনুভৱ কৰি চিন্তা
কৰিলে “এতিয়া মই নিশ্চয়কৈ বুজিলো প্ৰভুৱে নিশ্চয়ে
মোলৈ তেওঁৰ দুত পঠালে আৰু হেৰোদৰ পৰা আৰু যিহুদী
সকলৰ দ্বাৰা মোৰ ওপৰত ঘটিব লগীয়া সকলোৰ পৰা মোক
ৰক্ষা কৰিলে।
১২এই কথা যেতিয়া পিতৰে অনুভৱ কৰিলে, তাৰ পাচত
তেওঁ মাৰ্ক নামে প্ৰখ্যাত, যোহনৰ মাক মৰিয়মৰ ঘৰলৈ
গ’ল, তাত বহুতো লোক একত্ৰিত হৈ প্ৰাৰ্থনা কৰি আছিল
১৩এনেতে পিতৰে ঘৰৰ দুৱাৰত বাহিৰ ফালে টুকুৰিয়ালে।
তেতিয়া ৰোদা নামৰ এগৰাকী বেটীয়ে শুনি চাবলৈ আহি,
১৪পিতৰৰ মাত চিনি পায়, ইমান আনন্দিত হ’ল যে, তাই
আনকি দুৱাৰ খুলিবলৈকে পাহৰি ভিতৰলৈ সোমাই গৈ
গোটখাই থকা দলক ক’লে, “পিতৰ দুৱাৰ মুখত আছে””
১৫তেতিয়া তাইক বিশ্বাসী সক’লে ক’লে, “তুমি বলিয়া
হৈছা"কিন্তু তাই কৈ থাকিল, এইয়ে সঁচা, তেতিয়া
তেওঁলোকে ক’লে, এইয়া নিশ্চয়ে পিতৰৰ দুত।
১৬কিন্তু পিতৰে দুৱাৰত টুকুৰিয়াইয়ে থাকিল, তাৰ পাচত
বিশ্বাসী সক’লে দুৱাৰ মেলি পিতৰক দেখি বিস্ময় মানিলে।
১৭তেতিয়া পিতৰে তেওঁলোকক হাতেৰে ইঙ্গিত দি নিৰবে
থাকিবলৈ কৈ, প্ৰভুৱে কি দৰে তেওঁক বন্দীশালৰ পৰা
উলিয়াই আনিলে তাৰ বৰ্ণনা তেওঁলোকক দিলে, তেওঁ
আৰু ক’লে “যাকোব আৰু আন ভাই সকলক যি ঘটিল
তাক কোৱাগৈ” তাৰ পাচত তেওঁ তাৰ পৰা ওলাই আন
ঠাই লৈ গ’ল।
১৮পাচদিনা সৈনিক সকল বৰ দুখী হৈ আচৰিত হ’ল যে
পিতৰৰনো কি হ’ল ১৯তেতিয়া হেৰোদে সকলো ঠাইতে
তেওঁক বিচাৰি নাপাই চন্তৰী সকলক প্ৰশ্ন কৰি তেওঁলোকক
যেন বধ কৰে, তাৰ আজ্ঞা দিলে।

## আগ্ৰিপা হেৰোদৰ মৃত্যু

তাৰ পাচত হেৰোদে যিহুদীয়া এৰি কৈচৰায়া নগৰলৈ গৈ
তাত অলপ দিন থাকিল। ২০হেৰোদে তুৰ আৰু চিদোনৰ
লোক সকলৰ ওপৰত ভীষন খং উঠিল, এই নগৰলৈ খাদ্য
তেওঁৰ দেশৰ পৰাই পাইছিল। সেয়ে লোক সকলৰ এটা
দলে ব্লাস্ত নামৰ ৰজাৰ এজন ব্যক্তিগত দাসক তেওঁবিলাকৰ
পক্ষ কৰি শান্তি কামনাৰ বাবে তেওঁৰ ওচৰলৈ আহিল।
২১তেতিয়া হেৰোদে এটা দিন ধাৰ্য্য কৰি সেই দিনা
তেওঁলোকক লগ কৰিবলৈ সুন্দৰ ৰাজবস্ত্ৰ পৰিধান কৰি
সিংহাসনত বহি লোক সকলক বক্তৃতা দি আছিল।
২২তেতিয়া লোক সক’লে ৰিঙিয়াই কবলৈ ধৰিলে, “এই
মাত ঈশ্বৰৰ, মানুহৰ নহয়” ২৩কিন্তু হেৰোদে এই প্ৰশংসা
ঈশ্বৰক নিদিয়াত প্ৰভুৰ এজন দুতে তেওঁক নৰিয়াত
পেলোৱাত, তেওঁক ভিতৰি পোকে খোৱাত তেওঁ মৰিল।
২৪আৰু ঈশ্বৰৰ বাক্য অনেক লোকৰ মাজত ব্যক্ত হৈ
বাঢ়ি বাঢ়ি গ’ল।
২৫তাৰ পাচত বাৰ্নবা আৰু চৌলে যিৰুচালেমত
তেওঁলোকৰ কৰ্ম্ম সিদ্ধ কৰি তেওঁলোকৰ লগতে মাৰ্ক যি
জনক যোহনো বোলা হয় তেওঁক লৈ আন্তিয়খিয়ালৈ ঘূৰি
গ’ল।

## বাৰ্নবা আৰু চৌলক এক বিশেষ কামত মনোনীত

১৩ ১সেই সময়ত আন্তিয়খিয়া মণ্ডলীত কিছুমান
ভাৱবাদী আৰু শিক্ষক আছিল। তেওঁলোক
হ’ল; বাৰ্নবা, চিমোন (যি জনক নিগ্ৰ বোলা হয়), কুৰীনী
চহৰৰ লুদীয়া, মনহেম (যি জন হেৰোদ ৰজাৰ[a] লগত ডাঙৰ
হোৱা), আৰু চৌল। ২এওঁ লোকে প্ৰভুৰ সেৱা লঘোনে
থাকি কৰি আছিল, যেতিয়া পবিত্ৰ আত্মাই ক’লে, “বাৰ্নবা
আৰু চৌলক মোৰ এক বিশেষ কামৰ বাবে নিয়োগ কৰা,
তেওঁলোকক মই সেই বিষেশ কামৰ বাবে বাচিলো।”
৩সেই কাৰনে মণ্ডলীয়ে লঘোন দি প্ৰাৰ্থনা কৰি বাৰ্নবা
আৰু চৌলৰ ওপৰত হাত থৈ তেওঁলোকক পঠাই দিলে।

## বাৰ্নবা আৰু চৌল চিলুকিয়ালত

৪এইদৰেই পবিত্ৰ আত্মাৰ দ্বাৰা বাৰ্নবা আৰু চৌলক
পঠিওৱা হ’লত তেওঁলোকে চিলুকিয়া নগৰলৈ গৈ তাৰ
পৰা জাহাজেৰে কুপ্ৰ দ্বীপলৈ গ’ল। ৫যেতিয়া বাৰ্নবা আৰু
চৌল আহি চালামি পালে, তাত যিহুদী সকলৰ নামঘৰত
তেওঁলোকে ঈশ্বৰৰ শুভবাৰ্ত্তা ঘোষনা কৰিলে তেওঁলোকৰ
সহায়ৰ বাবে যোহনোতেওঁলোকৰ লগত আছিল।
৬তেওঁলোকে সেই দ্বীপৰ কেও-দিশে ঘুৰি পাফ নগৰলৈ
গ’ল, তাতে যাদু কৰ্ম্ম কৰা বাৰ-যীচু নামৰ এজন যিহুদী
মানুহ লগ পালে, তেওঁ এজন ভাবি কোৱা ভাবৱাদী আছিল।
৭তেওঁ সদায় চৰ্দ্দিয় পৌলৰ ঘনিষ্ঠতাত আছিল যি এজন
ৰাজ্যপাল, আৰু বৰ নিপুন ব্যক্তি আছিল। তেওঁ বাৰ্নবা
আৰু চৌলক তেওঁৰ ওচৰলৈ আমংত্ৰন জনালে কাৰণ তেওঁ
ঈশ্বৰৰ বাৰ্ত্তা শুনিবলৈ ইচ্ছা কৰিছিল। ৮কিন্তু সেই মায়াবী
ইলুমাইয়ে (বাৰ-যীচু, যাৰ গ্ৰীক নাম) তেওঁক যীচুক বিশ্বাস
কৰাৰ পৰা, আঁতৰাই আনিবলৈ তেওঁলোকৰ বিৰোদ্ধে
ক’লে। ৯কিন্তু চৌল (যি জন পৌল নামেৰেও পৰিচিত),
তেওঁ পবিত্ৰ আত্মাৰে পুৰ্ন হৈ ইলুমাইলৈ কঠোৰ ভাবে
চালে। ১০আৰু ক’লে, “তই চয়তানৰ পুতেক, মিছা কথাৰে
পুৰ আৰু সকলো ধৰনৰ মায়া কৰ্ম্মকাৰী, সকলো সত কৰ্ম্মৰ
শত্ৰু, তই ঈশ্বৰৰ সকলো সত্যতাক সলনি কৰি মিছালৈ
পৰিবৰ্ত্তন কৰিবলৈ কেতিয়াও নেৰিবিনে? ১১এতিয়াই প্ৰভুৱে
তোক স্পৰ্স কৰিব আৰু তই অন্ধ হৈ যাবি, আৰু কিছু কাল
একো নেদেখিবি আনকি সূৰ্য্যৰ পোহৰও দেখা নাপাবি।”
তেতিয়া ইলুমাইলৈ গোটেই খন অন্ধকাৰ হ’ল আৰু
তেওঁ হেৰাই যোৱাৰ দৰে হ’ল, আৰু তেওঁক লৈ যাবলৈ
কাৰোবাৰ পৰা সহায়ৰ হাত বিচাৰিলে ১২যেতিয়া ৰাজ্যপালে

[a] **১৩:১ হেৰোদ ৰজাৰ** বাক্যৰ তালিকাত হেৰোদ আগ্ৰিপাৰ বিষয়ে চাওঁক।

এই ঘটনা দেখিলে, তেতিয়া তেওঁ বিশ্বাস কৰিলে, আৰু
প্ৰভুৰ শিক্ষাৰ বিষয়ে বিস্ময় মানিলে।

### পৌল আৰু বাৰ্নববা পিচিদিয়াৰ আন্তিয়খিয়ালৈ যোৱা

১৩পৌলে তেওঁৰ লগৰীয়া সকলৰ লগত পাফৰ পৰা
জাহাজেৰে ওলাই গৈ পাম্ফিলিয়াৰ পৰ্গা নগৰলৈ গ'ল,
যোহন মাৰ্কে তেওঁলোকক তাতেই এৰি যিৰূচালেমলৈ
উভটিল। ১৪আৰু তেওঁলোকে পৰ্গাৰ পৰা পিচিদিয়া দেশৰ
আন্তিয়খিয়ালৈ গৈ তাতে থাকিল।
এদিন এটা বিশ্ৰামবাৰে তেওঁলোকে যিহুদী সকলৰ
নামঘৰত গৈ বহিল। ১৫তাত মোচিৰ ব্যৱস্থা-বিধান আৰু
ভাৱবাদী সকলৰ লিখনি পাঠ কৰা হৈছিল, তেতিয়া নামঘৰৰ
নেতৃবৃন্দই পৌল আৰু বাৰ্নবালৈ এই সংবাদ কৈ পঠালে যে,
"ভাই সকল, ইয়াত এই লোক সকলৰ সহায়ৰ বাবে যদি
আপোনালোকৰ কিবা কব লগীয়া থাকে অনুগ্ৰহ কৰি কওক"
১৬তেতিয়া পৌলে উঠি, থিয় হৈ তেওঁলোকৰ মনোযোগ
কামনা কৰি হাত উঠাই ক'লে, "হে ইস্ৰায়েলীয়া লোকসকল,
আৰু আন সকলো লোক, যিয়ে সত্য ঈশ্বৰক উপাসনা কৰে,
অনুগ্ৰহ কৰি মোৰ কথা শুনা। ১৭ইস্ৰায়েলৰ ঈশ্বৰে আমাৰ
পুৰ্বপুৰুষ সকলক মনোনীত কৰিছিল, আৰু মিচৰ দেশত
আমাৰ লোক সকল বিদেশী ৰূপে থকাৰ সময়ত তেওঁলোকক
মহান কৰি মহাপৰাক্ৰমেৰে সেই দেশৰ পৰা তেওঁলোকক
মুক্ত কৰি উলিয়াই আনিলে ১৮আৰু প্ৰায় ৪০বছৰ কাল তেওঁ
অৰন্যত তেওঁলোকক সহন কৰি আছিল। ১৯আৰু কনান দেশৰ
সাত জাতিক তেওঁ বিনষ্ট কৰি সিঁইতৰ দেশ খন তেওঁৰ নিজ
লোকক দিলে। ২০এই সকলো বোৰ প্ৰায় ৪৫০ বছৰত ঘটিল।
তাৰ পাচত চমূৱেল ভাববাদীৰ দিনলৈকে ঈশ্বৰে আমাৰ
লোক সকলক চলাই নিবলৈ বিচাৰকৰ্তা দিলে। ২১তাৰ
পাচত তেওঁলোকে এজন ৰজা বিচৰাত ঈশ্বৰে কীচৰ পুত্ৰ
চৌলক ৰজা ৰূপে দিলে, এই চৌল বিন্যামীন বংশৰ আছিল।
তেওঁ ৪০ বছৰ ৰজা হৈ আছিল। ২২তাৰ পাছত ঈশ্বৰে
চৌলক আতঁৰাই, দায়ূদক তেওঁলোকৰ ৰজা পাতিলে।
দায়ুদৰ বিষয়ে ঈশ্বৰে এইদৰে সাক্ষ্য দি ক'লে, "যিচয়ৰ
পুত্ৰ দায়ূদ, যি জনৰ সকলো কৰ্ম্মই মোক সন্তুষ্ট কৰিলে, মই
বিচৰা দৰেই তেওঁ সকলো কৰ্ম্ম কৰিব"।
২৩"দায়ূদৰ বংশত ঈশ্বৰে তেওঁৰ প্ৰতিজ্ঞা অনুসৰি
ইস্ৰায়েলৰ বাবে এজন ত্ৰাণকৰ্ত্তা আনিলে। সেই বংশৰেই
হ'ল যীচু। ২৪তেওঁ অহাৰ পূৰ্বেই যোহনে ঈস্ৰায়েল লোক
সকলে কি কৰা উচিত তাক কৈছিল, তেওঁ লোক সকলক
বাপ্তিস্ম গ্ৰহন কৰি, জীৱন সলনি কৰাৰ ইচ্ছা প্ৰকাশ কৰা
দেখুৱাবলৈ ক'লে। ২৫যোহনে তেওঁৰ কাৰ্য্য সমাধা কৰোতে
ক'লে, "মই কোন বুলি তোমালোকে ভাবা? মই সেই
মচিহ[a] নহওঁ, তেওঁ মোৰ পাচত আহি আছে, মই তেওঁৰ
পাদুকাৰ বান্ধ খোলা দাসৰো যোগ্য নহওঁ।"

২৬"মোৰ ভাইসকল, আব্ৰাহামৰ পৰিয়ালৰ সন্তান সকল,
আৰু অনান্য লোক সকল, যি সক'লে সত্য ঈশ্বৰৰ উপাসনা
কৰে, তোমালোকে শুনা, পৰিত্ৰানৰ এই বাতৰি আমালৈ
পঠোৱা হৈছে। ২৭যিৰূচালেমত থকা যিহুদী সকল আৰু
তেওঁলোকৰ নেতা সকলে যীচুৱেই যে ত্ৰানকৰ্ত্তা আছিল
এই কথা অনুভব নকৰিলে। প্ৰতিটো বিশ্ৰাম বাৰে ভাবৱাদী
সকলে তেওঁৰ বিষয়ে লিখা কথা যদিও পঢ়া হয়, কিন্তু
তেওঁলোকে তাক বুজি নাপায়, যীচুকহে দোষী কৰিলে,
আৰু এনে কৰাৰ যোগে ভাবৱাদী সকলে কোৱা বচন সিদ্ধ
হ'ল। ২৮তেওঁলোকে যীচুৱে মৃত্যু বৰন কৰিব লগীয়া কোনো
কাৰণ সঠিক ভাবে নাপায় পিলাতক তেওঁক বধ কৰিবলৈ
গতাই দিলে।
২৯এই যিহুদী সকলে শাস্ত্ৰত লিখাৰ দৰে যীচুৰ ওপৰত
ঘটিব লগীয়া সকলো মন্দ বিষয় সম্পন্ন কৰিলে, তাৰ পাচত
তেওঁলোকে যীচুক ক্ৰুচৰ পৰা নমাই কবৰত থলে।
৩০কিন্তু ঈশ্বৰে তেওঁক মৃত্যুৰ পৰা তুলিলে। ৩১ইয়াৰ পাচত
বহুদিনলৈকে যি সকল লোক যীচুৰ লগত গালীলৰ পৰা
যিৰূচালেমলৈ গৈছিল তেওঁলোকে তেওঁক দেখিলে, আৰু
তেওঁলোক এতিয়া আমাৰ লোক সকললৈ সাক্ষ্য হৈ আছে।
৩২ঈশ্বৰে আমাৰ পূৰ্ব্বপুৰুষ সকলক দিয়া প্ৰতিজ্ঞা
অনুসাৰে, শুভবাৰ্ত্তাৰ বিষয়ে আমি আপোনালোকক জনাওঁ,
যে, ৩৩আমি তেওঁলোকৰেই বংশধৰ, ঈশ্বৰে এই প্ৰতিজ্ঞা
আমালৈ সত্য হবলৈ পুৰ কৰিলে। আৰু ঈশ্বৰে এই সকলো
হবলৈ যীচুক মৃত্যুৰ পৰাও তুলিলে, আমি এই সকলো
গীতমালা ২ অধ্যায়ত পঢ়িবলৈও পাওঁ:

'তুমি মোৰ পুত্ৰ,
আজি মই তোমাৰ পিতৃ হৈছো।' *গীতমালা ২:৭*

৩৪ঈশ্বৰে যীচুক মৃত্যুৰ পৰা তুলিলে। আৰু যীচুৱে কেতিয়াও
কবৰত গৈ ক্ষয় নাপাব। এই বিষয়ে ঈশ্বৰে কৈছে:

'মই তোমাক দায়ূদলৈ থিৰ কৰা
সত্য আৰু পবিত্ৰতাৰ প্ৰতিজ্ঞা দিম।' *যিচয়া ৫৫:৩*

৩৫আকৌ আন ঠাইত গীত মালাত এই দৰে কয়:

'তুমি তোমাৰ পবিত্ৰ জনাক ক্ষয় পাবলৈ নিদিবা।'
*গীতমালা ১৬:১০*

৩৬"দায়ূদে তেওঁৰ জীৱিত কালত ঈশ্বৰৰ ইচ্ছা অনুসাৰেই
কৰ্ম্ম কৰিছিল, তাৰ পিচত তেওঁৰ মৃত্যু হোৱাত তেওঁকো
তেওঁৰ পুৰ্ববপুৰুষ সকলৰ দৰে সমাধিস্হ কৰা হ'ল, আৰু
সমাধিত তেওঁৰ শৰ ক্ষয় পালে। ৩৭কিন্তু ঈশ্বৰে যিজনক
মৃত্যুৰ পৰা তুলিলে তেওঁ সমাধিত ক্ষয় নহ'ল। ৩৮–৩৯সেয়ে
হে ভাইসকলে, আমি তোমালোকক কি কৈছো তাক বুজা,
এই যীচুৰ দ্বাৰাই তোমালোকৰ পাপ ক্ষমা পাবা, মোচিৰ

[a] **১৩:২৫ মচিহ** ইয়াৰ অৰ্থ মনোনীত জনা। যোহন ১:২০ তুলনা কৰক। অৰ্থৰ তালিকাত "মচিহ" চাওঁক।

বিধানে তোমালোকক তোমালোকৰ পাপবোৰৰ পৰা মুক্ত
কৰিব নোৱাৰে। কিন্তু যীচুক যদি বিশ্বাস কৰা, তেন্তে ঈশ্বৰৰ
দৃষ্টিত শুদ্ধ হৈ সকলো দোষৰ পৰা তোমালোক মুক্ত হব
পাৰিবা। ৪০সেই বাবে সাৱধান হোৱা, ভাৱবাদী সক'লে
কোৱা কথা তোমালোকত ঘটিব নিদিবা:

৪১ "শুনা তোমালোক যি সকলে সন্দেহ কৰা!
তোমালোক বিস্ময় হোৱা, কিন্তু তাৰ পাচত
আঁতৰি গৈ বিনষ্ট হোৱা,
কাৰণ মই তোমালোকৰ সময়ত,
এনে কৰ্ম্ম কৰিলো,
তাক কোনোবাই ক'লেও তোমালোকে বিশ্বাস
নকৰিবা।'" *হবকুক ১:৫*

৪২তাৰ পাচত, পৌল আৰু বাৰ্নবাই নামঘৰৰ পৰা যাবলৈ
ওলোৱাত, এই বিষয়ে আৰু অধিককৈ কবলৈ পাচৰ
বিশ্ৰাম বাৰে তেওঁলোকক পুনৰ আহিবলৈ ক'লে ৪৩এই
সভাৰ পাচত লোক সকলৰ বহুতে, আৰু অনেক যিহুদী
আৰু লোক সকল যি সক'লে .যিহুদীৰ দৰে সত্য ঈশ্বৰৰ
উপাসনা কৰিবলৈ তেওঁলোকৰ ধৰ্ম্ম সলনি কৰিছিল
তেওঁলোকে পৌল আৰু বাৰ্নবাৰ অনুগামী হ'ল। আৰু পৌল
আৰু বাৰ্নবায়ে ঈশ্বৰৰ অনুগ্ৰহত ভাৰসা কৰি থাকিবলৈ
তেওঁলোকক উদগনী দিলে।
৪৪পাছৰ বিশ্ৰামবাৰে নগৰৰ প্ৰায় সকলো লোকে প্ৰভুৰ
বাক্য শুনিবলৈ একগোট হ'ল; ৪৫যিহুদী সক'লে তাত এই
লোক সকলক দেখি, বৰ হিংসা কৰিলে আৰু তেওঁলোকক
চিঞৰি অপমান কৰি, পৌলে কোৱা সকলো কথাত বিতৰ্কৰে
প্ৰতিবাদ কৰিলে, ৪৬কিন্তু পৌল আৰু বাৰ্নবাই বৰ দৃঢ়তাৰে
কবলৈ ধৰিলে, "আমি প্ৰথমতেই আপোনালোক যিহুদী
সকললৈ ঈশ্বৰৰ বাণী কব লাগিছিল, কিন্তু আপোনালোকে
শুনিবলৈ অমান্তি হ'ল। আপোনালোক যে অনন্ত জীৱনৰ
বাবে যোগ্য নহয় তাক স্পষ্টকৈ প্ৰকাশ কৰিলে, সেই বাবে
আমি এতিয়া যি সকল যিহুদী নহয় তেওঁলোকৰ তালৈ যাম।
৪৭এইয়ে কৰিবলৈ ঈশ্বৰে আমাক আজ্ঞা দিলে :

'মই তোমালোকক অন্য জাতি সকলৰ বাবে জ্যোতি
কৰিলো,
যেন জগতৰ সকলো মানুহে উদ্ধাৰৰ পথ দেখা
পায়'" *যিচয়া ৪৯:৬*

৪৮পৌলৰ এই কথা শুনি অযিহুদী সকল আনন্দিত হ'ল
আৰু প্ৰভুৰ বাৰ্ত্তাৰ প্ৰতি সন্মান জনালে, তেওঁলোকৰ বহুতে
ইয়াত বিশ্বাস কৰিলে, আৰু এই সকল লোকক অনন্ত
জীৱনৰ বাবে মনোনীত কৰা হ'ল।
৪৯এই দৰেই দেশৰ সকলো ঠাইতে প্ৰভূৰ শুভবাৰ্ত্তা
ঘোষনা কৰা হ'ল। ৫০কিন্তু যিহুদী সকলে কিছু মান মূখ্য
ধাৰ্ম্মিক তিৰোতা আৰু নেতাক খং তোলাই পৌল আৰু
বাৰ্নবাৰ বিপক্ষে উঠি শিল দলিয়াই নগৰৰ পৰা বাহিৰ কৰি
দিবলৈ উচটালে। ৫১সেই বাবে পৌল আৰু বাৰ্নবাই তাত
নিজৰ ভৰিৰ ধুলি[a] জোকাৰি পেলাই ইকনিয়লৈ গ'লগৈ।
৫২কিন্তু আন্তিয়খিয়াত প্ৰভূৰ অনুসৰনকাৰী সকলোৱে পবিত্ৰ
আত্মাৰে পুৰ হৈ আনন্দেৰে থাকিল।

### পৌল আৰু বাৰ্ণববা ইকনিয়ামত

**১৪** ১পাচত পৌল আৰু বাৰ্নবা ইকনিয়লৈ গ'ল।
তেওঁলোকে আন্তিয়খিয়ত কৰাৰ দৰেই
যিহুদী সকলৰ নামঘৰত প্ৰবেশ কৰিলে আৰু তাত লোক
সকলৰ লগত কথোপকথন কৰিলে, তেওঁলোকে ইমান
সুন্দৰকৈ কথা ক'লে যে অনেক যিহুদী আৰু গ্ৰীক সকলে
তেওঁলোকৰ কথাত বিশ্বাস কৰিলে। ২কিন্তু কিছুমান যিহুদী
লোকে বিশ্বাস নকৰিলে, তেওঁলোকে এনেধৰনৰ কথা
ক'লে যে, অযিহুদী সকলৰ খং উঠি বিশ্বাসী সকলৰ বিৰোধ
কৰিলে।
৩সেই বাবে পৌল আৰু বাৰ্নবাই ইকনিয়ত ভালে মান
দিনলৈকে থাকি প্ৰভুৰ পক্ষে সাহসেৰে ঘোষনা কৰিলে,
তেওঁলোকে লোক সমুহক ঈশ্বৰৰ অনুগ্ৰহৰ বিষয়ে ক'লে,
আৰু প্ৰভুৱে তেওঁলোকে কোৱা কথা যে সত্য তাৰ
প্ৰমাণ স্বৰুপে ঈশ্বৰে, অলৌকিক কৰ্ম্ম আৰু অদ্ভুদ লক্ষন,
তেওঁলোকৰ যোগে কৰাই, তাৰ প্ৰমান কৰি দিলে। ৪কিন্তু
সেই নগৰৰ কিছুলোকে বাৰ্নবা আৰু পৌলৰ কথাত বিশ্বাস
নকৰা যিহুদী সকলৰ সৈতে সন্মত হ'ল, আন সক'লে
পাঁচনি সকলক অনুসৰন কৰাত নগৰ খনত বিভাজন হ'ল।
৫তেতিয়া কিছমান যিহুদী, আৰু সেই দৰে তেওঁলোকৰ
নেতা আৰু কিছুমান অযিহুদী লোকে পৌল আৰু বাৰ্নবাক
আঘাত কৰি শিল দলিয়াই মাৰি পেলাবলৈ উদ্যত হোৱাত
৬পৌল আৰু বাৰ্নবাই এই কথা বুজি পাই সেই নগৰ এৰি গুচি
গ'ল, তাৰ পাচত তেওঁলোকে লুকায়নিয়া দেশৰ লুস্ত্ৰা আৰু
দৰ্বী নগৰ আৰু তাৰ চাৰিওকাষৰ অঞ্চললৈ গ'ল ৭তাতো
তেওঁলোকে শুভৱাৰ্ত্তা ঘোষনা কৰিলে।

### পৌল লুস্ত্ৰা আৰু দৰ্ব্বীত

৮লুস্ত্ৰাত এজন ভৰিত বল নথকা লোক আছিল, তেওঁ
কেতিয়াও খোজ নকঢ়া এজন খোৰা লোক আছিল। ৯সেই
লোকজনে বহি পৌলে কোৱা কথা শুনি আছিল, পৌলে
তেওঁলৈ একে থৰে চাই ঈশ্বৰে যে তেওঁক সুস্থ কৰিব পাৰে
তাৰ প্ৰতি থকা তেওঁৰ বিশ্বাস দেখি, ১০পৌলে চিঞৰি ক'লে
"নিজ ভৰিত থিয় হোৱা" তেতিয়াই তেওঁ জপিয়াই উঠি
খোজ কাঢ়ি ফুৰিব ধৰিলে।
১১পৌলে যি কৰিলে তাক লোকসমুহে যেতিয়া দেখিলে,
তেতিয়া লোকসমূহে নিজৰ লুকায়নিয়া ভাষাত চিঞৰি
ক'লে "আমালৈ মনুষ্যৰ ৰূপত ঈশ্বৰ নামি আহিল!"
১২তেতিয়া লোক সক'লে বাৰ্নব্বাক "দূপিত্যৰ", j আৰু

[a] **১৩:৫১ ভৰিৰ ধূলি** জোকাৰ হৈছে এক সকিয়নি, এই লোক
সকলৰ আগত আৰু কথা কেতিয়াও নকয়।

পৌলক মুখ্য বক্তা বাবে “মের্কুৰিষ” বুলিলে। k ১৩দুপিত্যৰৰ মন্দিৰ নগৰৰ ওচৰতে আছিল, সেই মন্দিৰৰ পুৰোহিত আৰু লোকসকলে নগৰৰ দুৱাৰলৈ কিছু বলদ আৰু ফুল লৈ আহিল আৰু পৌল আৰু বাৰ্নবালৈ তাক বলিদান উৎসৰ্গ কৰিবলৈ ইচ্ছা কৰিলে।

১৪কিন্তু যেতিয়া পাঁচনি পৌল, আৰু বৰ্নবাই লোক সকলে কি কৰিছিল তাক বুজি পালে, তেতিয়া তেওঁলোকে তেওঁলোকৰ নিজৰ কাপোৰ ফালি[a] লৰা-লৰিকৈ, লোক সমূহৰ মাজলৈ গৈ তেওঁলোকক উদ্দেশ্য কৰি চিঞঁৰি ক’লে, ১৫“তোমালোকে এইবোৰ কিয় কৰিছা? আমি দেৱতা নহওঁ, আমিও তোমালোকৰ দৰে মানুহহে, । আমি শুভৱাৰ্ত্তা ঘোষনা কৰিবলৈহে আহিলো, আৰু তোমালোকক সকলো অনৰ্থক বস্তুৰ পৰা আঁতৰি যি জনাই আকাশ, পৃথিৱী, সাগৰ আৰু ইয়াত থকা সকলোকে সৃষ্টি কৰিলে, সেই সত্য জীৱনময় ঈশ্বৰলৈ ঘুৰিবলৈ কৈছো।

১৬“অতীতত ঈশ্বৰে সকলো জাতিবোৰক তেওঁলোকৰ নিজ ইচ্ছা অনুসাৰেই চলিবলৈ এৰি দিছিল। ১৭কিন্তু ঈশ্বৰে সকলো সময়তে স-কৰ্ম্ম কৰি তেওঁ যে সত্য তাৰ প্ৰমান দিছে। তেওঁ তোমালোকলৈ স্বৰ্গৰ পৰা বৰষুণ বৰষাই উচিত সময়ত শস্য দাবলৈ দি, যথেষ্ট পৰিমানে আহাৰ যোগাই তোমালোকৰ অন্তৰ আনন্দেৰে পৰিপুৰ্ণ কৰে।

১৮এই সকলো বোৰ কথা পৌল আৰু বাৰ্নবাই কোৱাত কথমপিহে লোক সকলক তেওঁলোকলৈ বলিদান উতসৰ্গ কৰাৰ পৰা বিৰত ৰাখিব পাৰিলে।

১৯তেতিয়া কিছুমান যিহুদী লোক আন্তিয়খিয়াৰ পৰা ইকোনিয়ামলৈ আহি কিছুমান লোকক পৌলৰ বিৰোদ্ধে উচটালে, সেয়ে লোক সক’লে তেওঁলৈ শিল দলিয়াই নগৰৰ পৰা তেওঁলোকক বাহিৰ কৰিলে, তাতে তেওঁলোকে তেওঁক বধ কৰিলো বুলি ভাবিলে। ২০কিন্তু যেতিয়া যীচুৰ শিষ্য সক’লে আহি তেওঁৰ চাৰিওফালে গোট খালে, তেতিয়া তেওঁ উঠি নগৰৰ ভিতৰলৈ সোমাল। পাচদিনা পৌল আৰু বাৰ্নবাই সেই ঠাই এৰি দৰ্বী চহৰলৈ গুচি গ’ল।

## চিৰিয়াত থকা আন্তিয়খিয়ালৈ ঘূৰি অহা

২১তেওঁলোকে দৰ্বী চহৰতো শুভৱাৰ্ত্তা ঘোষনা কৰিলে, আৰু বহুতো লোক যীচুৰ অনুগামী হ’ল। তেতিয়া পৌল আৰু বাৰ্নবা লুস্ত্ৰাৰ চহৰবোৰত, ইকোনিয়াম আৰু আন্তিয়খিয়ালৈ ঘূৰি আহিল। ২২সেই চহৰ বোৰত তেওঁলোকে অনুগামী সকলক বিশ্বাসত বলৱান হৈ ঈশ্বৰত ভাৰসা ৰাখি চলি যাবলৈ উদগনি দিলে। তেওঁলোকে লোকসমূহক ক’লে, “ঈশ্বৰৰ ৰাজ্যলৈ যোৱাৰ পথত আমি বহুতো যাতনা ভূগিব লাগিব”। ২৩তেওঁলোকে প্ৰতিটো মণ্ডলীৰ বাবে বয়োযষ্ঠ লোকক মনোনিত কৰি কিছু সময়ৰ বাবে, তেওঁলোকৰ নিমিত্তে প্ৰাৰ্থনা কৰিবলৈ আহাৰ গ্ৰহন নকৰিলে, এই সকল বয়োযষ্ঠ, যি সকলে তেওঁলোকৰ ভাৰসা প্ৰভূ যীচুৰ ওপৰত ৰাখিছিল,সেই কাৰনে পৌল আৰু বাৰ্নবাই তেওঁলোকক তেওঁৰ তত্বাবধানত ৰাখিলে।

২৪পৌল আৰু বাৰ্নবাই তাৰ পাচত পিচিদিয়া দেশৰ মাজেদি গৈ পাম্ফুলিয়া দেশ পালেগৈ ২৫তেওঁ লোকে পাৰ্গা দেশত লোক সমূহক ঈশ্বৰৰ বাৰ্ত্তা ঘোষনা কৰি অট্টালিয়ালৈ গ’ল। ২৬তাৰ পৰা তেওঁলোকে জাহাজেৰে চিৰিয়াৰ আন্তিয়খিয়ালৈ গ’ল। এই খনেই সেই চহৰ যত বিশ্বাসী সকলে একগোট হৈ ঈশ্বৰৰ তত্তাবধান ৰাখি তেঁওলোকক এই কৰ্ম্ম কৰিবলৈ পঠাই দিছিল। এতিয়া তেওঁলোকে সেই কাম সম্পূৰ্ন কৰিলে।

২৭পৌল আৰু বাৰ্নবা যেতিয়া আহিল, তেতিয়া তেওঁলোকে মণ্ডলীক একগোট কৰি ঈশ্বৰে তেওঁলোকক এই সকলো বোৰ কৰিবলৈ ব্যৱহাৰ কৰাৰ কথা বিশ্বাসী সকলক বিবৰি কোৱাত, তেওঁলোকে ক’লে, “ঈশ্বৰে বিশ্বাস কৰিবলৈ অযিহুদী সকললৈ দুৱাৰ মুকলি কৰি দিলে”। ২৮তাৰ পাছত তেওঁলোকে ভালেমান দিন প্ৰভূৰ অনুগামী সকলৰ লগত থাকিল।

## যিৰুচালেমৰ মহাসভা

**১৫** ১তেতিয়া যিহুদিয়াৰ পৰা অহা কিছুমান লোকে আন্তিয়খিয়ালৈ আহি বিশ্বাসী সকলৰ পৰিয়াল সকলক তাত এই দৰে শিক্ষা দিবলৈ ধৰিলে যে তোমালোকে “মোচিয়ে আমাক শিকোৱাৰ দৰে যদি চুন্নত্ নকৰা তেনেহলে উদ্ধাৰ নাপাবা।” ২কিন্তু পৌল আৰু বাৰ্ণবাই এই শিক্ষাৰ বিৰোধিতা কৰিছিল, আৰু এই বিষয়ে লোক সকলৰ লগত বিতৰ্ক কৰিলে, সেই বাবে দলটিয়ে পৌল আৰু বাৰ্নাবাক আনলোকৰ সৈতে পাঁচনি আৰু বয়োযষ্ঠ সকলৰ লগত এই বিষয়ে বিতং কৈ কথা পাতিবলৈ যিৰুচালেমলৈ পঠালে।

৩তেতিয়া মণ্ডলীয়ে তেওঁলোকৰ যাত্ৰাৰ বাবে যুগুত হবলৈ তেওঁলোকক সহায় কৰিলে, এই লোক সকলে ফিনিকিয়া দেশ আৰু চমৰীয়াইদি যাত্ৰা কৰিলে, যত তেওঁলোকে কি দৰে অযিহুদী সকলে সত্য ঈশ্বৰলৈ ঘূৰিলে, এই বিষয়ে ক’লে, এই কথাই সকলো বিশ্বাসী সকলক অতিকৈ আনন্দিত কৰিলে। ৪লোক সকলে য়েতিয়া যিৰুচালেম আহি পালে, তাত থকা সকলো পাচঁনি, বয়োযষ্ঠ আৰু আন সকলে আৰু গোটেই মণ্ডলীয়ে তেওঁলোকক আদৰিলে। পৌল বাৰ্নাবাচ, আৰু আন সক’লে ঈশ্বৰে তেওঁলোকলৈ কৰা কামবোৰৰ বিষয়ে ক’লে। ।৫যিৰুচালেমত বিশ্বাসী সকলৰ কিছুমান ফৰিচী লোকো আছিল। তেওঁলোকে উঠি থিয় হৈ ক’লে, অযিহুদী বিশ্বাসী সকলে নিশ্চয়ে চুন্নত হব লাগে। আমি তেওঁলোকক নিশ্চয়কৈ মোচিৰ এই বিধান মানিবলৈ কব লাগে।

৬তেতিয়া পাঁচনিসকল আৰু বয়োজেষ্ঠ সকলে এই সমস্যা অধ্যয়ন কৰিবলৈ একগোট হ’ল, ৭এটা দীঘলীয়া যুক্তি তৰ্কৰ পাচত পিতৰে উঠি তেওঁলোকক ক’লে, ভাই সকল মই দৃঢ়কৈ জানো সেই আগৰ কালত যি সকলো

[a] **১৪:১৪ নিজৰ কাপোৰ ফালি** অৰ্থাৎ মনৰ দুখত কৰা কৰ্ম্ম।

ঘটিছিল সেইবোৰ আপোনালোকৰ মনত আছে। মোক
ঈশ্বৰে আপোনালোকৰ মাজৰ যি সকল যিহুদী নহয় সেই
সকলৰ মাজত শুভবাৰ্ত্তা ঘোষনা কৰিবলৈ মনোনিত কৰি,
তেওঁলোকে মোৰ পৰা শুভবাৰ্ত্তা শুনিলে আৰু বিশ্বাস
কৰিলে। [৮]ঈশ্বৰে সকলোকে জানে, আনকি তেওঁলোকৰ
চিন্তা ধাৰাও জানে আৰু তেওঁ এই অযিহুদী লোক সকলক
গ্ৰহনো কৰিলে, আমাক পবিত্ৰ আত্মা দান কৰাৰ দৰে
তেওঁলোককো পবিত্ৰ আত্মা দি আমাক তাকেই দেখুৱালে।
[৯]ঈশ্বৰৰ বাবে সেই লোক বিলাক আমাৰ পৰা পৃথক নহয়,
যেতিয়াই তেওঁলোকে বিশ্বাস কৰিলে, তেতিয়াই ঈশ্বৰে
তেওঁলোকৰ অন্তৰ শুদ্ধ কৰিলে। [১০]সেই বাবে এতিয়া
কিয় এই গধুৰ বোজা[a] অযিহুদী যীচুৰ অনুগামী সকলৰ
কান্ধত দিছা? তোমালোকে কি ঈশ্বৰৰ খং তুলিব বিচাৰিছা
নেকি? আমি আৰু আমাৰ পিতৃ সকলে সেই বোজা বহন
কৰিব নোৱাৰিছিলো। [১১]নহয়, আমি বিশ্বাস কৰো যে, এই
দৰেই আমাৰ আৰু এই লোক সকলৰো যীচু খ্ৰীষ্টৰ অনুগ্ৰহৰ
যোগেদি উদ্ধাৰ হব।

[১২]তেতিয়া সেই গোটেই দলটি নীৰৱে থাকিল।
তেওঁলোকে পৌল আৰু বাৰ্নবাই ঈশ্বৰে তেওঁলোকৰ
দ্বাৰাই অযিহুদী সকলৰ মাজত কৰা অলৌকিক চিন
আৰু আচৰিত কৰ্ম্মবোৰৰ বিষয়বোৰৰ কথা কওঁতে শুনি
আছিল। [১৩]তেওঁলোকৰ যেতিয়া কোৱা শেষ হ'ল, তেতিয়া
যাকোবে কবলৈ ধৰিলে, ‘‘ভাইসকল, মোৰ কথা শুনা।
[১৪]চিমোন পিতৰে আমাক কৈছিল, কি দৰে ঈশ্বৰে অযিহুদী
সকলৰ প্ৰতি তেওঁৰ প্ৰেম দেখুৱাই, প্ৰথম বাৰৰ বাবে ঈশ্বৰে
তেওঁলোকক গ্ৰহন কৰি তেওঁ লোকক নিজৰ কৰিলে।
[১৫]ভাৱবাদীৰ বাক্যয়েও ইয়াত সন্মত হৈছে :

[১৬] ‘ইয়াৰ পাচত মই ঘূৰি আহি,
দায়ূদৰ গৃহ পুনৰ নিৰ্মান কৰিম,
যি পৰি গৈছিল।
তেওঁৰ গৃহৰ তল পৰি যোৱা অংশ পুন:স্থাপন কৰিম,
মই এই গৃহ নতুন কৰিম।
[১৭] তেতিয়া পৃথিৱীৰ বাকী অংশতকৈ,
যি সকলক মই আন জাতিবিলাকৰ পৰা মনোনীত
কৰিলো,
যি সকলে মোৰ, প্ৰভূক অনুসৰন কৰিবলৈ বিচাৰে।
ঈশ্বৰেই এই সকলো ক'লে, আৰু তেৱেঁই
এইসকলো বোৰ কৰে।’ *আমোচ ৯:১১–১২*

[১৮] ‘এই সকলো বোৰ আদিৰে পৰাই জ্ঞাত আছিল।
(১৫:১৮ যিচয়াৰ ৪:২১ পদ চাওঁক)

[১৯]‘‘সেয়ে মই ভাবো যি সকলে অযিহুদী সকলৰ মাজৰ
পৰা ঈশ্বৰলৈ ঘূৰে তেওঁলোকলৈ বিষয়টো কঠিন কৰা উচিত
নহয়। [২০]তাৰ পৰিবৰ্তে, তেওঁলোকে কি কৰা অনুচিত, এই
বিষয়ে এখন চিঠিহে দিয়া উচিত।

মূৰ্ত্তিৰ আগত উৎসৰ্গ কৰা খাদ্য নাখাবা, ই খাদ্যক
অশুচি কৰে।
যৌনচাৰ পাপত লিপ্ত নহবা।
টেটু চেপি মৰা মাংস, বা তেজে সৈতে থকা মাংস
নাখাবা।

[২১]তেওঁলোকে এইবোৰ বিষয়ৰ একো এটা কৰিব নালাগে,
কাৰণ প্ৰত্যেক নগৰত এতিয়াও এনে ব্যক্তি আছে যিয়ে
মোচিৰ বিধানৰ শিক্ষা দিয়ে। কিয়নো বহু বছৰৰ পৰাই
নাম ঘৰবোৰত, এই ব্যৱস্হাবোৰ, প্ৰতি বিশ্ৰাম বাৰে পাঠ
কৰা হয়।

### অযিহুদী বিশ্বাসী সকললৈ পত্ৰ

[২২]তেতিয়া পাঁচনিসকল, বয়োযষ্ঠ সকল আৰু গোটেই
মণ্ডলীয়ে কেইজনমানক পৌল আৰু বাৰ্ণবাৰ লগত
আন্তিয়খিয়ালৈ পঠিয়াবলৈ বিচাৰি তেওঁলোকৰ মাজৰে,
নিজৰ লোকক বাচিবলৈ চিন্তা কৰি, যিহুদা (যি জনক বাৰ্চবা
বোলা হয়) আৰু চীলাছ যি জনক বিশ্বাসী সক'লে সন্মান
কৰাছিল তেওঁলোকক মনোনীত কৰিলে।
[২৩]দলটিয়ে এওঁলোকৰ যোগে লোকসকললৈ এখন পত্ৰ
পঠালে যত এনে ধৰনৰ লিখা আছে:

পাঁচনি সকল, বৃদ্ধ সকল আৰু ভাই সকলৰ তৰফৰ
পৰা,

আন্তিয়খিয়া চহৰত আৰু চিৰিয়া ও কিলিকিয়া
দেশত থকা সকলো অযিহুদী ভাই সকললৈ

প্ৰিয় ভাই সকল,
[২৪]আমি শুনিবলৈ পাইছো যে আমাৰ দলৰ
পৰা কিছুলোক আপোনালোকৰ ওচৰলৈ আহি,
তেওঁলোকৰ কথাৰ দ্বাৰাই আপোনালোকক দুখ
দি দুখী কৰিলে, কিন্তু আমি তেওঁলোকক এনে
কৰিবলৈ কোৱা নাছিলো। [২৫]আমি সকলোৱে
একমত হৈ কিছুমান লোকক বাচি তেওঁলোকক
আপোনালোকৰ ওচৰলৈ পঠিয়াব বিচাৰিছিলো,
তেওঁলোক হ'ল আমাৰ প্ৰিয় বন্ধু বাৰ্নাবাচ আৰু
পৌল। [২৬]বাৰ্নাবাচ আৰু পৌলে আমাৰ প্ৰভূ যীচু
খ্ৰীষ্টৰ সেৱা কৰিবলৈ তেওঁলোকৰ জীৱন দিছে।
[২৭]সেয়ে আমি তেওঁলোকৰ লগত যিহুদা আৰু চীলক
পঠালো, তেঁওলোকেও তোমালোকক একে কথাই
কব। [২৮]আমি পবিত্ৰ আত্মাৰ সৈতে এক মত যে
তোমালোকৰ ওপৰত প্ৰয়োজনীয় বিষয়ৰ বাহিৰে
অতিৰিক্ত ভাৰ নহওক।

[a] **১৫:১০ বোজা:** যিহুদীৰ বিধান। কিছুমান যিহুদীয়ে অ-যিহুদী খ্ৰীষ্টিয়ান সকলক বিধান পালন কৰিবলৈ বাধ্য কৰাইছিল।

২৯ মূৰ্ত্তিৰ আগত উৎসৰ্গ কৰা কোনো আহাৰ
তোমালোকে ভক্ষন নকৰিবা,
টেটু চেপা দি মৰা জন্তু বা তেজে সৈতে কোনো
মঙহ নাখাবা,
যৌনাচাৰ পাপত জড়িত নহবা।

যদি এই সকলোৰ পৰা তোমালোক বিৰত থাকা,
তোমালোকৰ মঙ্গল হব।
এতিয়া তোমালোকলৈ মঙ্গলবাদ জনালো।

৩০সেয়ে পৌল, বাৰ্নাবাচ, যিহুদা আৰু চীলাচে
যেৰুচালেমৰ পৰা ওলাই আন্তিয়খিয়ালৈ আহিল। তাত
তেওঁলোকে বিশ্বাসী সকলক একগোট কৰি চিঠিখন দিলে।
৩১যেতিয়া চিঠি খন বিশ্বাসী সকলে পঢ়িলে তেওঁলোক
আনন্দিত হ'ল। এই চিঠি খনে তেওঁলোকক শান্ত্বনা
দিলে। ৩২যিহুদা আৰু চীল তেওঁলোক ভাৱবাদীও আছিল,
তেওঁলোকে বহুতো কথা কৈ লোক সকলক উৎসাহিত
কৰি বিশ্বাসত বলৱান কৰিলে। ৩৩যিহুদা আৰু চীলক
তাত কিছুমান দিন থকাৰ পাচত তাৰ পৰা গ'লগৈ, তাত
তেওঁলোকে বিশ্বাসী সকলৰ পৰা শান্তি ও আশীৰ্ব্বাদ লাভ
কৰিলে, তাৰ পাচত তেওঁলোকক পঠিওৱা সকলৰ ওচৰলৈ
তেওঁলোক ঘূৰি গ'ল। ৩৪ [a]
৩৫কিন্তু পৌল আৰু বাৰ্নাবাচ আন্তিয়খিয়াতে থাকিল।
তেওলোকে আন বহুলোকৰ সৈতে বিশ্বাসী সকলক শিক্ষা
দি, আন লোকসকলক প্ৰভূৰ শুভবাৰ্ত্তা ঘোষনা কৰিলে।

### পৌল আৰু বাৰ্নবা পৃথক হ'ল

৩৬কিছুদিনৰ পাচত পৌলে বাৰ্নব্বাক ক'লে, "আমি প্ৰভূৰ
শুভবাৰ্ত্তা ঘোষনা কৰা সকলো ঠাইলৈ ঘুৰি যোৱা উচিত,
আৰু বিশ্বাসী সকলে কেনে কৰিছে তাক চোৱা উচিত"
৩৭তাতে বাৰ্নবাচে তেওৰ লগতে যোহন ওৰফে মাৰ্ককো
তেওঁলোকৰ লগত আনিব বিচাৰিছিল। ৩৮কিন্তু তেওঁলোকৰ
এই প্ৰথম যাত্ৰাত যোহন ওৰফে মাৰ্ক তেওঁলোকৰ এই
কামত নগ'ল। তেওঁ লোক সকলক পাম্ফুলিয়াতে এৰিলে।
সেয়ে পৌলে এই বাৰ তেওঁক লগত নিয়াতো উচিত
বিবেচনা বুলি নাভাবিলে। ৩৯এই বিষয়ে পৌল আৰু বাৰ্নবাৰ
মাজত এক দীঘল তৰ্ক হৈ, ই এনে এক পৰ্যায় পালে যে
তেওঁলোকৰ পথ পৃথক হৈ গ'ল। বাৰ্নাবাচে তেওঁৰ লগত
মাৰ্কক লৈ কুপ্ৰলৈ জাহাজেৰে গ'ল।
৪০পৌলে তেওঁৰ লগত যাবলৈ চীলক লগত ললে।
আন্তিয়খিয়াৰ বিশ্বাসী সক'লে পৌলক প্ৰভুৰ তত্ত্বাৱধানত
সমৰ্পণ কৰি পঠাই দিলে। ৪১পৌল আৰু চীলে চিৰিয়া, আৰু
কিলিকিয়া দেশেদি মণ্ডলী বোৰক শক্তিশালী হৈ বৃদ্ধি হবলৈ
সহায় কৰি গ'ল।

[a] **১৫:৩৪** কোনো কোনো গ্ৰীক পুস্তকত চিলাচ তাতে থাকিল বুলি লিখা আছে।

### পৌল আৰু চীলৰ লগত তীমথিয়ৰ যাত্ৰা

**১৬** ১পৌল দৰ্ব্বী চহৰলৈ গৈ লূস্ত্ৰা নগৰলৈ গ'ল, যি
ঠাইত তীমথিয় নামৰ এজন খ্ৰীষ্টৰ অনুসৰনকাৰী
বাস কৰিছিল। তীমথিয়ৰ মাক আছিল এগৰাকী যিহুদী
বিশ্বাসী, কিন্তু তেওঁৰ পিতৃ আছিল গ্ৰীক। ২লূস্ত্ৰা চহৰ আৰু
ইকোনিয়ামৰ বিশ্বাসী সকলৰ, তেওঁৰ সম্পৰ্কে ভাল বিচাৰ
আছিল। ৩পৌলে তিমথিয়ক তেওঁৰ লগত যাত্ৰা কৰাটো
বিচাৰিছিল, কিন্তু সেই অঞ্চলত থকা সকলো যিহুদী সকলে
তেওঁৰ পিতাক যে গ্ৰীকলোক তাক জানিছিল, সেই বাবে
পৌলে যিহুদী লোক সকলক সন্তোষ্ট কৰিবলৈ তিমথিয়ৰ
চুন্নত কৰিলে।
৪তেতিয়া পৌল আৰু তেওঁৰ লগত থকা সকলে
অন্য নগৰেদি যাত্ৰা কৰিলে। তেওঁলোকে যিৰুচালেমত
বিশ্বাসত থকা সকল, পাঁচনি সকল আৰু বৃদ্ধ সকলৰ পৰা
পোৱা নিয়ম-নীতি আৰু সিদ্ধান্ত বিলাক তেওঁলোকক
মানি চলিবলৈ ক'লে। ৫গতিকে মণ্ডলীবোৰ তেওঁলোকৰ
বিশ্বাসত বলৱান হব ধৰিলে, আৰু প্ৰতি দিনে বিশ্বাসীৰ
সংখ্যা বাঢ়ি গ'ল।

### পৌলক মাকিদনীয়ালৈ আহ্বান

৬পৌল আৰু তেওঁৰ লগৰীয়া সকল ফাৰুগীয়া আৰু
গালাতীয়া অঞ্চলেদি গ'ল, কিয়নো পবিত্ৰ আত্মাই
তেওঁলোকক এচিয়া অঞ্চলত শুভবাৰ্ত্তা ঘোষনা কৰিবলৈ
অনুমতি নিদিলে। ৭যেতিয়া তেওঁলোকে মুচিয়া দেশৰ
সীমা পায়, তেওঁলোকে বিথুনিয়ালৈ গৈ থাকিবলৈ চেষ্টা
কৰাত, যীচুৰ আত্মাই তালৈও যাব নিদিলে, ৮সেই কাৰনে
তেওঁলোকে মুচিয়া পাৰ হৈ ত্ৰোৱা নগৰলৈ গ'ল।
৯সেই নিশা পৌলে এক দৰ্শন পালে, দৰ্শনত তেওঁ
দেখিলে যে, মাকিদিনায়াৰ পৰা এজন লোক তেওঁৰ কাষত
আহি নিবেদন কৰিলে "মাকিদনিয়ালৈ আহি আমাক সহায়
কৰক।" ১০পৌলে এই দৰ্শন প্ৰত্যক্ষ্ কৰাৰ পাচত, আমি[b]
তৎক্ষনাত মাকিদিনিয়ালৈ বুলি ওলালো, আমি বুজিলো যে
ঈশ্বৰে আমাক সেই লোক সকললৈ শুভবাৰ্ত্তা ঘোষনা
কৰিবলৈ আহ্বান কৰিছে।

### লুদিয়াৰ কথোপকথন

১১আমি ত্ৰোৱা এৰি জাহাজেৰে চামথাকী দ্বিপলৈ যাত্ৰা কৰি,
পাচদিনা আমি নিয়াপলি নগৰলৈ জাহজেৰে গলো। ১২তাৰ
পৰা আমি মাকিদিনিয়া চহৰৰ অংশৰ এখন ৰোমীয় বসতি
পুৰ্ন মূখ্য নগৰ ফিলিপিলৈ গৈ তাতে কিছুদিন থাকিলো।
১৩এদিন বিশ্ৰামবাৰে আমি নগৰৰ দুৱাৰেদি গৈ এখন
নৈৰ কাষলৈ, প্ৰাৰ্থনাৰ বাবে এক বিষেশ ঠাই পাম বুলি
ভাবি গলো। তাত কিছুমান তিৰোতা লোক একগোট হৈ
আছিল, সেই বাবে আমি তেওঁলোকৰ লগত বহি কথা-
বতৰা হলো। ১৪তাতে থুৱাতীৰা নগৰৰ বেঙুনিয়া বৰনৰ

[b] **১৬:১০ আমি** লিখক লূক নিজে পৌলৰ লগত যাত্ৰাৰ সংগী আছিল।

কাপোৰ বেচা লুদিয়া নামৰ এগৰাকী তিৰোতা আছিল। তেওঁ এগৰাকী সত্য ঈশ্বৰৰ উপাসিকা আছিল, আৰু পৌলে কোৱা কথা মন দি শুনি আছিল তেনেতে পৌলে কোৱা কথা গ্ৰহন কৰিবলৈ, প্ৰভুৱে তেওঁৰ অন্তৰ মুকলি কৰি দিলে। ১৫তেওঁ আৰু তেওঁৰ ঘৰত থকা সকলোৱে বাপ্তিস্ম ললে। তাৰ পাচত তেওঁ আমাক তেওঁৰ ঘৰলৈ নিমন্ত্ৰন কৰি ক'লে, "আপোনালোকে যদি মোক প্ৰভুৰ প্ৰকৃত বিশ্বাসিনী বুলি ভাবে, তেন্তে মোৰ ঘৰতে আহি থাকক।" আৰু তেওঁৰ ঘৰত থাকিবলৈ আমাক জোৰ দি ক'লে।

### কাৰাগাৰত পৌল আৰু চীল

১৬এদিনাখন আমি এঠাইত প্ৰাৰ্থনা কৰিবলৈ গৈছিলো, তাতে এজনী বন কৰা ছোৱালীয়ে আমাক লগ পালে, তাই এক আত্মাৰ[a] কবলত আছিল, তাই ভবিষ্যতত হব লগীয়া বিষয়ৰ কথা কব পৰা সমৰ্থতা আছিল। এই কৰিয়েই তাই তাইৰ গৰাকীক যথেষ্ট ধন উপাৰ্জ্জন কৰি দিছিল। ১৭তাই পৌল আৰু আমাৰ কেওঁ দিশে থাকি, চিঞঁৰি কবলৈ ধৰিলে, "এই লোক সকল সৰ্ব্বোপৰি ঈশ্বৰৰ দাস, তেওঁলোকে, আপোনালোকক কি দৰে উদ্ধাৰ পাব পাৰে তাকে কৈছে" ১৮এই দৰে তাই ভালেমান দিন কৈ থকাত পৌলে বিৰক্ত হৈ, সেই আত্মালৈ ঘুৰি ক'লে, "যীচু খ্ৰীষ্টৰ শক্তিৰ দ্বাৰাই, তাইৰ শৰীৰৰ পৰা বাহিৰ হবলৈ মই তোক আজ্ঞা দিছো" লগে লগে সেই আত্মা তাইৰ পৰা বাহিৰ ওলাল

১৯যেতিয়া সেই বেটিৰ গৰাকীয়ে এইবোৰ দেখি, বুজিলে যে তাইক আৰু ধন উপাৰ্জনৰ বাবে ব্যবহাৰ কৰিব নোৱাৰিব, সেই কাৰনে তেওঁলোকে পৌল আৰু চীলক ধৰি টানি এক চাৰি আলিত অধিকাৰী ও লোকসকলৰ আগত ৰাখি, ২০ৰোমীয়া বিষয়াৰ সন্মুখত তেওঁলোকক আনি ক'লে "এই লোক সকল যিহুদী লোক, আৰু তেওঁলোকে আমাৰ নগৰ খনত হুলস্থুল লগাই আছে", ২১তেওঁলোকে আমি ৰোমীয় সকলে যি কৰা অনুচিত তাকে কৰিবলৈ কয়।

২২তেতিয়া সেই গোটেই দলটি, পৌল আৰু চিলাচৰ বিৰোধ হ'ল আৰু বিষয়া সক'লে তেওঁলোক দুয়োজনৰে কাপোৰ টানি ফালি বেতেৰে কোবাবলৈ আদেশ দিলে। ২৩তেওঁলোকক বেয়াকৈ কোবাই বন্দিশালত থৈ বিষয়া সকলে বন্দীশালৰ গৰাকীক ক'লে, "এওঁ লোকক সাবধানে পহৰা দিবা।" ২৪বিষয় ববিয়াৰএই বিশেষ, নিৰ্দেশ পাই বন্দিশালৰ গৰাকীয়ে, পৌল আৰু চীলক বন্দিশালৰ একেবাৰে ভিতৰ ফালে তেওঁলোকৰ ভৰি দুখন দুডাল প্ৰকাণ্ড কুন্দাৰ মাজত বান্ধি ৰাখিলে।

২৫তেতিয়া প্ৰায় মাজ নিশা পৌল আৰু চীলে ঈশ্বৰলৈ প্ৰাৰ্থনা আৰু গীত গাই ঈশ্বৰৰ প্ৰশংসা কৰি আছিল আৰু আন বন্দী সকলে তেওঁলোকক শুনি আছিল ২৬অকস্মাতে বৰ জোৰেৰে এনে ভূমিকম্প হ'ল যে ই কাৰাগাৰৰ ভেটি

[a] **১৬:১৬ আত্মাৰ** বিশেষ জ্ঞান দিব পৰা দুষ্ট আত্মা।

কঁপাই তুলিলে তাতে বন্দীশালৰ সকলো দুৱাৰ বোৰ মেল খালে আৰু বন্দীয়াৰ সকলক বান্ধি থোৱা শিকলি বোৰ সুলকি গ'ল। ২৭বন্দীশালৰ গৰাকীয়ে সাৰ পায় বন্দীশালৰ সকলো দুৱাৰ মেল খাই থকা দেখি ভাবিলে যে, ইতিমধ্যে সকলো বন্দী পলালে সেয়ে তেওঁ তেওঁৰ তৰোৱাল উলিয়াই নিজকে বধ কৰিবলৈ[b] উদ্যোত হ'ল ২৮কিন্তু পৌলে চিঞঁৰি ক'লে, "নিজকে হানি নকৰিবা আমি ইয়াতে আছোঁ!"

২৯তেতিয়া বন্দীশালৰ গৰাকীয়ে কোনোবা এজনক এটা চাকি আনিবলৈ কৈ ভিতৰলৈ বেগাই গৈ কঁপিবলৈ ধৰি, পৌল আৰু চিলাচৰ আগত উবুৰি হৈ পৰিল। ৩০তেওঁলোকক বাহিৰলৈ ওলিয়াই আনি ক'লে, "মহাশয়, উদ্ধাৰ পাবলৈ হলে মই কি কৰিব লাগে?"

৩১তেওঁলোকে তেতিয়া তেওঁক ক'লে, "প্ৰভু যীচুক বিশ্বাস কৰা, তাতে তুমি উদ্ধাৰ পাবা - আৰু তোমাৰ গৃহত থকা সকলোৱে উদ্ধাৰ পাব।" ৩২সেই কাৰনে পৌলে বন্দীশালৰ গৰাকী আৰু তেওঁৰ ঘৰত থকা সকলোকে প্ৰভুৰ বাৰ্ত্তা ক'লে। ৩৩তেতিয়া ৰাতি ভালেমান হৈছিল, কিন্তু বন্দীশালৰ গৰাকীয়ে পৌল আৰু চিলাচৰ দুখ পোৱা আঘাত বোৰ ধুলে তাৰ পাচত বন্দিশালৰ গৰাকী আৰু তেওঁৰ লোক সক'লে বাপ্তিস্ম গ্ৰহন কৰিলে। ৩৪ইয়াৰ পাচত বন্দিশালৰ গৰাকীয়ে পৌল আৰু চিলাচক নিজৰ ঘৰলৈ নি তেওঁলোকক কিছু আহাৰ দিলে আৰু সকলোৱে আনন্দিত হ'ল, কিয়নো এতিয়া তেওঁলোকে ঈশ্বৰক বিশ্বাস কৰিলে।

৩৫পাচদিনা পুৱা ৰোমীয়া বিষয়া সক'লে কিছু সৈনিকক বন্দীশালৰ গৰাকীক "লোক সকলক মুকলি কৰি দিয়া" বুলি কবলৈ পঠালে।

৩৬তেতিয়া বন্দীশালৰ গৰাকীয়ে পৌলক আহি জনালে যে, "বিষয়া সক'লে এই সৈনিক সকলক, তোমালোকক মুকলি কৰি দিবলৈ কবলৈ পঠালে, তোমালোকে এতিয়া যাব পাৰা, গতিকে শান্তিৰে যোৱা।"

৩৭কিন্তু পৌলে সৈনিক সকলক ক'লে "সেই বিষয়া সক'লে, আমি কিবা ভুল কৰা কথাৰ প্ৰমান দিব নোৱাৰিলে, কিন্তু ৰাজহুৱা ভাৱে আমাক প্ৰহাৰ কৰি আমাক বন্দীশালত থলে, আমি ৰোমিয় নাগৰিক[c] আৰু এতিয়া আমাক মনে মনে মুকলি কৰি, আমি ওলাই যোৱাটো বিচাৰিছে। এই দৰে নহব, তেওঁলোকে নিজে আহি আমাক বাহিৰলৈ মুকলি কৰি আনিব লাগিব"

৩৮পৌলে কোৱা এই কথা সৈন্য সক'লে গৈ বিষয়া সকলক কোৱাত তেওঁলোকে যেতিয়া শুনিলে যে পৌল আৰু চীল ৰোমীয় নাগৰিক, তেতিয়া তেওঁলোকে ভয় কৰিলে। ৩৯সেয়ে তেওঁলোকে আহি ক্ষমা বিচাৰিলে, আৰু তেওঁলোকক বন্দীশালৰ পৰা উলিয়াই আনি নগৰ খন এৰি

[b] **১৬:২৭ নিজকে বধ কৰিবলৈ।** তেওঁ ভাবিছিল বিষয়া সকলে তেওঁক হত্যা কৰিব।

[c] **১৬:৩৭ ৰোমিয় নাগৰিক।** ৰোমিয় আইন মতে ৰোমিয় নাগৰিকক বিচাৰৰ আগতে কোবাব নোৱাৰে।

যাবলৈ ক'লে। ৪০কিন্তু পৌল আৰু চীল বন্দীশালৰ পৰা বাহিৰ ওলাই, লুদিয়াৰ ঘৰলৈ গ'ল। তাত তেঁওলোকে বিশ্বাসী সকলৰ কিছুমানক দেখি তেওঁলোকক উদগনি দি তাৰ পৰা ওলাই গ'ল।

## পৌল আৰু চীল থিচলনিকিয়াত

১৭ ১পৌল আৰু চীলে আম্ফিপলি আৰু আপল্লোনিয়াদি গৈ থিচলনিকিয়া নগৰলৈ আহিল, যি ঠাইত যিহুদী সকলৰ এটা নামঘৰ আছিল। ২পৌলে নামঘৰৰ ভিতৰলৈ গৈ আগতে কৰাৰ দৰে যিহুদী সকলৰ ওচলৈ তিনিটা সপ্তাহে প্ৰতি বিশ্ৰামবাৰে তেওঁলোকৰ লগত শাস্ত্ৰ লৈ আলোচনা কৰিছিল। ৩তেওঁ যিহুদী বিলাকক মচীহই মৃত্যু বৰন কৰিব লাগিব আৰু তাৰ পাচত জী উঠিব তাক বুজাবলৈ শাস্ত্ৰ ব্যাখা কৰি বুজাই দিলে। তেওঁ এইটোও ক'লে যে, "এই যীচু যি জনৰ বিষয়ে মই কৈছো তেওৰেই মচীহ" ৪কিছুমান যিহুদীলোকে পৌল আৰু চীলৰ কথাত বিশ্বাস কৰি তেওঁলোকৰ লগত যোগ দিবলৈ নিৰ্নয় ললে, লগতে গ্ৰীক সকলৰ সত্য ঈশ্বৰক আৰাধনা কৰা এটা ডাঙৰ দল আৰু অনেক প্ৰধান তিৰোতাইয়ো তেওঁলোকৰ লগ হ'ল।

৫কিন্তু বিশ্বাস নকৰা যিহুদী সকলৰ হিংসা জাগিল, সেই বাবে তেওঁলোকে নগৰৰ কিছুমান দুষ্ট প্ৰকৃতিৰ মানুহক হুলস্থুল কৰাবলৈ লাগিলে, এই মানুহ বোৰে এটা বিদ্ৰোহী দল গঠন কৰি নগৰখনত গণ্ডগুলৰ সৃষ্টি কৰিলে। তেওঁলোকে পৌল আৰু চীলক বিচাৰি যাচোনৰ ঘৰলৈ আহিল। তেওঁলোকে পৌল আৰু চীলক লোকসমূহৰ সন্মুখলৈ আনিব বিচাৰিছিল। ৬কিন্তু তাত তেওঁলোকক নাপায়, যাচোনকে কেইজন মান বিশ্বাসীৰ লগত নগৰৰ নেতা সকলৰ ওচৰলৈ টানি আনিলে। তাতে লোক সমুহে টিঞৰি কবলৈ ধৰিলে, "এই লোক সক'লে গোটেই পৃথিৱীতে লণ্ড-ভণ্ড কৰি এতিয়া ইয়ালৈ আহিছে।" ৭আৰু যাচোনে তেওঁৰ ঘৰতে এওঁলোকক থৈছে। তেওঁলোকে কৈচৰৰ নীতিৰ বিৰোদ্ধে কৰ্ম্ম কৰে, তেওঁ লোকে কয় যীচু নামৰ আন এজন ৰজা আছে।

৮এই কথা যেতিয়া নগৰৰ নেতা আৰু আন সক'লে শুনিলে তেওঁলোক বৰ বিৰক্ত হ'ল। ৯তেওঁলোকে যাচোন আৰু আন বিশ্বাসী সকলক পুনৰ এনে হুলস্থুল নকৰিবলৈ ধন জমা দি, জামিনত লৈ তেওঁলোকক যাবলৈ দিলে।

## পৌল আৰু চীলৰ বিৰয়ালৈ যাত্ৰা

১০সেই ৰাতিয়েই বিশ্বাসী সক'লে পৌল আৰু চীলক বিৰয়া নামৰ আন এখন নগৰলৈ পঠাই দিলে, তেওঁলোকে য়েতিয়া তাত উপস্থিত হ'ল, তেওঁলোক যিহুদী সকলৰ নামঘৰলৈ গ'ল। ১১বিৰয়াৰ লোক সকল থিচলনকিয়াত থকা লোক সকলতকৈ অধিক খোলা মনৰ আছিল, পৌলে কোৱা বাৰ্ত্তাত তেওঁলোক বৰ আনন্দিত হ'ল। তেওঁলোকে শুনা কথাৰ সত্যতাত নিশ্চিত হবলৈ প্ৰতি দিনেই শাস্ত্ৰ অধ্যয়ন কৰিছিল। ১২ফলত তেওঁলোকৰ অনেকৰ লগত মুখ্য, গ্ৰীক পুৰুষ ও তিৰোতাইও বিশ্বাস কৰিলে।

১৩কিন্তু যেতিয়া থিচলনিকিয়াত থকা যিহুদী সকলে গম পালে যে বিৰয়াত পৌলে ঈশ্বৰৰ বাৰ্ত্তা বিলাইছে তেওঁলোকো তালৈ আহিল। তেওঁলোকে তাত লোকসকলক অস্থিৰ কৰি ব্যাকুল কৰি গণ্ডগোল কৰিলে। ১৪সেই কাৰনে বিশ্বাসী সকলে লগে লগে পৌলক সাগৰৰ দাঁতিলৈ পঠিয়াই দিলে কিন্তু চীল আৰু তীমথিয় বিৰয়াতে থাকিল। ১৫পৌলক তেওঁৰ লগত যোৱা সকলে অথিনী নগৰলৈ লৈ গ'ল। তেওঁলোকে উভটি আহোঁতে, চীল আৰু তিমথিয়লৈ এই বাতৰি লৈ আহিল যে, যিমান সোনকালে পাৰে তেওঁলোকে যেন উভটি গৈ তেওঁৰ লগ লয়।

## পৌল অথিনী নগৰত

১৬আথিনীত যেতিয়া পৌলে চীল আৰু তীমথিয়ৰ বাবে অপেক্ষা কৰি আছিল, তেতিয়া তেওঁ গোটেই নগৰ খন মূৰ্ত্তিৰে ভৰা দেখি, বেজাৰ পালে। ১৭সেয়ে তেওঁ নামঘৰলৈ গৈ যিহুদী আৰু গ্ৰীক, যি সকলে সত্য ঈশ্বৰৰ আৰাধানা কৰে, তেওঁলোকৰ লগত কথা বাৰ্ত্তা হ'ল। তেওঁ সদায় ৰাজহুৱা চাৰি চুকিয়া স্থানত গৈ সেই বাটেদি যোৱা লোকৰ লগত কথা বতৰা হয়। ১৮কিছুমান ইপিকুৰি আৰু স্তোয়িকী দাৰ্শনিক শাস্ত্ৰজ্ঞই তেওঁৰ লগত তৰ্কও কৰে।

তেওঁলোকৰ কোনো কোনোৱে ক'লে, "এই মানুহজনে আচলতে কি বিষয়ে কৈছে, কি কবলৈ চেষ্টা কৰিছে?" পৌলে তেওঁলোকক যীচুৰ শুভবাৰ্ত্তা আৰু পুনৰুথথানৰ বিষয়ে কৈছিল, সেই কাৰনে তেওঁলোকে কৈছিল, "এঁও আমাক কোনো অন্য দেৱতাৰ কথা কৈছে যেন লাগিছে"।

১৯তেওঁলোকে পৌলক আৰেয়পাগৰ সভালৈ নি ক'লে, "আপুনি এই যি নতুন বিষয়ে শিক্ষা দিছে, ইয়াক বহলাই কওক। ২০আপুনি কোৱা কথাবোৰ আমাৰ বাবে নতুন, আমি এনে শিক্ষা কেতিয়াও শুনা নাই, আৰু আমি ই কি বুজাইছে তাক জানিব বিচৰিছো।" ২১(অথিনীৰ লোক সকলে আৰু তাত থকা বিদেশী লোকসমূহেই হওকে বা নহওক কিবা নতুন কথা কৈ বা শুনি আজৰি সময় পাৰ কৰে)

২২তেতিয়া পৌলে আৰেয়পাগৰ সভাৰ আগত থিয় হৈ কবলৈ ধৰিলে, "হে অথিনীৰ লোকসমূহ, ইয়াত থকা সকলোকে দেখি মোৰ ভাব হয় তোমালোক বৰ ধাৰ্ম্মিক। ২৩কাৰণ মই তোমালোকৰ নগৰেদি যাওঁতে তোমালোকে কৰা আৰাধানা বোৰ লক্ষ্য কৰোতে এষাৰ কথা লিখি থোৱো দেখিলো"অবিদিত ঈশ্বৰলৈ" তোমালোকে এনে ঈশ্বৰৰ উপাসনা কৰা যাৰ বিষয়ে নাজানা, সেই ঈশ্বৰৰ বিষয়ে মই তোমালোকক কব বিচাৰো

২৪"ঈশ্বৰ, সেইজন যি জনে গোটেই পৃথিৱী আৰু ইয়াত থকা সকলোকে স্ৰজন কৰিলে। তেওঁৰেই মৰ্ত্ত্য আৰু আকাশৰ প্ৰভু।তেওঁ মানুহৰ হাতে সজা মন্দিৰত বাস নকৰে ২৫তেওঁৰেই মানুহক জীৱন, নিশ্বাস আৰু সকলো প্ৰয়োজনীয় বিষয় দিয়ে। ২৬ঈশ্বৰে এজন মানুহক সৃষ্টিৰে

আৰম্ভন কৰি তেওঁৰ দ্বাৰাই এই গোটেই পৃথিৱীত বাস কৰা
বিভিন্ন লোকক সৃষ্টি কৰিলে। তেওঁৱেঁই দৰাচলতে কোনে
ক'ত, কেতিয়া বাস কৰিব তাক নিৰ্নয় কৰিলে।
২৭“ঈশ্বৰে ইচ্ছা কৰে মানুহে যেন সকলো দিশে বিচাৰি
বিচাৰি তেওঁক পায়। কিন্তু আমাৰ কাৰো পৰা তেওঁ দুৰত
নাথাকে। ২৮তেওঁৰ যোগেদিয়ে আমি জিৱীত আছো, আমাৰ
কৰিব লগীয়া সকলো কৰিছো, আৰু আমাৰ অস্তিত্বও
তেওঁতেই, তোমালোকৰ কবিয়ে কোৱাৰ দৰে “আমি
সকলোৱে তেওঁৰেই সন্তান”
২৯“এয়া সত্য, আমি তেওঁৰেই পৰা হোৱা, সেই কাৰনে
আমি ভবা বা কল্পনা কৰাৰ দৰেই তেওঁৰ, এই কথা আমি ভবা
অনুচিত, তেওঁ সোণৰ বা ৰূপৰ বা শিলৰ মুৰ্ত্তিৰে সজা নহয়।
৩০পূৰ্ব্বতে মানুহে ঈশ্বৰক নবুজি অৱজ্ঞা কৰিছিল, এতিয়া
কিন্তু পৃথিৱী থকা প্ৰত্যককে সলনি হৈ তেওঁলৈ ঘুৰিবলৈ কয়।
৩১“কাৰণ তেওঁ এটা দিন নিৰূপন কৰিলে, যি দিনটোত তেওঁ
পৃথিৱীৰ সকলোৰে ন্যায় সঙ্গত ভাবে সোধ-বিচাৰ কৰিব, তাৰ
বাবে তেওঁ বহু দিনৰ আগেয়ে এজনক নিৰূপন কৰি থৈছে,
আৰু এই জনেই যে সেই জন, তাক প্ৰত্যেকৰে আগত
প্ৰমানিত কৰিবলৈ তেওঁক মৃত্যুৰ পৰা জীৱিত কৰিলে”।
৩২যেতিয়া লোক সমুহে এজন মানুহ মৃত্যুৰ পৰা জিৱীত
হ'ল বুলি শুনিলে, তেতিয়া কিছুমান লোকে হাঁহিলে, কিন্তু
আন লোক সকলে ক'লে, “এই বিষয়ে বেচি বিতংকৈ
আমি তোমাৰ পৰা পাচত শুনিম।” ৩৩তেতিয়া পৌলে
সেই মহাসভা এৰি তাৰ পৰা গ'ল। ৩৪কিন্তু কিছুমান লোকে
পৌলৰ লগ হৈ বিশ্বাসী হ'ল। এওঁলোকৰ মাজত দিয়নুচিয়
যি আৰেয়াপাগৰ মহাসভাৰ সভ্য, দামাৰী নামৰ এগৰাকী
তিৰোতা আৰু আন লোক সকল।

### কৰিন্থত পৌল

১৮ ১তাৰ পাচত পৌলে অথিনী এৰি কৰিন্থ চহৰলৈ
গ'ল। ২তাত তেওঁ আক্কিল্লা নামৰ পন্ত প্ৰদেশত
জন্মা এজন যিহুদী মানুহৰ লগত পৰিচয় হ'ল। কিন্তু তেওঁ
আৰু তেওঁৰ ভাৰ্য্যা প্ৰিস্কীলা, অলপতে ইটালি চহৰৰ পৰা
কৰিন্থলৈ আহিছিল, কাৰণ সকলো যিহুদী বিলাকক ৰোমৰ
পৰা যাবলৈ ক্লৌদিয়ই নিৰ্দেশ দিছিল। পৌলে আক্কিল্লা
আৰু প্ৰিস্কীলাক দেখা কৰিবলৈ গৈছিল। ৩তেওঁলোক
পৌলৰ দৰেই তম্বু সজা লোক আছিল, সেই বাবে তেওঁ
তেওঁলোকৰ লগত কাম কৰি তেওঁলোকৰ লগত থাকিল।
৪প্ৰতি বিশ্ৰামবাৰে পৌলে নামঘৰলৈ গৈ যিহুদী আৰু গ্ৰীক
সকলৰ লগত কথা হৈ তেওঁলোকক যীচুত বিশ্বাস কৰিবলৈ
সৈমান কৰাৰ চেষ্টা কৰিছিল। ৫কিন্তু চীল আৰু তীমথিয়
মাকিদনিয়াৰ পৰা অহাৰ পাচত, পৌলে যিহুদী সকলক
শুভৱাৰ্ত্তা ঘোষনা কৰি তেঁওৰ সকলো সময় পাৰ কৰে,
যীচুৱেই যে মচীহ তাক তেওঁলোকক প্ৰত্যয় নিয়াবলৈ চেষ্টা
কৰে। ৬কিন্তু পৌলৰ শিক্ষাত তেওঁলোকে সন্মত নহৈ বৰং
তেওঁক অপমানহে কৰিবলৈ আৰম্ভ কৰিলে। সেয়ে পৌলে
নিজৰ কাপোৰৰ ধুলি জোকাৰি তেওঁলোকক ক'লে “যদি
তোমালোকৰ উদ্ধাৰ নহয় তেন্তে ই তোমালোকৰ দোষ,
মই যিমান পাৰো কৰিলো, ইয়াৰ পাচত মই কেৱল অযিহুদী
সকলৰ ওচৰলৈ হে যাম।”
৭পৌলে তাৰ পাচত নাম ঘৰৰ পৰা ওলাই তীত যুষ্ট নামৰ
এজন সত্য ঈশ্বৰ ভক্তৰ ঘৰলৈ গ'ল, তেওৰ ঘৰ নামঘৰৰ
কাষতে আছিল। ৮সেই নামঘৰৰ নেতা আছিল ক্ৰিস্পা।
তেওঁ আৰু তেওঁৰ ঘৰত থকা সকলোৱে যীচুত বিশ্বাস
কৰিলে। কৰিন্থত থকা আন বহুতেও পৌলৰ কথা শুনিলে
আৰু বিশ্বাস কৰি বাপ্তিস্মও গ্ৰহন কৰিলে।
৯এদিন নিশাৰ ভাগত পৌলে দৰ্শন পালে, প্ৰভুৱে তেওঁক
ক'লে “ভয় নকৰিবা আৰু লোক সকলক ঘোষনা কৰিবলৈ
বন্ধ নকৰিবা, ১০মই তোমাৰ লগতে আছো কোনেও
তোমাৰ হানি কৰিব নোৱাৰিব, মোৰ অনেক লোক এই
নগৰত আছে।” ১১সেয়ে পৌলে তাত ডেৰ বছৰ ধৰি থাকি
লোকসকলক ঈশ্বৰৰ বাক্যৰ শিক্ষা দিলে।

### পৌলক গাল্লিঅৰ সন্মুখলৈ অনা

১২যেতিয়া গাল্লিঅ আখায়া দেশৰ শাসনকৰ্ত্তা আছিল,
তেতিয়া যিহুদী বিলাকৰ কিছুমান মানুহে এক গোট
হৈ পৌলৰ বিৰোদ্ধে থিয় হ'ল। তেওঁলোকে পৌলক
আদালতলৈ আনিলে। ১৩আৰু গাল্লিঅক ক'লে “এই
মানুহজনে ঈশ্বৰৰ উপাসনা এনে ধৰনে কৰিবলৈ শিকাইছে
যি আমাৰ বিধান ব্যৱস্থাৰ বিৰোদ্ধী।”
১৪পৌলে কিবা কবলৈ প্ৰস্তুত হওঁতেই গাল্লিয়ই যিহুদী
সকলক ক'লে, “মই তোমালোকৰ কথা শুনিলো হয়,
যদি তোমালোকৰ অভিযোগ অপৰাধৰ বা দুষ্কৰ্মৰ হোৱা
মাথোন।” ১৫কিন্তু ই কেৱল কথা বা নামৰ বিষয়ে আৰু
তোমালোকৰ নিজৰ বিধানৰ বিষয়েহে বিতৰ্ক, সেয়ে
তোমালোকে নিজৰ ভিতৰতে এই সমস্যা সমাধান কৰি
লোৱা। মই এই কথাত তোমালোকৰ বিচাৰক হব নোৱাৰো।
১৬এই বুলি কৈ গাল্লিয়ই তেওঁলোকক আদালতৰ পৰা যাব
দিলে।
১৭তেতিয়া তেওঁলোকে নামঘৰৰ নেতা চোস্থিনিক ধৰি
আদালতৰ সন্মূখতে কোবালে; কিন্তু গাল্লিয়ই এই বোৰত
কান-সাৰ নকৰিলে।

### পৌলে আন্তিয়খিয়ালৈ ঘুৰি অহা

১৮পৌলে বহুত দিনলৈকে বিশ্বাসী সকলৰ লগত থাকি
চিৰিয়ালৈ নাৱেৰে গ'ল, প্ৰিস্কীলা আৰু আক্কিল্লাও তেওঁৰ
লগত আছিল, পৌলে কৰিন্থত তেওঁৰ চুলি কাটিলে যিহেতু,
তেওঁ ঈশ্বৰৰ আগত এক প্ৰতিজ্ঞা কৰিছিল। ১৯তাৰ পাচত
তেওঁলোকে ইফিচ নগৰলৈ গ'ল আৰু তাতে পৌলে
প্ৰিস্কীলা আৰু আক্কিল্লাক এৰিলে। ইফিচত পৌল থকা
সময়ত তেওঁ যিহুদী সকলৰ নামঘৰত সোমাই যিহুদী
সকলৰ লগত কথা বতৰা হ'ল ২০তেওঁলোকে তাত তেওঁক
অধিক দিন থাকিবৰ বাবে অনুৰোধ কৰিলে কিন্তু পৌল সন্মত
নহ'ল। ২১তেওঁ তাত তেওঁলোকক এৰি ক'লে “ঈশ্বৰৰ

ইচ্ছা হলে মই পুনৰ তোমালোকৰ ওচৰলৈ ঘুৰি আহিম” তাৰ পাচত তেওঁ নাৱেৰে ইফিচৰ পৰা গ’ল।

২২তেতিয়া তেওঁ কৈচৰিয়া হৈ যিৰুচালেমলৈ গৈ তাত মণ্ডলী বোৰ চাবলৈ গ’ল, তাৰ পৰা তেওঁ আন্তিয়খিয়ালৈ গ’ল। ২৩আন্তিয়খিয়াতে পৌলে কিছুমান দিন থাকিলঁ। তাৰ পাচত তেও সেই ঠাই এৰি গালাতিয়া দেশেদি ফৰুগীয়ালৈ গ’ল, আৰু নগৰে নগৰে গৈ এই দেশ বোৰত তেওঁ বিশ্বাসী সকলক বলৱান হবলৈ সহায় কৰিলে

## কৰিন্থ আৰু ইফিচত আপল্লো

২৪আপল্লো নামৰ এজন আলেকজেন্দ্ৰীয়া নগৰত জন্মা, যিহুদী লোক ইফিচলৈ আহিল, তেওঁ এজন ভালকৈ শাস্ত্ৰ জনা শিক্ষিত লোক আছিল। ২৫তেওঁ প্ৰভুৰ বিষয়ে শিক্ষিত আৰু সকলো, সময়তে যীচুৰ বিষয়ে লোক সকলক কবলৈ বিচৰা, এজন উৎসাহী[a] ব্যক্তি আছিল। তেওঁ যি শিকাইছিল সেই সকলো শুদ্ধ আছিল, কিন্তু বাপ্তিস্মৰ বিষয়ে হলে তেওঁ কেৱল যোহনে শিকোৱা বাপ্তিস্মৰ বিষয়েহে জানিছিল। ২৬আপল্লোৱে যেতিয়া নামঘৰত বৰ দৃঢ়ভাবে কবলৈ আৰম্ভ কৰিলে, আক্কিল্লা আৰু প্ৰিষ্কীলাই তাকে শুনি, তেওঁলোকৰ ঘৰলৈ নি তেওঁক ঈশ্বৰৰ পথ সঠিককৈ বুজিবলৈ সহায় কৰিলে।

২৭তাৰ পাচত আপল্লোয়ে আখায়ালৈ যাবলৈ বিচাৰিছিল, গতিকে ইফিচৰ বিশ্বাসী সকলে তেওঁক সহায় কৰিলে। তেওঁলোকে আখায়াত থকা প্ৰভুৰ অনুগামী সকললৈ আপ্পল্লোক গ্ৰহন কৰিবলৈ এথন পত্ৰ লিখিলে। যেতিয়া তেঁও তালৈ আহি পালে, ঈশ্বৰৰ অনুগ্ৰহৰ কাৰনে যীচুক বিশ্বাস কৰা সকললৈ তেওঁ এক ডাঙৰ সহায় হ’ল। ২৮তেওঁ লোকসকলৰ সন্মুখত যিহুদী সকলৰ বিৰোদ্ধে তৰ্ক কৰি স্পষ্টকৈ যিহুদী সকল যে অশুদ্ধ আছিল তাক প্ৰমান কৰি দিলে আৰু তেওঁ শাস্ত্ৰ ব্যৱহাৰ কৰি দেখুৱাই দিলে যে যীচুৱেই মচীহ।

## ইফিচত পৌল

১৯ ১আপল্লো যেতিয়া কৰিন্থত আছিল, তেতিয়া ইফিচলৈ যাত্ৰাৰ পথত তেওঁ কিছু ঠাইলৈ গৈছিল। ইফিচত তেওঁ প্ৰভুৰ অনুগামী কিছুমান আন লোক পালে।

২তেওঁ তেওঁলোকক সুধিলে “যেতিয়া তোমালোকে বিশ্বাস কৰিলা তেতিয়া পবিত্ৰ আত্মা পালা নে?”

অনুগামী সকলে তেওঁক ক’লে “আমি কেতিয়াও পবিত্ৰ আত্মাৰ কথা শুনাই নাই।”

৩পৌলে তেতিয়া তেওঁলোকক সুধিলে, “তেনে হলে তোমালোকে কেনে ধৰনৰ বাপ্তিস্ম গ্ৰহণ কৰিলা?”

তেতিয়া তেওঁলোকে ক’লে, “যোহনে যি ধৰনৰ বাপ্তিস্ম শিকালে।”

৪পৌলে তেতিয়া ক’লে, “যোহনে লোক সকলক তেওঁলোকে যে জীৱন সলনি কৰিব বিচাৰিছে, তাকে দেখুৱাবলৈ বাপ্তিস্ম লবলৈ কৈছিল, আৰু তেওঁৰ পাচত অহা যি জন, তেওঁক বিশ্বাস কৰিবলৈ কৈছিল, আৰু সেই জনেই হৈছে যীচু।”

৫যেতিয়া এই অনুগামী সক’লে শুনিলে, তেওঁলোকে প্ৰভু যীচুৰ নামত বাপ্তিস্ম গ্ৰহণ কৰিলে । ৬তেতিয়া পৌলে তেওঁৰ হাত তেওঁলোকৰ ওপৰত থলে আৰু তেওঁলোকৰ ওপৰত পবিত্ৰ আত্মা নামিল। তেওঁলোকে বিভিন্ন ভাষাত কথা কবলৈ আৰু ভাবোক্তি প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰিলে। ৭সেই দলত প্ৰায় ১২ জন মানুহ আছিল।

৮তাৰ পাচত পৌলে নামঘৰৰ ভিতৰলৈ গৈ দৃঢ়তাৰে ঘোষনা কৰিবলৈ ধৰিলে, এইদৰে তেওঁ তিনি মাহলৈকে কৰিলে। তেওঁ যিহুদী সকলৰ সৈতে কথা বতৰা হৈ, লোক সকলক ঈশ্বৰৰ ৰাজ্যৰ বিষয়ে কৈ তেওঁ যি কৈছিল তাক গ্ৰহন কৰিবলৈ সৈমান কৰিবলৈ চেষ্টা কৰিছিল। ৯কিন্তু তেওঁলোকৰ মাজৰ কিছুমানে আকোৰগোজ মনোভাব হৈ বিশ্বাস কৰিবলৈ অস্বীকাৰ কৰিলে আৰু সকলোৰে সন্মুখত তেওঁলোকে সেই পথৰ বিষয়ে কু কথা ক’লে। সেই বাবে পৌলে এই যিহুদী সকলক এৰিলে আৰু প্ৰভুৰ অনুগামী সকলক তেওঁৰ লগত ললে। তাৰ পাচত তেওঁ তুৰান্ন নামৰ এজন লোক, যাৰ এখন পঢ়াশালী আছিল সেই ঠাইলৈ গ’ল আৰু তাতে পৌলে প্ৰতি দিনেই লোক সকলৰ লগত কথা বাৰ্ত্তা হৈছিল। ১০এই দৰে তেওঁ দুবছৰলৈকে কৰিলে, কিয়নো এই দৰে কৰাৰ বাবে এচিয়াত থকা সকলোৱে, যিহুদী আৰু গ্ৰীক সক’লে প্ৰভুৰ বাক্য শুনিলে

## স্কিবাৰ সন্তান সকল

১১ঈশ্বৰে পৌলক কিছুমান বিশেষ অলৌকিক কাম কৰিবলৈ ব্যৱহাৰ কৰিলে। ১২এতেকে কিছুমান লোকে পৌলে ব্যৱহাৰ কৰা কাপোৰ বা ৰুমাল লৈ নৰিয়াত পৰা লোকৰ গাত স্পৰ্শ কৰাই দিয়ে, তাতে তেওঁলোকৰ ৰোগ সুস্থ হৈ যায়, আৰু অশুচি আত্মাইও এৰি যায়।

১৩–১৪কেই জন মান যিহুদী লোকেও সেই অঞ্চলত ঘুৰি, লোকসকলৰ পৰা অশুচি আত্মাক বাহিৰ হবলৈ ডাবি দিয়ে। এই দৰেই স্কীবাৰ পুত্ৰ সকলেও এজন আগশাৰীৰ পুৰোহিত ৰূপে একে দৰেই কৰিছিল। এই যিহুদী সকলে প্ৰভু যীচুৰ নাম ব্যৱহাৰ কৰি মানুহৰ পৰা অশুচি আত্মাবোৰ বাহিৰ কৰিবলৈ চেষ্টা কৰিছিল। তেওঁলোকে কৈছিল, “যি যীচুৰ কথা পৌলে ঘোষনা কৰিছে, সেই যীচুৰ নামত মই তোক বাহিৰ হবলৈ আজ্ঞা দিছোঁ।”

১৫কিন্তু এবাৰ এক অশুচি আত্মাই সেই যিহুদী বিলাকক ক’লে, “মই যীচুক জানো, পৌলকো জানো, কিন্তু তই কোন?”

১৬তাৰ পাচত অশুচি আত্মা থকা মানুহ জনে এই যিহুদী সকলৰ ওপৰত জপিয়াই পৰিল, এই সকলোতকৈ সি অধিক শক্তিশালী অছিল, সি তেওঁলোকক মৰিয়াই কাপোৰ-কানি ফালি দিলে, তাতে আটায়ে সেই ঘৰৰ পৰা ওলাই পলাল। ১৭এই বিষয়ে সকলো ইফিচ নিবাসী, গ্ৰীক আৰু যিহুদী

[a] **১৮:২৫ উৎসাহী** বা আত্মাৰ জুইয়ে পূৰ্ণ।

সকলে গম পায় ভয়তে যীচুক সাদৰেৰে সন্মান কৰিব
ধৰিলে। ১৮আৰু অনেক বিশ্বাসী সকলে তেওঁলোকে কৰা
কুকৰ্ম্ম বোৰ স্বীকাৰ কৰিব ধৰিলে। ১৯তেওঁলোকৰ মায়াকৰ্ম্ম
কৰা কিছুমানে তেওঁলোকৰ যাদু বিদ্যাৰ কিতাপ বোৰ আনি
সকলোৰে আগত পুৰি পেলালে এই কিতাপ বোৰৰ মূল্য
প্ৰায় ৫০, ০০০ ৰূপৰ মুদ্ৰাৰ[a] সমান আছিল। ২০এই দৰে
প্ৰভুৰ বাক্য শক্তিৰান হৈ ব্যাপি গ'ল, যাৰ কাৰনে অধিক
অধিক লোকে বিশ্বাস কৰিব ধৰিলে।

## পৌলে এক যাত্ৰাৰ আঁচনি কৰা

২১ইয়াৰ পাচত পৌলে যিৰুচালেমলৈ যাবলৈ চিন্তা
কৰি মাকিদিনিয়া আৰু আখায়া অঞ্চললৈ গৈ তাৰ পৰা
যিৰুচালেমলৈ যাবলৈ নিৰ্নয় কৰিলে .কিয়নো তেওঁ ভাবিলে
যে "মই যিৰুচালেমলৈ যোৱাৰ পাচত নিশ্চয়ে ৰোমলৈও
যাব লাগিব। ২২তেওঁৰ সহায়কৰ মাজৰ তীমথিয় আৰু ইৰাস্ত,
এই দুজনক পৌলে তেওঁৰ আগেয়ে মাকিদনিয়ালৈ পঠালে।
কিন্তু তেওঁ নিজে এচিয়াতে কিছুদিন থাকিল।

## ইফিচত হুলস্থুল

২৩কিন্তু সেই খিনি সময়তে ইফিচত এক পথৰ বিষয়লৈ বৰ
হুলস্থুলৰ সৃষ্টি হ'ল। এই সকলো এই দৰে ঘটিল, ; ২৪সেই
সময়ত দীমিত্ৰিয় নামৰ এজন ৰূপৰ খনিকৰ আছিল, তেওঁ
আৰ্ত্তেমি দেৱীৰ ৰূপৰ মন্দিৰৰ দৰে কিছু নমুনা সাজিলে,
আৰু তাত কাম কৰা সকলো খনিকৰে এই ব্যৱসায়েৰে
অনেক ধন আৰ্জ্জিলে।

২৫দীমিত্ৰিয় আৰু তেওঁৰ দৰে একে ব্যৱসায় কৰা সকলৰ
লগত এক বৈঠক কৰি তেওঁলোকক আৰু আন সকলক
একগোট কৰি ক'লে, "বন্ধু সকল তোমালোকে জানা যে
আমি কৰা এই ব্যবসায়ৰ দ্বাৰা আমি অধিক উপাৰ্জন কৰোঁ।
২৬কিন্তু চোৱা এতিয়া, এই পৌলে কি কৰিছে, তেওঁ কোৱা
কথালৈ কাণ পাতা, তেওঁ ইফিচত আৰু সমগ্ৰ এচিয়াত
তেওঁলোকৰ ধৰ্ম্ম সলনি কৰিবলৈ কৈ কৈছে যে, মানুহে
হাতেৰে সজা দেৱতা, সত্য নহয়। ২৭মোৰ ভয় হৈছে এই
কথাই লোক সকলক আমাৰ ব্যৱসায়ৰ বিপক্ষ কৰিব, কিন্তু
আন এক সমস্যাও আছে, লোকসমূহে ভাবিব যে মহাদেবী
আৰ্ত্তেমীৰ মন্দিৰৰ প্ৰয়োজন নাই গতিকে তাইৰ মহানতা
লোপ পাব. এই আৰ্ত্তেমী এগৰাকী দেৱী, যাৰ উপাসনা সমগ্ৰ
এচিয়া আৰু গোটেই পৃথিৱীতে কৰে।"

২৮যেতিয়া লোকসমূহে এই কথা শুনিলে তেওঁ লোকে
বৰ খং উঠি চিঞঁৰি ক'লে, "ইফিচৰ দেৱী, আৰ্ত্তেমী মহান!"
২৯তাতে গোটেই নগৰখন বিমোৰত পৰিল, আৰু লোক
সক'লে পৌলৰ লগত ভ্ৰমন কৰা মাকিদনিয়াৰ গায় আৰু
অৰিষ্টাৰ্থক টানি আনি ৰংঘৰলৈ লৈ গ'ল, ৩০তেনেতে
পৌলে ভিতৰলৈ গৈ লোক সকলৰ লগত কথা পাতিবলৈ
বিচাৰিছল, কিন্তু প্ৰভুৰ অনুগামী সকলে তেওঁক যাবলৈ
নিদিলে। ৩১লগতে দেশৰ কেইজন মান নেতা যি পৌলৰ বন্ধু
আছিল তেওঁক ৰং ঘৰলৈ নাযাবলৈ এক বাৰ্ত্তা কৈ পঠালে।

৩২সেই ঠাইত কিছুমানে কিবা কথা চিঞৰি, আন
কিছুমানে আন কিবা কথা চিঞৰিবলৈ ধৰাত গোটেই
সভাত বৰ হুলস্থুল পৰিবেশৰ সৃষ্টি হ'ল। লোক সকলৰ
বহুতেই এই ঠাইলৈ কিয় আহিছিল গমকে নাপালে।
৩৩কিছুমান যিহুদী লোকে আলেকজেন্দাৰ নামৰ মানুহ
এজনক গোটেই জাকৰ আগত ঠেলি, তেওঁৰ কবলগীয়া
কৰবলৈ ক'লে, আলেকজেন্দাৰে নিজৰ হাত জোকাৰি লোক
সমূহক বুজাবলৈ চেষ্টা কৰাত, ৩৪যেতিয়া লোক সমূহে
দেখিলে যে আলেকজেন্দাৰ এজন যিহুদী লোক তেতিয়া
তেওঁলোক সকলোৰে আগৰ দৰেই প্ৰায় দুঘন্টা ধৰি এই
বুলি চিঞৰিবলৈ ধৰিলে, "ইফিচৰ দেৱী আৰ্ত্তেমী মহান!"

৩৫তেতিয়া নগৰৰ কাৰ্য্যবাহি সম্পাদকে তেওঁলোকক
ক্ষান্ত হবলৈ সৈমান কৰাই ক'লে "হে ইফিচৰ লোক সকল,
সকলোৰে জানে যে ইফিচিয়া নগৰেই আৰ্ত্তেমী মহা দেৱীৰ
মন্দিৰ ৰাখে। সকলোৰে জানে যে আমিয়েই তেখেতৰ
এক পবিত্ৰ শিলা[b] স্থাপন কৰো ৩৬তাক কোনেও অস্বীকাৰ
কৰিব নোৱাৰে, সেয়ে তোমালোকে ক্ষান্ত হোৱা। গতিকে
তোমালোকে কিবা কৰা বা কোৱাৰ আগতে ক্ষন্তেক ৰৈ
ভাবি চাবা।

৩৭"তোমালোকে ইয়ালৈ এই লোক সকলক[c] আনিলা,
কিন্তু এই লোক সকলে আমাৰ দেৱীৰ বিৰোদ্ধে কিন্তু একো
বেয়া কথা কোৱা নাই ,তেওঁলোকে তেখেতৰ মন্দিৰৰ পৰা
একো চুৰো কৰা নাই ৩৮গতিকে আমাৰ আদালত আছে
আৰু তাত বিচাৰকো আছে। সেয়ে দিমিত্ৰীয়ৰ আৰু তেওঁৰ
লগত কাম কৰা লোকৰ যদি কাৰোবাৰ বিৰোদ্ধে যদি কিবা
আছে তেওঁলোক আদালতলৈ গৈ তাত পৰস্পৰৰ মাজত
উত্তৰ প্ৰত্যুত্তৰ কৰক।

৩৯"আৰু যদি ইয়াৰ বাহিৰে আন কিবা বিষয়ে থাকে
তেন্তে লোক সকলৰ প্ৰতিদিনৰ ৰাজহুৱা সভালৈ আহিবা,
তাতে নিৰ্নয় লব পৰা যায়। ৪০মই এই কথা কৈছো, কিয়নো
আজিৰ এই হুলস্থুলৰ কোনো কাৰণ নাথাকিলে অপ্ৰিতীকৰ
পৰিবেশ সৃষ্টি কৰাৰ বাবে আমাকে দোষী সাবস্ত্য কৰিব পাৰে,
যদি আমি এই সকলো হুলস্থুলৰ বিষয়ে বহলকৈ একো কব
নোৱাৰো। কাৰণ এই সভাৰ কোনো নিৰ্দ্দিষ্ট কাৰণ নাই।"
৪১কাৰ্য্যবাহী সম্পাদকে এই কথা কোৱাৰ পাচত, তেওঁ
সকলো লোকক ঘৰলৈ যাবলৈ ক'লে।

## পৌলৰ মাকিদনিয়া আৰু গ্ৰীচলৈ যাত্ৰা

২০ ১যেতিয়া সেই হুলস্থুল শান্ত হ'ল, তেতিয়া
পৌলে অনুগামী সকলক লগ ধৰিবলৈ আমন্ত্ৰন
জনালে, তাৰ পাচত তেওঁ তেওঁলোকক উৎসাহিত কৰি

[a] **১৯:১৯ ৰূপৰ মুদ্ৰা** বিশেষকৈ গ্ৰীক মুদ্ৰা। এক মুদ্ৰা প্ৰায় গড় হিচাপে এদিনৰ দৰমহাৰ সমান।

[b] **১৯:৩৫ পবিত্ৰ শিলা** মানুহবিলাকে ভাবিছিল এই শিল দেখিবলৈ আৰ্ত্তেমী দেৱীৰ দৰে সেইয়ে ইয়াক আৰাধনা কৰিছিল।

[c] **১৯:৩৭ লোক সকলক** মানে পৌলৰ লগত থকা গায় আৰু অৰিষ্টাৰ্থৰ কথা কোৱা হৈছে।

মঙ্গলবাদ জনাই মাকিদনিয়ালৈ গ'লগৈ। ২তেওঁ মাকিদনিয়া দি যোৱাৰ পথত বিভিন্ন ঠাইত অনুগামী সকলক প্ৰেৰনা যোগাই গ্ৰীচলৈ গ'ল ৩আৰু তাত তিনি মাহ থাকিল।

পৌলে জাহাজেদি চিৰিয়ালৈ যাবলৈ যুগুত হোৱাৰ মূহুৰ্ত্ততে কিছুমান যিহুদী লোকে তেওঁৰ বিৰোদ্ধে কিবা চক্ৰান্ত কৰিছিল, সেয়ে তেওঁ মাকিদিনিয়াদি ঘুৰি চিৰিয়ালৈ যাবলৈ ঠিক কৰিলে। ৪তেওঁৰ লগত যোৱা লোক সকল হ'ল, বিৰয়া নগৰৰ পুৰ্হৰ পুত্ৰ চোপাত্ৰ, থিচলনিকিয়া নগৰৰ অৰিষ্টৰ্খ আৰু চিকুণ্ড, দৰ্বি নগৰৰ গায়, তীমথিয় আৰু এচিয়াৰ দুজন লোক তুখিক আৰু ত্ৰফিম। ৫এওঁলোকে পৌলৰ আগেয়ে গৈ ত্ৰোৱা নগৰত আমাৰ বাবে অপেক্ষা কৰি আছিল। ৬আমি খমিৰ নিদিয়া পিঠাৰ পৰ্ব্বৰ পাচত জাহাজেৰে ফিলিপি নগৰৰ পৰা গলো আৰু আমি এই লোক সকলক পাঁচ দিনৰ পাচত ত্ৰোৱাত লগ পালো, আৰু তাত সাত দিন থাকিলো।

## ত্ৰোৱালৈ পৌলৰ শেষ যাত্ৰা

৭পাচে দেওবাৰৰ[a] দিনা আমি যেতিয়া আটায়ে প্ৰভুৰ ভোজ[b] গ্ৰহণ কৰিবলৈ একগোট হলো তেতিয়া পৌলে দলটিৰ লগত কথা বতৰা হ'ল, কিয়নো পাছদিনা তেওঁ তাৰ পৰা যাবলৈ চিন্তা কৰি, মাজ নিশা লৈকে তেওঁলোকৰ সৈতে কথা পাতি আছিল। ৮তেতিয়া আমি আটায়ে একে লগে ওপৰ মহলাৰ এটী কোঠাত আছিলো, আৰু কোঠাতোত বহুত চাকি আছিল ৯তাত উতুখ নামৰ এজন ডেকাই খিৰিকীত বহি আছিল, পৌলে কথা কৈ থাকোতে উতুখৰ এনে টোপনি ধৰিল যে, তেওঁ তাতেই টোপনি যাওঁতে খিৰাকীৰ পৰা সৰি পৰিল, আৰু তিনি মহলাৰ পৰা তলত মাটিত পৰিল। লোক সমূহে তললৈ গৈ তেওঁক উঠাব লোৱাত তেওঁক মৃত পালে।

১০পৌলে তললৈ উতুখ পৰা ঠাইলৈ নামি আহি, তেওঁৰ কাষতে আঁঠু পাৰি, তেওঁক আঁকোৱালি আন বিশ্বাসী সকলক ক'লে "তোমালোকে দুখ নকৰিবা, তেওঁ জীয়াই আছে।" ১১তাৰ পাচত পৌলে পুনৰ ওপৰ মহলালৈ গৈ কেই টুকুৰা মান পিঠা ভাঙি ভোজন কৰিলে আৰু তেওঁলোকৰ সৈতে পুৱতি নিশালৈকে বহু সময় কথা পাতি পাচত তাৰ পৰা গ'লগৈ, ১২তাৰ পাচত বিশ্বাসী সক'লে উতুখক জিৱীত অবস্থাত ঘৰলৈ লৈ গ'ল, আৰু আটেয়ে বৰ শান্ত্বনা লভিলে।

## ত্ৰোৱাৰ পৰা মিতুলীনিলৈ যাত্ৰা

১৩আমি পৌলতকৈ আগেয়ে আ:ছ নগৰলৈ তেওঁক লগ পাবলৈ ইচ্ছা কৰি তেওঁ কোৱাৰ দৰেই সমূদ্ৰ পথেদি গলো কিয়নো তেওঁ স্থল পথেদিহে যাত্ৰা কৰিব ইচ্ছা কৰিছিল। ১৪তাৰ পাচত যেতিয়া তেওঁ আমাক আ:ছ নগৰত লগ ধৰিলে, তেতিয়া তেওঁক জাহাজাত তুলি আমি সকলোৱে মিতুলীনিলৈ গলো। ১৫পাছদিনা আমি তাৰ পৰা জাহাজেৰে ওলাই আহি খীয় দ্বীপৰ ওচৰলৈ আহিলো। দ্বিতীয় দিনা আমি চাম: দ্বীপলৈ আহি, তাৰ এদিন পাচত মিলীত নগৰলৈ আহিলো। ১৬কাৰণ পৌলে আগেয়েই ইফিচলৈ নোযোৱাটোৱে ঠিক কৰিছিল। সেই বাবে তেওঁ এচিয়াত বেচি দিন থাকিবলৈ বিচৰা নাছিল, কিয়নো পঞ্চাশ দিনিয়া পৰ্ব্বৰ দিনা পাৰিলে যিৰুচালেমত থাকিবলৈ তেওঁ ততাতৈয়া কৰিছিল।

## পৌলে ইফিচৰ চলাওঁতাসকলৰ লগত কথা বাৰ্ত্তা হোৱা

১৭পৌলে মিলীত নগৰৰ পৰা ইফিচত থকা মণ্ডলীৰ চলাওঁতা সকলক তেওঁৰ লগত আহি দেখা কৰিবলৈ খবৰ পঠালে।

১৮যেতিয়া তেওঁলোক আহিল, তেতিয়া পৌলে তেওঁলোকক ক'লে "মই এচিয়ালৈ অহাৰ প্ৰথম দিনৰ পৰাই মোৰ বিষয়ে তোমালোকে জানিছা, আৰু সকলো সময়তে তোমালোকৰ লগত একে লগে থকাত মই কি দৰে আছো, তাক জানিছা ১৯তথাপি, যিহুদী সকলে মোৰ বিৰোদ্ধে আঁচনি তৈয়াৰ কৰিলে, ই মোক বৰ বিৰক্ত কৰিলে। কিন্তু তোমালোকে জানা যে, মই সকলো সময়তে প্ৰভুৰ সেৱা কৰি আছিলো আৰু কেতিয়াবা চকুলোও বোৱাইছিলো, মই মোৰ নিজৰ বাবে কেতিয়াও প্ৰথমে ভাবা নাছিলো। ২০তোমালোকৰ বাবে যি উত্তম তাকে মই সদায় কৰিছিলো। , মই যীচুৰ শুভবাৰ্ত্তা ৰাজহুৱা ভাবে লোক সকলৰ আগত ঘোষনা কৰি তোমালোকৰ ঘৰে ঘৰে শিক্ষাও দিছিলো। ২১মই, যিহুদী কি গ্ৰীক সকলোকে সলনি হৈ ঈশ্বৰলৈ ঘুৰিবলৈ কৈছিলো।

২২"কিন্তু এতিয়া পবিত্ৰ আত্মাৰ নিৰ্দেশ মানি মই যিৰুচালেমলৈ যাব লাগিব, নাজানো তাত মোৰ কি হব। ২৩কিন্তু মই কেৱল জানো, পবিত্ৰ আত্মাই কোৱাৰ দৰে, মোৰ বাবে প্ৰতি খন নগৰতে দুখ-কষ্ট এনেকি কাৰাগাৰৰ বন্দিত্বই হে অপেক্ষা কৰি আছে। ২৪মই মোৰ নিজৰ জীৱনৰ বিষয়ে চিন্তা নকৰো, কিন্তু প্ৰভু যীচুৱে, ঈশ্বৰৰ অনুগ্ৰহৰ বিষয়ে সকলোকে শুভবাৰ্ত্তা ঘোষনা কৰিবলৈ দিয়া কামবোৰ শেষ কৰিব বিচাৰিছো সেইটোহে প্ৰয়োজনীয় বিষয়।

২৫"এতিয়া মোলৈ কান পাতা, মই জানো, তোমালোকৰ কোনেও মোক আৰু কেতিয়াও দেখিবলৈ নাপাবা, মই সকলো সময়তে তোমালোকৰ লগতে থাকি, তোমালোকক ঈশ্বৰৰ ৰাজ্যৰ কথা ঘোষনা কৰিলো। ২৬সেয়ে আজি মই তোমালোকক এটা কথা কব পাৰো, যে তোমালোকৰ যদি কোনোৱে উদ্ধাৰ নাপায়, তাত ঈশ্বৰে মোক দোষী নকৰিব। ২৭মই এই কথাবোৰ এই কাৰনে কব পাৰো, কিয়নো এই বোৰ কথা তোমালোকে জানাটো ঈশ্বৰে বিচাৰে। ২৮সেয়ে, তোমালোকলৈ দিয়া সকলো ঈশ্বৰৰ লোকৰ বাবে আৰু তোমালোক নিজৰ বাবে সাবধানে থাকিবা কিয়নো, পবিত্ৰ আত্মাই যি জাকৰ[c] যতন[d] লবলৈ তোমালোকক দায়িত্ব

[a] **২০:৭ দেওবাৰৰ** প্ৰকৃতাৰ্থত সপ্তাহৰ প্ৰথম দিনা।
[b] **২০:৭ প্ৰভুৰ ভোজ** প্ৰকৃতাৰ্থত পিঠা ভঙা। যিটো প্ৰভু যীচুৱে তেওঁৰ সোঁৱৰণ কৰিবৰ বাবে কৈছিল লূক ২২:১৪-২০ চাওঁক।
[c] **২০:২৮ জাকৰ** মানে এটা জাকত যিদৰে বহুত মেৰ থাকে তেনেদৰে ঈশ্বৰৰ লোক সকলো এজন চলাওঁতাৰ অধিন।
[d] **২০:২৮ যতন** লোৱা মানে তেওঁলোকৰ ওপৰত তত্বাৱধান লোৱা।

দিছে, তেওঁ নিজৰ তেজেৰে[a] কিনা এই লোক সকল, যি
ঈশ্বৰৰ[b] মণ্ডলীৰ হয় তোমালোক তেওঁলোকৰ বাবে মেৰ
ৰখীয়া হব লাগে ২৯মই জানো যে যেতিয়া মই তোমালোকক
এৰি যামগৈ, তেতিয়া কিছুমান লোকে দলবদ্ধ ভাবে আহি,
কুকুৰনেচীয়া বাঘৰ দৰে তোমালোকৰ দলটোক ধ্বংস
কৰিবলৈ চেষ্টা কৰিব। ৩০আনকি তোমালোকৰ নিজৰ দলৰ
পৰাই মানুহ ওলাই, যি বোৰ ভুল তাকে শিকাব, তেওঁলোকে
কিছুমান প্ৰভুৰ অনুগামী সকলক সত্যৰ পৰা আঁতৰাই
তেওঁলোকক অনুসৰন কৰিবলৈ পতিয়ন নিয়াব। ৩১সেই
বাবে সাৱধানে থাকি মই তোমালোকৰ লগত তিনি বছৰ
কাল থাকি কৰা সকলো বোৰ সুঁৱৰিবা, আৰু তোমালোকে
কি দৰে থাকিব লাগে, তাক মই তোমালোক প্ৰত্যেককে
সোঁৱৰাবলৈ নেৰি দিনে নিশাই আশ্বাস দি তোমালোকৰ
বাবে কান্দিলো।
৩২“এতিয়া মই তোমালোকক ঈশ্বৰৰ নিৰাপত্তাত
এৰিলো। আৰু তেওঁৰ অনুগ্ৰহৰ ওপৰত আস্থা ৰাখি
তোমালোকক শক্তিমন্ত হবলৈ এৰিলো, এই বাৰ্ত্তাই,
ঈশ্বৰে তেওঁৰ পবিত্ৰ লোক সকলক দিয়া আশীষবোৰ
তোমালোকলৈও দান কৰা সম্ভৱপৰ। ৩৩মই যেতিয়া
তোমালোকৰ লগত আছিলো, তেতিয়া মই কেতিয়াও
কাৰো পৰা ধন বা বস্ত্ৰ বিচৰা নাই ৩৪তোমালোক এই কথা
আটায়ে জানা, যে মোৰ নিজৰ প্ৰয়োজনৰ বাবে বা মোৰ
লগত থকা সকলৰ বাবেহে মই পৰিশ্ৰম কৰো। ৩৫মই
তোমালোকক সদায়ে দেখুৱাব বিছাৰিছিলো যে, মই কৰাৰ
দৰেই দুৰ্ব্বল লোক সকলক সহায় কৰিবলৈ তোমালোকে
পৰিশ্ৰম কৰিব লাগে। মই তোমালোকক প্ৰভু যীচুৰ এই বাণী
মনত ৰাখিবলৈ শিকাওঁ যে. “গ্ৰহন কৰাতকৈ দান কৰাই
মহত আশীৰ্ব্বাদ”
৩৬পৌলে কথা কৈ শেষ কৰাৰ পাচত, আঁঠু পাৰিলে
আৰু আটায়ে একে লগে প্ৰাৰ্থনা কৰিলে। ৩৭-৩৮তেতিয়া
তেওঁলোকে বৰকৈ ক্ৰন্দন কৰিলে, বিশেষকৈ তেওঁলোকে
বেজাৰ পালে কাৰণ পৌলক আকৌ তেওঁলোকে পুনৰ দেখা
নাপাব বুলি কৈছিল, সেয়ে তেওঁলোকে তেওঁক সাৰতি
চুমা খালে, তাৰ পাচত তেওঁলোকে তেওঁক জাহাজলৈকে
আগবঢ়াই বিদায় দিবলৈ গ’ল।

## পৌলৰ যিৰুচালেমলৈ যাত্ৰা

২১ ১তাৰ পাচত আমি চলাওঁতা সকলৰ পৰা বিদায়
লৈ পোনেই কো দ্বীপলৈ গৈ, পাচদিনা ৰোদ:
দ্বীপলৈ গলো আৰু তাৰ পৰাই পাতাৰালৈ গলো। ২তাতেই
ফিনীকিয়া অ়ঞ্চললৈ যোৱা এখন জাহাজ পায় তাতে উঠি
গলো।
৩আমি উত্তৰ দিশে থকা কুপ্ৰ দ্বীপৰ কাষেদি পাৰ হৈ গলো
কিন্তু তাত নৰৈ চিৰিয়া দেশলৈ গলো, আৰু যাত্ৰাৰ পথত
তুৰ নগৰতহে ৰলো, কিয়নো তাতে জাহাজৰ মাল-বস্তু
নমাবলগীয়া আছিল। ৪আমি তাতে প্ৰভূৰ অনুগামী সকলক
পায় সাত দিন তেওঁলোকৰ লগত থাকিলো। তেওঁলোকে
পৌলক আত্মাৰ নিৰ্দ্দেশ অনুযায়ী যিৰুচালেমলৈ নাযাবলৈ
সাৱধান কৰি দিলে। ৫যেতিয়া আমাৰ তাত থকা সময় শেষ
হ’ল তেতিয়া আমি পুনৰ যাত্ৰা আৰম্ভ কৰিবলৈ জাহজলৈ
ঘূৰিলো। সেই খিনি সময়ত সকলো বিশ্বাসী সকল আনকি
তিৰোতা আৰু সন্তান সকলো আমাৰ লগতে সমূদ্ৰৰ তীৰলৈ
আহিল আৰু আমি আটায়ে তাত আঁঠু পাৰি প্ৰাৰ্থনা কৰি
৬পৰস্পৰে বিদায় ললো। তাৰ পাচত আমি জাহাজত
উঠিলো আৰু অনুগামী সকল নিজ ঘৰলৈ ঘূৰি গুচি গ’ল।
৭আমি তুৰৰ পৰা যাত্ৰা কৰি কৰি তলিমায়ি নগৰলৈ
গলো, আৰু তাত আমি বিশ্বাসী সকলক মঙ্গলবাদ জ্ঞাপন
কৰি তেঁওলোকৰ লগত এদিন থাকিলো। ৮পাছদিনা আমি
তালিমায়ি এৰি কৈচৰীয়ালৈ গলো আৰু সেই সাত জন[c]
সহায়কৰ মাজৰ শুভবাৰ্ত্তা ঘোষনাকাৰী ফিলিপৰ ঘৰলৈ
গৈ তেওঁৰ লগতে থাকিলো। ৯এই ফিলিপৰ চাৰি গৰাকী
অবিবাহিত জিয়াৰী আছিল, যি সকলৰ ভাবোক্তি ঘোষনা
কৰা বৰ-দান আছিল।
১০তাত আমি কিছুমান দিন থকাৰ পাচত, যিহুদীয়াৰ
পৰা আগাব নামৰ এজন ভাববাদী আহিল। ১১তেওঁ আমাৰ
ওচৰলৈ আহি পৌলৰ ককাঁলত বান্ধা টঙালি[d] লৈ, নিজৰ হাত
ভৰি বান্ধি ক’লে, “পবিত্ৰ আত্মাই মোক এই কথা কৈছে যে,
‘যিৰুচালেমত যিহুদী সকলে ককাঁলত টঙালি বন্ধাজনক এই
দৰেই বান্ধি ঈশ্বৰক নজনা সকলক শোধাই দিব।’”
১২যেতিয়া আমি এই কথা শুনিলো, তেতিয়া আমাৰ লগত
আন অনুগামী সকলেও পৌলক যিৰুচালেমলৈ নাযাবলৈ
অনুৰোধ কৰিলে। ১৩কিন্তু পৌলে ক’লে, “তোমালোকে
এই দৰে কিয় ক্ৰন্দন কৰি মোক বেজাৰ দিছা? মই
যিৰুচালেমৰ কাৰাগাৰত বন্দী হবলৈ ইচ্ছা কৰিছো, আনকি
মই যীচু খ্ৰীষ্টৰ বাবে মৃত্যু বৰন কৰিবলৈও সাজু আছো!”
১৪তেওঁক আমি যিৰুচালেমলৈ যোৱাৰ পৰা বিৰত ৰাখিব
নোৱাৰি, আমাৰ অনুৰোধ বন্ধ কৰি কলো, “আমি প্ৰৰ্থনা
কৰো যেন প্ৰভুৰ ইচ্ছাই সিদ্ধ হওক।”
১৫তাৰ পাচত আমি যুগুত হৈ যিৰুচালেমলৈ গলো
১৬আমাৰ লগত কৈচৰৰ পৰা কেইজন মান যীচুৰ বিশ্বাসীও
গ’ল, এই অনুগামী সকলে আমাক কূপ্ৰ দ্বীপৰ ম্নাচোন নামৰ
লোক এজনৰ ঘৰলৈ লৈ গ’ল, যি জন সৰ্ব্ব প্ৰথমতেই
যীচুৰ অনুগামী হৈছিল। তেওঁলোকে আমাক তালৈ লৈ
গ’ল যাতে আমি তেওঁৰ লগত থাকিব পাৰো।

## যাকোবৰ লগত পৌলৰ সাক্ষাত

১৭আমাক দেখি যিৰুচালেমৰ ভাই ভনী সকল বৰ আনন্দিত
হ’ল। ১৮পাচদিনা পৌলে আমাৰ লগত যাকোবক সাক্ষাত

[a] **২০:২৮ তেজেৰে** বা তেওঁ পুত্ৰৰ তেজেৰে।
[b] **২০:২৮ ঈশ্বৰৰ** কিছুমান গ্ৰীক পুস্তকত ‘প্ৰভুৰ’ বুলি আছে।
[c] **২১:৮ সাতজন** সহায়ক যি কেইজন ব্যক্তিক বিশেষ কামৰ বাবে বাছনি কৰা হৈছিল। পাঃ কৰ্ম্ম ৬:১-৬
[d] **২১:১১ টঙালি** পৌলৰ টঙালিয়ে আগাবে পৌলক যিহুদী সকলে এনেদৰে বান্ধিব বুলি বুজাব বিচাৰিছিল।

কৰিবলৈ গ'ল আৰু তাত সকলো বৃদ্ধ সকল আছিল।
১৯তেওঁলোকক অভিনন্দন জনোৱাৰ পাচত পৌলে,
অযিহুদী সকলৰ মাজত কাম কৰিবলৈ ঈশ্বৰে কি দৰে
তেওঁক ব্যৱহাৰ কৰিলে তাক পুংখানু পুংখৰূপে ক'লে।
২০এই কথা যেতিয়া নেতা সকলে শুনিলে তেতিয়া
তেওঁলোকে ঈশ্বৰৰ প্ৰশংসা কৰিবলৈ ধৰিলে আৰু পৌলক
ক'লে, "ভাই, আপুনি দেখিলে যে হাজাৰ হাজাৰ যিহুদী
লোক বিশ্বাসী হ'ল, কিন্তু তেওঁলোকে ভাবে যে মোচিৰ
বিধান পালন কৰাটো হে নিত্যান্ত প্ৰয়োজন। ২১তেওঁলোকক
আপোনাৰ বিষয়ে এনে দৰে কোৱা হৈছে যে, অযিহুদী
সকলৰ মাজত নিবাস কৰা যিহুদী সকলক আপুনি মোচিৰ
ব্যৱস্থা-বিধান পালন কৰাটো বন্ধ কৰিবলৈ শিকাইছে। আৰু
তেওঁলোকে এইটোও শুনিছে যে, আপুনি তেওঁলোকৰ পুত্ৰ
সকলক চুন্নত্ নকৰাবলৈ কৈছে, নতুবা আমাৰ আন সংস্কৃতি
অনুসৰন কৰিবলৈ নিষেধ কৰাইছে।
২২"আমি এতিয়া কি কৰা উচিত? যেতিয়া ইয়াত থকা
যিহুদী সক'লে গম পাব যে আপুনি ইয়ালৈ আহিছে।
২৩সেয়ে আপুনি কি কৰিব লাগে তাক আমি কওঁ, আমাৰ
মাজৰ পৰা চাৰিজন লোকে ঈশ্বৰলৈ এক প্ৰতিজ্ঞা[a] কৰিছে,
২৪আপুনি তেওঁলোকক লগত লৈ শুচি কৰা[b] অনুস্থানত
একেলগে নিজকে শুচি কৰক আৰু তেওঁলোকৰ মূৰ
খুৰোৱা[c] খৰচ বহন কৰক যাতে তেঁও লোকে মূৰ খুৰাব
পাৰে, এইয়ে সকলোৰ আগত প্ৰমান কৰিব যে তেওঁলোকে
আপোনাৰ বিষয়ে শুনা কথাবোৰ সত্য নহয়। তেওঁলোকে
প্ৰত্যক্ষ কৰিব যে, আপুনি আপোনাৰ নিজৰ জীৱনতো
মোচিৰ বিধান পালন কৰে।
২৫"এই সংক্ৰান্তত অযিহুদী সকললৈ আমি ভবা অনুসাৰে
ইতিমধ্যে তেওলোকে কি কৰা উচিত সেই কথা লিখি এখন
পত্ৰ প্ৰদান কৰিলো:

'মূৰ্ত্তিৰ আগত উৎসৰ্গিত খাদ্য ভোজন নকৰিবা,
টেঁটু চেপা দি মাৰা জন্তুৰ মঙহ বা তেজে, সৈতে
কোনো মঙহ নাখাবা
যৌনাচাৰ পাপত লিপ্ত নহবা।'"

## পৌলক আটক কৰা

২৬গতিকে পৌলে তেওঁৰ লগত চাৰি জনক লৈ, পাচদিনা
তেওঁলোকৰ শুচিকৰণ অনুস্থানত অংশ গ্ৰহন কৰিলে। তাৰ
পাচত তেওঁ নামঘৰ অঞ্চললৈ গৈ শুচিকৰণ অনুস্থান শেষ
হোৱাৰ দিন ঘোষনা কৰিলে আৰু শেষৰ দিনা প্ৰত্যেক
ব্যক্তিৰ বাবে এক নৈবেদ্য উতসৰ্গ কৰা হব।
২৭তাৰ পাচত যেতিয়া, সাত দিনৰ সময় প্ৰায় শেষ হ'ল,
এনেতে এচিয়া দেশৰ কেইজনমান যিহুদীয়ে পৌলক
নামঘৰ অঞ্চলত দেখি, প্ৰত্যেককে উচটাই খঙাল কৰি
পৌলক টানি আনি ২৮চিঞৰি ক'লে "হে ইস্ৰায়েলৰ লোক
সকল, আমাক সহায় কৰা! এই মানুহ জনেই, মোচিৰ
বিধানত থকা সকলো শিক্ষাৰ বিৰোদ্ধে, আমাৰ লোক
সকলৰ বিপক্ষে, আৰু আমাৰ এই নামঘৰৰ বিৰোদ্ধে লোক
সকলক শিকাইছে। সকলো ঠাইতে লোক সকলক এই
দৰেই শিকাইছে, আৰু তেওঁ এতিয়া কেইজন মান গ্ৰীক
লোকক নামঘৰ অঞ্চললৈ আনি এই ঠাই অশুচি কৰিলে!"
২৯(যিহুদী সকলে এই সকলো ক'লে, কিয়নো তেওঁলোকে
আগতেই পৌলৰ লগত ত্ৰফিম নামৰ ইফাচিয়াৰ এজন
লোকক পৌলৰ লগত যিৰুচালেমত দেখিছিল, সেয়ে
যিহুদী সক'লে ভবিলে যে পৌলে তেওঁক নামঘৰৰ পবিত্ৰ
অঞ্চললৈ আনিছিল)
৩০ক্ৰোধৰ এক প্ৰতিক্ৰিয়া গোটেই নগৰতে বিয়পি পৰিল,
আৰু সকলোৱে দৌৰ মাৰি নামঘৰলৈ আহিল। তেওঁলোকে
গবামাৰি গতিয়াই পৌলক পবিত্ৰ অঞ্চলৰ পৰা বাহিৰলৈ
উলিয়াই আনিলে আৰু তৎক্ষনাত দুৱাৰ বোৰ বন্ধ কৰি
দিলে। ৩১পৌলক তেওঁলোকে বধ কৰিবলৈ চেষ্টা কৰোতেই
যিৰুচালেমত ৰোমীয়া সৈন্যৰ সেনাপতিয়ে খবৰ পালে যে
গোটেই নগৰত হুলস্থুলৰ সৃষ্টি হৈছে। ৩২ততালিকে এশৰ
সেনাপতিয়ে কিছু সৈনিক বিষয়া ও সেনাক লগত লৈ
দলটো গোটখাই থকা ঠাইলৈ দৌৰি গ'ল, লোক সমূহে
সোনাপতি আৰু সৈনিক সকলক দেখি, পৌলক প্ৰহাৰ কৰা
বন্ধ কৰিলে।
৩৩তেতিয়া সেনাপতিয়ে পৌলৰ ওচৰলৈ আহি পৌলক
আটক কৰি, তেওঁৰ সৈন্য সকলক, তেওঁক দুডাল শিকলীৰে
বান্ধিবলৈ আজ্ঞা দি সুধিলে "এই জন কোন মানুহ? তেওঁ
কি দোষ কৰিলে?" ৩৪তেতিয়া সেই লোকসমূহৰ মাজৰ
কোনোবাই কিবা, আন কোনবাই কিবা কথা চিঞৰিলে।
এই সকলোবোৰ চিঞৰ বাখৰ আৰু বেমেজালিৰ বাবে
সেনাপতিয়ে আচলতে কি হৈছিল বুজিবকে নোৱাৰি,
সৈনিক সকলক পৌলক সেনাৰ বাহৰলৈ নিবলৈ ক'লে।
৩৫তাতে লোক সকলেও তেওঁলোকৰ পাচ ললে, সৈনিক
সকল যেতিয়া আহি জখলা পালে তেতিয়া তেওঁলোকে
পৌলক তাৰ পৰা ডাঙি নিব লগা হ'ল, তেওঁৰ নিৰাপত্তাৰ
বাবে তেওঁক এই দৰে নিব লগা হ'ল কাৰণ লোক সমূহে
তেওঁক আঘাত কৰিবলৈ উদ্যত হৈ আছিল। ৩৬কিয়নো
সকলো লোকে চিঞৰিছিল "তাক বধ কৰক।"
৩৭সৈনিক সকলে পৌলক সেনা বাহৰলৈ নিবলৈ
বিচাৰোতেই, তেওঁ সেনাপতিক সুধিলে, "মই আপোনাক
কিবা কব পাৰোনে?"
সেনাপতিয়ে তেতিয়া ক'লে, "তুমি দেখোন গ্ৰীক ভাষা
কব পাৰা? ৩৮তেন্তে তুমি মই ভবা মানুহ জন নোহোৱা, মই
ভাবিছিলো তুমিয়েই সেই জন মিচৰীয়া যিয়ে কিছুদিন পূৰ্ব্বে
চৰকাৰৰ বিৰোদ্ধে আতঙ্কৰ সৃষ্টি কৰি চাৰি হাজাৰ লোকক
মৰুঅঞ্চললৈ লৈ গৈছিলা।"

[a] **২১:২৩ প্ৰতিজ্ঞা** সম্ভৱত এক নাচৰতীয়া প্ৰতিজ্ঞা, যি ঈশ্বৰৰ এক বিশেষ উৎসৰ্গীত বা কামৰ বাবে লোৱা হয়।
[b] **২১:২৪ শুচি কৰা** যিহুদী ৰীতি মতে কৰিব লগীয়া কাৰ্য্য।
[c] **২১:২৪ মুৰ খুৰোৱা** ই তেওঁবিলাকৰ প্ৰতিজ্ঞা শেষ হোৱাটো বুজায়।

৩৯তেতিয়া পৌলে ক'লে, "মই এজন চিলিকিয়া দেশৰ তাৰ্চ নগৰৰ যিহুদী লোক, আৰু এই প্ৰধান নগৰৰ নাগৰিক। অনুগ্ৰহ কৰি এই লোক সমুহক মোক কিছু কথা কবলৈ দিয়ক।"

৪০তেতিয়া সেনাপতিয়ে পৌলক কবলৈ অনুমতি দিয়াত তেওঁ জখলাত ঠিয় হৈ, লোক সকলক শান্ত হবলৈ হাত জোকাৰি ইঙ্গিত দিলে। তাতে লোক সমুহ নিৰৱ হোৱাত তেওঁলোকক আৰামিয়া ভাষাত কবলৈ ধৰিলে।

### পৌলৰ চিন্তা

**২২** ১পৌল ক'লে, "হে মোৰ ভাইসকল আৰু পিতৃ সকল, মোৰ কথা শুনা, মই মোৰ পক্ষে তোমালোকক কওঁ!"

২যিহুদী সকলে যেতিয়া পৌলে আৰামিয়া ভাষাত কথা কোৱা শুনিলে, তেওঁলোক একেবাৰে শান্ত হ'ল। তেতিয়া পৌলে ক'লে,

৩"মই এজন যিহুদী লোক, মোৰ কিলিকিয়া দেশৰ তাৰ্চ নগৰত জন্ম; এই নগৰতে মই ডাঙৰ দীঘল হৈ গমেলিয়েলৰ[a] ছাত্ৰ আছিলো, যত মোক আমাৰ পিতৃ সকলৰ সকলো নীতিৰ বিষয়ে সাৱধানে শিকালে আৰু মই ঈশ্বৰৰ পৰিচৰ্য্যাৰ বাবে, তোমালোকে ইয়াত কৰাৰ দৰেই যথেষ্ট সতৰ্ক আছিলো। n ৪সত্যৰ পথ অনুসৰন কৰা কিছুমানক মোৰ বাবেই বধ কৰা হৈছিল, মই পুৰুষ আৰু মহিলা সকলক আটক কৰি কাৰাগাৰত বন্দী কৰিছিলো।

৫"মহাপুৰোহিত আৰু গোটেই মহাসভাৰ সকলো যিহুদী বৃদ্ধ নেতা সকলে এই কথা যে সঁচা তাক তোমালোকক কব পাৰে, এবাৰ এই নেতৃবৃন্দই মোক কিছুমান চিঠি দিলে। এই চিঠি বোৰ দম্মেচক নগৰৰ যিহুদী ভাই সকলৰ বাবে আছিল। তেতিয়া মই যীচুৰ অনুগামী সকলক আটক কৰি যিৰূচালেমলৈ লৈ আনি শাস্তি দিবলৈ গৈ আছিলো।

### পৌলে তেওঁৰ মন পালটনৰ বিষয় ক'লে

৬"কিন্তু দম্মেচকক্কলৈ যোৱাৰ পথত মোৰ এক ঘটনা ঘটিল, প্ৰায় দুপৰীয়া সময়ত মই দম্মেচেক পোৱাৰ সময়তে অকস্মাতে স্বৰ্গৰ পৰা এক উজ্জ্বল পোহৰে মোৰ কেওদিশে ঘেৰি ধৰিলে ৭মই মাটিত পৰি গলো আৰু মোলৈ কোৱা এক মাত শুনিলো, 'চৌল, চৌল, তুমি মোক কিয় তাড়না কৰিছা?'

৮"তেতিয়া মই শুধিলো, 'প্ৰভু, আপুনি কোন?' তেতিয়া এক মাত আহিল, 'যিজনক তুমি তাড়না কৰিছা, মই সেই নাচৰতীয়া যীচু।' ৯যিবিলাক মোৰ লগত আছিল তেওঁলোকে একো মাত বুজি নাপালে কেৱল সেই পোহৰহে দেখা পালে। ,

১০"মই কলো, 'প্ৰভু মই এতিয়া কি কৰো?' তাতে প্ৰভুৱে উত্তৰ দিলে, 'উঠা, আৰু দম্মেচকলৈ যোৱা, তাতে তোমাৰ বাবে মই কি কৰ্ম্মৰ পৰিকল্পনা কৰিছো তাক কোৱা হব। ১১সেই পোহৰৰ উজ্জ্বলতাত মই অন্ধ হৈ একো নেদেখা হলো সেয়ে কেইজনমান লোকে মোক ধৰি দম্মেচক্কলৈ লৈ গ'ল।

১২তাৰ পাচত দম্মেচকত অননিয়[b] নামৰ এজন লোক মোৰ ওচৰলৈ আহিল। তেওঁ এজন মোচিৰ বিধান পালন কৰা ঈশ্বৰ ভক্ত লোক আছিল। তাত বাস কৰা সকলো যিহুদী লোকে তেওঁক সন্মান কৰিছিল। ১৩তেওঁ মোৰ ওচৰলৈ আহি ক'লে, 'চৌল মোৰ ভাই, তুমি দৃষ্টি লাভ কৰি পুনৰ চোৱা।' তৎক্ষনাত মই তেওঁক চাবলৈ সক্ষম হলো।

১৪"তাতে অননিয়ই মোক ক'লে "যি জনা ঈশ্বৰৰ আৰাধনা আমাৰ পুৰ্ব্বপুৰুষ সকলে কৰিছিল সেই একেই ঈশ্বৰে, বহুদিনৰ আগেয়ে তেওঁৰ পৰিকল্পনা বুজিবলৈ তোমাক মনোনিত কৰি ধাৰ্ম্মিক জনাৰ দৰ্শন লভিবলৈ আৰু তেওঁৰ পৰা বাক্য শুনিবলৈ তোমাক বাচি ললে। ১৫তুমি সকলো লোকলৈ যি দেখিলা আৰু শুনিলা তাৰ সাক্ষ্য হবা। ১৬এতিয়া আৰু পলম নকৰি উঠি বাপ্তিস্ম লোৱা আৰু তোমাৰ পাপবোৰ ধুই, উদ্ধাৰ পাবলৈ[c] যীচুক বিশ্বাস কৰা।'

১৭"তাৰ পাছত মই যিৰূচালেমলৈ ঘূৰি আহি, নামঘৰ অঞ্চলত প্ৰাৰ্থনাত থাকোতে এক দৰ্শন পালো ১৮দৰ্শনত মই যীচুক দেখিলো, আৰু তেওঁ মোক ক'লে, 'সোনকালে উঠা! আৰু এতিয়াই যিৰূচালেম এৰি যোৱা! কাৰণ মোৰ বিষয়ে তুমি যি সত্যৰ সাক্ষ্য দিছা তাক ইয়াত লোকসকলে গ্ৰহণ নকৰিব।'

১৯"তেতিয়া মই কলো 'প্ৰভু, এই লোক সকলে জানে যে ময়েই বিশ্বাসী সকলক কোবাই কাৰাগাৰত বন্দী কৰি থৈছিলো, মই সকলো উপাসনালৈ গৈ তোমাক বিশ্বাস কৰা সকলক বিচাৰি আটক কৰিছিলো। ২০লোক সমুহে এইও জানে যে তোমাৰ সাক্ষী ষ্টিফানক বধ কৰাৰ ক্ষণত মই তাত আছিলো, আৰু তাত উপস্থিত থাকি তেওঁলোকে তেওঁক বধ কৰা উচিত বুলি সন্মতি প্ৰকাশ কৰিছিলো আনকি মই বধ কৰোতা সকলৰ বস্ত্ৰও ৰখাছিলো।'

২১"কিন্তু যীচুয়ে মোক ক'লে, 'এতিয়া এইবোৰ এৰা, মই তোমাক বহু দুৰলৈ অযিহুদী সকলৰ মাজলৈ পঠিয়াম।'"

২২পৌলে কোৱা এই শেষ কথা শুনাত, লোক সকলে তেওঁৰ কথা শুনিবলৈ বন্ধ কৰি, সকলোৱে চিঞৰি ক'লে, এই মানুহজনৰ পৰা হাত সাৰা, তেওঁ এই পৃথিৱীত আৰু জীয়াই থকাৰ যোগ্য নহয়। ২৩এই দৰে তেওঁলোকে চিঞৰি চিঞৰি নিজৰ কাপোৰ খুলি ধুলি উৰুৱাই থাকিল।[d] ২৪তেনেতে সেই সেনাপতিয়ে সৈনিক সকলক পৌলক সেনা বাহৰলৈ নি কোবাবলৈ আজ্ঞা দিলে, তেওঁ ইচ্ছা

[a] **২২:৩ গমেলিয়েল** যিহুদীবিলাকৰ দলৰ আৰু ফৰিচী বিলাকৰ এজন গুৰুত্বপূৰ্ণ শিক্ষক আছিল।

[b] **২২:১২ অননিয়** পাঁচনিকৰ্ম্মত অননিয় নামৰ তিনিজন ব্যক্তি আছে, পাঃকৰ্ম্ম ৫:১ আৰু ২৩:২ পদত অন্য দুজনৰ বিষয়ে চাওক।

[c] **২২:১৬ উদ্ধাৰ পাবলৈ** যীচুত বিশ্বাস কৰা- প্ৰকৃতাৰ্থত তেওঁৰ নাম লোৱা, মানে আৰধনা আৰু প্ৰাৰ্থনাৰে উদ্ধাৰ পাবলৈ যীচুত বিশ্বাস কৰা।

[d] **২২:২৩ কাপোৰ … থাকিল** ই প্ৰচণ্ড খঙৰ চিন।

করিছিল পৌলে যেন কয়, কিয় লোক সকলে তেওঁৰ
বিৰোদ্ধে এনে ধৰনে চিঞৰি-বাখৰ কৰিছে। !" ২৫গতিকে
সৈনিক সকলে পৌলক বান্ধি কোবাবলৈ লওঁতেই, তেওঁ
তাত থকা সেনাধক্ষ্যক ক'লে, "যি দোষী বুলি প্ৰমাণিত
নহয়, তেনে ৰোমীয়া নাগৰিকক[a] কোবাবলৈ তোমালোকৰ
অধিকাৰ আছেনে?"
২৬এই কথা শুনি সেনাধক্ষ্যই গৈ সেই সেনাপতিক
এই বিষয়ে ক'লে, সেনাধক্ষ্যই ক'লে "আপুনি জানে নে
আপুনি কি কৰিবলৈ গৈছে? এই মানুহজন এজন ৰোমীয়
নাগৰিক।"
২৭তেতিয়া সেই সেনাপতিয়ে পৌলৰ ওচৰলৈ আহি
শুধিলে, "মোক কোৱা, তুমি সঁচাকৈয়ে ৰোমৰ নাগৰিক
নে?"
তেওঁ ক'লে, "হয়।"
২৮তেতিয়া সেই সেনাপতিয়ে ক'লে, "মই ৰোমীয়া
নাগৰিক হবলৈ বহুত ধন দিলো"
কিন্তু পৌলে ক'লে, "মই জন্মগত নাগৰিক।"
২৯যি সকল লোকে তেওঁক প্ৰশ্ন কৰিবলৈ যুগুত
হৈছিল তেওঁলোকে লগে লগে পৌলৰ ওচৰৰ পৰা আঁতৰ
হৈ গ'ল। তাতে সেনাপতিয়ে ভয় খালে, কিয়নো তেওঁ
ইতিমধ্যে পৌলক শিকলীৰে বান্ধিছিল, আৰু তেওঁ আছিল
এজন ৰোমীয়া নাগৰিক।

## পৌলে যিহুদী নেতা সকলৰ লগত কথা বাৰ্ত্তা হোৱা

৩০পাচ দিনা সেই সেনাপতিয়ে জানিবলৈ ইচ্ছা কৰিলে,
কিয় যিহুদী সকলে পৌলক দোষী কৰিছিল, সেয়েহে তেওঁ
গোটেই মহাসভা আৰু প্ৰধান পুৰোহিত সকলক একলগ
হবলৈ আজ্ঞা দি, পৌলৰ শিকলীৰ বান্ধ সোলকাই মহাসভাৰ
আগত আনিবলৈ দিলে।

২৩ ১পৌলে মহাসভাৰ সভ্য সকলৰ ফালে চাই
ক'লে, "ভাই সকল, মই ঈশ্বৰৰ দৃষ্টিত শুদ্ধ
জীৱন যাপন কৰি সদায়ে যি উচিত ভাবিলো তাকে
কৰিলো।" ২প্ৰধান পুৰোহিত অননিয়[b] তাতে আছিল, এই
কথা তেওঁ শুনি পৌলৰ কাষতে থিয় হৈ থকা লোক জনক
পৌলক মূখত মাৰিবলৈ ক'লে ৩তেতিয়া পৌলে অননিয়ক
ক'লে, "তুমি বগা ৰঙৰ লেপনীৰে লিপা, কলা ৰঙৰ প্ৰাচীৰ,
মোচীৰ বিধানেৰে তাত বহি মোৰ বিচাৰ কৰা! তোমাকেই
ঈশ্বৰে মাৰিব। তুমি তেওঁলোকক মোক মাৰিবলৈ কৈছা, ই
আইন বিৰোধী"
৪পৌলৰ ওচৰত থিয় হৈ থকা সক'লে তেওঁক ক'লে,
"তুমি এই দৰেই ঈশ্বৰৰ মহাপুৰোহিতক অপমান কৰা নে? !"
৫তেতিয়া পৌলে ক'লে, "ভাইসকল, মই নাজানিছিলো
যে এই লোক জন প্ৰধান পুৰোহিত, কিয়নো শাস্ত্ৰত লিখা
আছে 'তোমালোকৰ মাজৰ কোনো বৃদ্ধ লোকৰ অহিতে কু
কথা কোৱা উচিত নহয়।'"[c]
৬পৌলে জানিছিল যে সভাত থকা সকলৰ কিছুলোক
ফৰিচী আৰু কিছু লোক চদ্দুকী, সেই কাৰনে তেওঁ জোৰেৰে
কৈছিল, "ভাইসক'লে মই এজন ফৰীচী! আৰু মোৰ পিতৃও
এজন ফৰীচী মই ইয়াত বিচাৰৰ সন্মুখীন হৈছো কাৰণ, মই
বিশ্বাস কৰো যে মৃত সকল জী উঠিব!"
৭যেতিয়া পৌলে এই কথা ক'লে তেতিয়া ফৰীচী আৰু
চদ্দূকী বিলাকৰ মাজত এক ডাঙৰ বিতৰ্কৰ সৃষ্টি হ'ল, আৰু
দলটি ভাগ হ'ল। ৮(কাৰণ চদ্দূকী বিলাকে বিশ্বাস কৰিছিল
যে মৃত্যুৰ পাচত লোকসকল আত্মা বা স্বৰ্গদুত ৰূপে পুনৰায়
জীয়াই নাথাকিব কিন্তু ফৰিচী সকলে দুয়োতে বিশ্বাস
কৰিছিল।) ৯এই আটাই যিহুদী সক'লে বৰ বৰ মাতেৰে
চিঞৰিবলৈ ধৰিলে, তেওঁলোকৰ মাজৰ কিছুমান বিধান
পণ্ডিত যি সকল ফৰীচী আছিল, তেওঁলোকে থিয় হৈ তৰ্ক
কৰি ক'লে "আমি এই লোক জনত একো দোষ নাপাওঁ।
হয়তো স্বৰ্গদূত নতুবা আত্মাই আচলতে তেওঁত কথা কৈছে।
১০এই তৰ্কই কাজিয়াৰ ৰূপ ললে, তাতে সেনাপতিয়ে
ভয় কৰিলে কিজানিবা যিহুদী সকলে পৌলক টুকুৰা টুকুৰ
কৰি পেলাই, সেয়ে তেওঁ সৈনিক সকলক গৈ এই যিহুদী
লোক সকলৰ পৰা পৌলক আঁতৰাই আনি সেনা বাহৰলৈ
নিবলৈ ক'লে।
১১তাৰ পাচ দিনা ৰাতি প্ৰভু যীচু পৌলৰ ওচৰলৈ আহি
থিয় হৈ ক'লে, "সাহসী হোৱা, তুমি মোৰ কথা যি দৰে
যিৰূচালেমত ঘোষনা কৰিলা, ৰোমতো একে দৰেই ঘোষনা
কৰা!"

## কিছুমান যিহুদীলোকে পৌলক বধ কৰিবলৈ ষঢ়যন্ত্ৰ কৰা

১২পাছদিনা ৰাতিপুৱা যিহুদীলোকৰ কিছুমানে পৌলক বধ
কৰিবলৈ এক আঁচনি যুগুত কৰি, পৌলক বধ নকৰালৈকে
ভোজন-পান নকৰে বুলি ঈশ্বৰৰ আগত এক প্ৰতিজ্ঞা
কৰিলে ১৩এই আঁচনি তৈয়াৰ কৰা সকলৰ সংখ্যা চল্লিশ
জনৰো অধিক আছিল। ১৪তেওঁলোকে গৈ প্ৰধান পুৰোহিত
আৰু যিহুদী বৃদ্ধ নেতা সকলক লগ কৰি ক'লে, "আমি
নিজৰ ভিতৰতে প্ৰতিজ্ঞা কৰিলো যে পৌলক বধ
নকৰালৈকে আমি ভোজন বা পান নকৰো। ১৫সেই বাবে
আমি আপোনালোকে এই দৰে কৰাটো বিচাৰো " যে
আপোনাৰ তৰফৰ পৰা আৰু মহাসভাৰ তৰফৰ পৰা
সেনাপতিলৈ এক সংবাদ প্ৰেৰন কৰি তেওঁক কওক
যে, তেওঁ আপোনালোকলৈ পৌলক উলিয়াই অনাটো
আপোনালোকে বিচাৰে, যাতে আপোনালোকে তেওঁক
আকৌ প্ৰশ্ন কৰিব পাৰে, আৰু ইতিমধ্যে আমি তেওঁ ইয়ালৈ
অহাৰ পথত, তেওঁক হত্যা কৰিবলৈ ৰৈ থাকিম।"
১৬কিন্তু পৌলৰ এজন ভাগিনিয়েকে এই ষড়যন্ত্ৰৰ কথা

[a] **২২:২৫ ৰোমীয়া নাগৰিকক** ৰোমৰ আইনে বিচাৰ আগতে ৰোমীয় নাগৰিকক কোবোৱা নিষেধ কৰিছে ২২:২৭ চাওঁক।

[b] **২৩:২ অননিয়** পাঁচনি কৰ্ম্ম ২২:১২ পদত থকা অননিয় নহয়।

[c] **২৩:5** উদ্ধৃতি যাত্ৰাৰ ২২:২৮

শুনি দৌৰ মাৰি গৈ সেনা বাহৰত পৌলক জনাই দিলে
১৭তেতিয়া পৌলে সেনাধক্ষ্যৰ এজনক ক'লে, "আপুনি
এই ডেকাজনক সেনাপতিৰ ওচৰলৈ লৈ যাওক, তেঁওৰ
বাবে এক খবৰ আছে।" ১৮গতিকে সেই সেনাধক্ষ্যই পৌলৰ
ভাগিনিয়েকক সেনাপতিৰ ওচৰলৈ লৈ আহি ক'লে, "বন্দী
পৌলে মোক এই ডেকাজনক আপোনাৰ ওচৰলৈ লৈ আহিব
ক'লে, কাৰণ এওঁৰ আপোনাক কবলৈ কিছু কথা আছে।"
১৯তেতিয়া সেনাপতিয়ে ডেকাজনক এক ঠাইলৈ নিলে যত
তেওঁলোকে অকল শৰিয়াকৈ কথা পাতিব পাৰে। তাৰ পাচত
সেনাপতিয়ে তেওঁক শুধিলে, "তুমি মোক কি কবলৈ বিচাৰা।"
২০সেই ডেকাই ক'লে, "কিছুমান যিহুদীয়ে কাইলৈ
পৌলক তেওঁলোকৰ সভালৈ আনিবলৈ আপোনাক কবলৈ
নিৰ্ণয় ললে। পৌলক তেওঁলোকে পুনৰ প্ৰশ্ন সুধিবৰ বাবে
আপোনাক চিন্তা কৰিবলৈ কব। ২১কিন্তু তেওঁলোকৰ
কথাত বিশ্বাস নকৰিব, কাৰণ তেওঁলোকৰ মাজৰ চল্লিশ
জনৰো অধিক মানুহে পৌলক হত্যা কৰিবৰ বাবে লুকাই
অপেক্ষা কৰি আছে। তেওঁলোক সকলোৱে তেওঁক হত্যা
নকৰালৈকে ভোজন-পান নকৰে বুলি ঈশ্বৰৰ সাক্ষাতে
প্ৰতিজ্ঞা কৰিলে, আৰু এতিয়া তেওঁলোকে আপোনাৰ
হয়ভৰৰ অপেক্ষাত আছে।"
২২তেতিয়া সেনাপতিয়ে সেই ডেকাজনক এই বুলি কৈ
বিদায় দিলে যে, "তুমি তেওঁলোকৰ এই ষড়যন্ত্ৰৰ কথা
মোক কলা বুলি কাকো নকবা।"

## পৌলক কৈচৰিয়ালৈ পঠিওৱা

২৩তেতিয়া সেনাপতিয়ে দুজন সেনাধক্ষ্যক মাতি
তেওঁলোকক ক'লে, "মোক কৈচৰিয়ালৈ যাবলৈ
কিছুলোক লাগে, গতিকে ২০০ সৈনিক তৈয়াৰ কৰা,
লগতে ৭০ জন অশ্বাৰোহী আৰু ২০০ জন যাঠী ধৰা লোক
যুগুত কৰি আজি নিশা ন বজাত যাবলৈ তৈয়াৰ হৈ থাকিবা।
২৪আৰু পৌলে উঠিবৰ বাবে কেইটামান ঘোৰা যুগুত ৰাখিবা,
যাতে তেওঁক নিৰাপদে ৰাজ্যপাল ফীলিক্সৰ ওচৰলৈ নিব
পৰা হয়।" ২৫আৰু সেনাপতিয়ে পৌলৰ বিষয়ে এই দৰে
এক পত্ৰ লিখিলে:

> ২৬মহা মহিম শ্ৰীযুক্ত ফীলিক্স ৰাজ্যপাললৈ ক্লৌদিয়
> লুচিয়ৰৰ,
>
> নমস্কাৰ গ্ৰহণ কৰক।
> ২৭কিছুমান যিহুদী লোকে এই লোক জনক ধৰি
> বধ কৰিবলৈ ষড়যন্ত্ৰ কৰিছিল, ; কিন্তু মই গম পালো
> যে তেওঁ এজন ৰোমীয়া নাগৰিক, সেই কাৰনে
> মই মোৰ সৈন্য সকলৰ সৈতে গৈ তেওঁক ৰক্ষা
> কৰিলো। ২৮তেওঁক এইদৰে কিয় দোষী কৰিছে
> তাক জানিবৰ বাবে মই তেওঁক তেওঁ লোকৰ
> মহাসভালৈ লৈ গলো। ২৯আৰু তাত মই এই দৰে
> গম পালো যে "যিহুদী সক'লে ক'লে এই লোক
> জনে কিবা দোষ লগা কাম কৰিছিল, কিন্তু এই এই
> ধাৰা বোৰ তেওঁলোকৰ নিজৰ যিহুদী বিধানৰ, তাত
> মৃত্যুৰ বা বন্দীত্বৰ কথা একো নাই!" ৩০মোক কোৱা
> হ'ল যে কিছুমান যিহুদী লোকে তেওঁক হত্যা
> কৰিবলৈ ষড়যন্ত্ৰ কৰিছে। সেই কাৰনে মই তেওঁক
> আপোনাৰ ওচৰলৈ পঠিয়াবলৈ চিন্তা কৰিলো। আৰু
> মই সেই যিহুদী সকলক তেওঁৰ বিৰোদ্ধে কি আছে
> তাকো আপোনাক কবলৈ কলো।

৩১তেতিয়া সৈনিক সকলক কোৱা অনুসাৰেই
তেওঁলোকে পৌলক সেই নিশাই আন্তিপাত্ৰি নগৰলৈ লৈ
গ'ল। ৩২পাচদিনা অশ্বাৰোহী সক'লে পৌলক লগত লৈ
কৈচৰিয়ালৈ গ'ল, কিন্তু আন সৈন্যসকল যাঠিধাৰী সৈনিকৰ
সৈতে যিৰুচালেমৰ সেনা বাহৰলৈ গ'ল। ৩৩অশ্বাৰোহী
সৈন্য সকল কৈচৰিয়ালৈ সোমাই আহি, ফিলীক্সৰ
ৰাজ্যপালক চিঠি খন দি পৌলক তেওঁৰ হাতত গতাই দিলে।
৩৪ৰাজ্যপালে পত্ৰ খন পঢ়ি পৌলক সুধিলে, "তুমি কোন
দেশৰ?" ৰাজ্যপালে গম পালে যে পৌল কিলিকিয়া দেশৰ।
৩৫তেতিয়া ৰাজ্য পালে ক'লে, "মই তোমাৰ কথা শুনিম,
যেতিয়া তোমাক দোষী সাব্যস্ত কৰা যিহুদী সকলো ইয়াত
থাকিব।" তাৰ পাচত ৰাজ্যপালে পৌলক হেৰোদ ৰজাৰ
দ্বাৰা নিৰ্ম্মাণ কৰা ৰাজ প্ৰসাদত থবলৈ আজ্ঞা দিলে।

## পৌলৰ বিৰোদ্ধে যিহুদী বিলাকৰ অভিযোগ

২৪ ১তাৰ পাঁচ দিনৰ পাচত মহাপুৰোহিত অননিয়ই
কৈচৰিয়া নগৰলৈ গ'ল। তেওঁ তেওঁৰ লগত
কিছুমান বৃদ্ধ যিহুদী নেতা আৰু তৰ্ত্তুল নামৰ এজন উকীলক
লগত আনিলে। তেওঁলোকে কৈচৰিয়ালৈ, ৰাজ্যপালৰ
ওচৰত পৌলৰ বিৰোদ্ধে অভিযোগ আনিবলৈ গ'ল।
২-৩পৌলক সভালৈ মাতা হ'লত তাৰ্ত্তুলে তেওঁৰ ওপৰত
গোচৰ জাপিবলৈ আৰম্ভ কৰিলে। তাৰ্ত্তুলে ক'লে, "মহা
মহিম ফীলিক্স, আমাৰ লোক সকলে আপোনাৰ জৰিয়তে
যথেষ্ট শান্তি উপভোগ কৰিছে, আৰু আমাৰ দেশত বহুতো
ভূল বিষয় আপোনাৰ জ্ঞানী পৰামৰ্শত শুদ্ধ কৰা হৈছে।
যাৰ বাবে আমি সকলোৱে আপোনালৈ কৃতজ্ঞতা স্বীকাৰ
কৰি থাকো। ৪কিন্তু মই এতিয়া আপোনাৰ বেচি সময়
লব নিবিচাৰি, মাত্ৰ কেইটামান কথাহে কওঁ। অনুগ্ৰহ কৰি
ধৈৰ্য্য সহ কাৰে শুনক। ৫এই লোক জন এজন হুলস্থুল
সৃষ্টি কাৰী লোক। তেওঁ যিহুদী সকলৰ সৈতে গোটেই
পৃথিৱীতে গণ্ডগুলৰ সৃষ্টি কৰিলে। তেওঁ নাচৰতীয় দলৰ
নেতা। ৬-৮লগতে তেওঁ আমাৰ মন্দিৰো অশুচি কৰিবলৈ
বিচাৰিছিল, কিন্তু আমি তেওঁক বাধা দিলো।[a] সেয়ে এই

[a] **২৪:৬-৮** কিছুমান গ্ৰীক লিপিত ৬খ-৮ক এনেদৰে আছেঃ আমাৰ নিজৰ বিধানমতে তেওঁক শাস্তি দিব বিচাৰিছিলো। ৭ কিন্তু সেনাপতি লেচিয়াচে বহুত সৈন্য লৈ আমাৰ পৰা তেওঁক লৈ গ'ল। ৮ লেচিয়াচে তেওঁ বিৰোধে গোচৰ থকাবিলাকত আপোনাৰ ওচৰলৈ আহিবলৈ ক'লে।

সকলো সঁচা হয় নে নহয় আপুনি নিৰ্ণয় লববলৈ, তেওঁক
নিজেই আপুনি কিছুমান প্ৰশ্ন কৰক।” ৯আন যিহুদী
সকলেও সন্মতি জনাই এই কথা সঁচা বুলি ক’লে।

## ফীলিক্সৰ আগত পৌলে নিজকে প্ৰতিৰক্ষা কৰা

১০তেতিয়া, ৰাজ্যপালে পৌলক কথা কবলৈ ইঙ্গিত কৰাত
পৌলে উত্তৰ দি ক’লে, ৰাজ্যপাল ফীলিক্স, মই জানো
আপুনি ভালে মান দিনৰ পৰাই এই জাতিৰ বিচাৰকৰ্ত্তা
হৈ আছে, সেয়ে মই আপোনাৰ আগত নিজকে প্ৰতিৰক্ষা
কৰিবলৈ পাই সুখী। ১১মই যিৰুচালেমলৈ মাত্ৰ বাৰ দিনৰ
আগে আৰাধানা কৰিবলৈ গৈছিলো। আপুনি নিজেই গম
পাব যে, এই কথা সত্য। ১২এই যিহুদী সকল, যি সকলে
মোক দোষী সাব্যস্ত কৰিছে তেওঁলোকে মোক কাৰো
সৈতে মন্দিৰত তৰ্ক কৰা বা লোক সকলৰ লগত হুলস্থুল
কৰা পোৱা নাই, আৰু মই নাম ঘৰ বা নগৰৰ কোনো ঠাইত
গণ্ডগুল বা তৰ্ক কৰা নাছিলো। ১৩আৰু এওঁলোকে এতিয়া
মোৰ বিৰোদ্ধে দিয়া অপবাদৰ কোনো প্ৰমাণ দিব নোৱাৰে।
১৪“কিন্তু মই আপোনাক এই কথা কওঁ যে, পথ পদৰ্শক
হিচাবে আমাৰ পুৰ্ব্বপুৰুষ সকলে উপাসনা কৰা সেই একেই
ঈশ্বৰৰ আৰাধানা কৰো, যি পথ যিহুদী সকলে সত্য নহয়
বুলি কয়, কিন্তু মোচিৰ বিধান ব্যৱস্থাত মোক যি সকলো
শিকোৱা হৈছে আৰু ভাৱবাদী সকলে লিখি থোৱা কথাত
মই বিশ্বাস কৰো। ১৫এই যিহুদী সকলৰ ঈশ্বৰত থকা যি
ভাৰষা, আৰু এই সকলো লোকৰ যি আশা যে, ভাল কি
বেয়া সকলোকে মৃত্যুৰ পৰা তোলা হব সেই একেই আশা
মোৰো আছে। ১৬সেই কাৰনে, ঈশ্বৰৰ সাক্ষাতে আৰু
সকলোৰে আগত যি উচিত বুলি মই বিবেচনা কৰো তাকে
কৰিবলৈ যত্ন কৰো।
১৭–১৮“মই বহু বছৰ যিৰুচালেমৰ পৰা আঁতৰত আছিলো,
আৰু মই মোৰ লোক সকলক সহায় কৰিবলৈ আৰ্থিক
সাহায্য বিচাৰি তালৈ পুনৰ গৈছিলো, মোৰ লগত মন্দিৰত
উৎসৰ্গ কৰিবলৈ কিছু উপহাৰো আছিল, এই সকলো
উতসৰ্গ কৰোতে কিছু যিহুদী লোকে মোক তাত দেখিছিল।
মই তাত এই সকলো শুচিকৃত পৰ্ব্ব শেষ কৰিলো, কিন্তু মই
একো গণ্ডগুল কৰা নাই আৰু কোনেও মোক ঘেৰি ধৰাও
নাই। ১৯কিন্তু তাত এচিয়াৰ কিছুমান যিহুদী লোক আছিল।
তেওঁলোক আপোনাৰ আগত ইয়াত থাকিব লাগিছিল, মই
যদি প্ৰকৃততে কিবা ভুল কৰিছিলো, তেওঁলোকেই মোক
দোষী সাবস্ত্য কৰিব লাগে, কাৰণ তেওঁলোকই তাত
আছিল। ২০এই লোক সকলক ইয়াত সোধক, যিৰুচালেমত
মহাসভাৰ আগত মই উপস্থিত হোৱাৰ সময়ত মোৰ কিবা
দোষ পাইছিল নেকি? ২১মই তেওঁলোকৰ আগত থিয়
হওঁতে কেৱল এটাই কথা চিঞৰি কৈছিলো “তোমালোকে
আজি মোৰ বিচাৰ কৰিছা কিয়নো মই বিশ্বাস কৰো যে
লোক সকল মৃত্যুৰ পৰা উঠিব”।
২২ফীলিক্সে ইতিমধ্যে সেই পথৰ বিষয়ে ভালকৈয়ে
বুজিলে। সেয়ে তেওঁ বিচাৰ কৰা বন্ধ কৰি ক’লে, “যেতিয়া
সেনাপতি লুচিঅ ইয়াত আহিব, তেতিয়া মই নিৰ্নয় লম
তোমাক কি কৰিব লাগিব।” ২৩ফীলিক্সে সেনাধক্ষ্যক
পৌলক পহৰাত ৰাখি, তেওঁৰ বন্ধু সকলে তেওঁ যি বিচাৰে
তাক দিবলৈ স্বাধীনতা দিবলৈ ক’লে।”

## ফিলিক্স আৰু তেওঁৰ ভাৰ্য্যাৰ লগত পৌলৰ কথা-বতৰা

২৪কেইদিন মানৰ পাচত ফীলিক্সে তেওঁৰ ভাৰ্য্যা দ্ৰুচিল্লাৰ
সৈতে আহিল যি এগৰাকী যিহুদী আছিল। ফীলিক্সে পৌলক
তেওঁৰ ওচৰলৈ মাতি অনালে। যীচু খ্ৰীষ্টক বিশ্বাস কৰাৰ
বিষয়ে পৌলে কোৱা কথা তেওঁ মনোযোগেৰে শুনিলে।
২৫কিন্তু ফীলিক্সে পৌলে উচিত কৰ্ম্ম কৰা, আত্ম সংযমত
থকা আৰু ভৱিষ্যতে হব লগা বিচাৰৰ বিষয়ে কোৱা কথাত
ভয় কৰি তেওঁ ক’লে, “এতিয়া আঁতৰি যোৱা, যেতিয়া মই
অধিক সময় পাম, তেতিয়া তোমাক মাতি পঠাম।” ২৬কিন্তু
ফীলিক্সে অন্য কাৰনেহে পৌলৰ লগত কথা হৈছিল, পৌলে
তেওঁক কিবা উৎকোচ দিব বুলি আশা কৰিছিল, সেই বাবে
তেওঁ প্ৰায়ে পৌলক মাতি পঠাই তেওঁৰ সৈতে কথা
হৈছিল।
২৭কিন্তু দুবছৰৰ পাচত পৰ্কিয় ফীষ্ট ৰাজ্যপাল হ’ল।
সেয়ে ফালিক্স আৰু ৰাজ্যপাল হৈ নাথাকিল, কিন্তু তেওঁ
যিহুদী সকলক সনেত্তাষ্ট কৰিবলৈ পৌলক বন্দীশালতে বন্দী
কৰি ৰাখিলে।

## পৌল কৈচৰৰ লগত দেখা কৰিবলৈ বিচাৰ

২৫ ১ফীষ্ট ৰাজ্যপাল হোৱাৰ তিনিদিনৰ পাচত তেওঁ
কৈচৰিয়াৰ পৰা যিৰুচালেমলৈ গ’ল। ২তাত
প্ৰধান পুৰোহিত আৰু মূখ্য যিহুদী নেতা সকলে ফীষ্টৰ আগত
পৌলৰ বিৰোদ্ধে অপবাদ জনালে। ৩তেওঁলোকে ফীষ্টক
তেওঁলোকৰ পক্ষ লবলৈ বিনয় কৰিলে, তেওঁ পৌলক যেন
যিৰুচালেমলৈ উভটাই পঠিয়াই, কিয়নো তেওঁলোকে বাটত
পৌলক বধ কৰিবলৈ ষড়যন্ত্ৰ কৰিছিল। ৪কিন্তু ফীষ্টে উত্তৰ
দিলে, “নহয়, পৌলক কৈচৰিয়াতে ৰখা হব, মই নিজেই
সোনকালে তালৈ যাম। ৫আৰু তোমালোকৰ নেতা সকলো
মোৰ লগত যাব পাৰে, যদি এই লোক জনে সঁচাকৈয়ে কিবা
ভূল কৰিছে, তেওঁলোকে তাত তেওঁক দোষীব পাৰিব।”
৬ফীষ্টি যিৰুচালেমত আৰু আঁঠ-দহ দিন মান থাকি তাৰ
পাচত কৈচৰিয়ালৈ গ’লগৈ। তাৰ পাচ দিনা ফীষ্টে সৈন্য
সকলক পৌলক তেওঁৰ আগলৈ আনিবলৈ ক’লে, ফীষ্ট
বিচাৰৰ আসনত বহি আছিল। ৭পৌল বিচাৰ কোঠালৈ
আহিলত, যিৰুচালেমৰ পৰা অহা যিহুদী সকলে তেওঁৰ
চাৰিওফালে থিয় হৈ তেওঁৰ বিৰোদ্ধে বহুতো গুৰুতৰ
অভিযোগ ডাঙি ধৰিলে, কিন্তু তেওঁলোকে একো প্ৰমান
দিব নোৱাৰিলে ৮তেতিয়া পৌলে নিজকে প্ৰতি ৰক্ষা কৰি
এইদৰে ক’লে, “মই যিহুদী সকলৰ বিধান-ব্যৱস্থাৰ বিৰোদ্ধে,
মন্দিৰৰ বিৰোদ্ধে, বা চিজাৰৰ বিৰোদ্ধে একো অপৰাধ কৰা
নাই।”

৯কিন্তু ফীষ্টে যিহুদী সকলক সন্তোষ্ট কৰিব বিচাৰি পৌলক
সুধিলে, “তুমি কি যিৰুচালেমলৈ গৈ এইবোৰ অপবাদৰ
বাবে মই তাতেই বিচাৰ কৰাটো ইচ্ছা কৰা নেকি?”
১০পৌল ক’লে, “মই এতিয়া কৈচৰৰ সোধৰ আসনত
থিয় আছোঁ, ইয়াতে মোৰ বিচাৰ হোৱাটো বিচাৰো, আৰু
লগতে মই যিহুদী সকলৰ বিৰোদ্ধে একো অপৰাধ কৰা নাই,
ইয়াক আপুনি জানে। ১১মই যদি কোনো অপৰাধ কৰিছো
বুলি বিধানে যদি, মই মৃত্যু হব লাগে বুলি কয়, তেন্তে মই
নিশ্চয়ে মৃত্যু বৰন কৰিবলৈকো সন্মত, মই মৃত্যুৰ পৰা
ৰক্ষা পাবলৈ বিচৰা নাই। কিন্তু যদি এই অপবাদ বোৰ সঁচা
নহয়, তেনে হলে কোনেও মোক এই লোক সকলৰ হাতত
গতাই দিব নোৱাৰে, গতিকে কৈচৰে মোৰ অপবাদ শুনাটো
মই ইচ্ছা কৰো!”
১২তেতিয়া ফীষ্টে তেওঁৰ পৰামৰ্শদাতা সকলৰ লগত
এই বিষয়ে কথা পাতি ক’লে, “তুমি কৈচৰৰ ওচৰলৈ যাব
বিচাৰিছা, গতিকে তুমি কৈচৰলৈ যোৱা।”

### ফীষ্টে অগ্ৰীপ্প ৰজাক পৌলৰ বিষয়ে জনোৱা

১৩কিছুমান দিনৰ পাচত অগ্ৰীপ্প ৰজা আৰু বাৰ্ণিচ কৈচৰলৈ
ফীষ্টক লগ কৰিবলৈ আহিল। ১৪তেওঁলোকে তাত ভালেমান
দিন থাকিল, আৰু ফীষ্টে ৰজাক পৌলৰ গোচৰৰ বিষয়ে
জনালে তেতিয়া ফীষ্টে ক’লে, “কোনো এজন মানুহক
ফেলিক্সে বন্দীশালত এৰি থৈ গৈছিল। ১৫মই যেতিয়া
যিৰুচালেমলৈ গৈছিলো, সেই সময়ত প্ৰধান পুৰোহিত
আৰু বৃদ্ধ যিহুদী সকলে তেওঁৰ বিৰোদ্ধে অপবাদ দিলে।
তেওঁলোকে মই তেওঁক মৃত্যু দণ্ড বিহাতো বিচাৰিছিল।
১৬কিন্তু মই তেওঁলোকক কলো কোনোজনক কিবা অপৰাধ
কৰাৰ বাবে যদি দোষী কৰা হয় তেন্তে ৰোমীয় সক’লে
তেওঁক আনৰ ওচৰত বিচাৰৰ বাবে গতাই নিদিয়ে, প্ৰথমে
তেওঁক দোষী সাব্যস্ত কৰা সকলৰ সন্মুখীন কৰোৱা হয়,
আৰু তেওঁক তেওঁলোকে কৰা অপবাদ বোৰৰ পৰা নিজকে
প্ৰতি ৰক্ষা কৰিবলৈ সুযোগ দিয়া হয়।
১৭“সেই বাবে যেতিয়া এই যিহুদী সকল বিচাৰৰ
কাৰনে আহিল, মই সময় খৰচ নকৰি সোধৰ আসনত বহি
পৌলক আনিবলৈ আজ্ঞা দিলো। ১৮তেতিয়া যিহুদী সকলে
উঠি তেওঁক দোষী সাব্যস্ত কৰিলে। কিন্তু তেওঁলোকে
তেওঁৰ ওপৰত মই ভবাৰ দৰে কোনো অপবাদ নানিলে।
১৯তেওঁলোকৰ অপবাদবোৰ তেওঁলোকৰ নিজৰ ধৰ্ম্মৰ
বিষয়ে আৰু এজন ব্যক্তিৰ বিষয়ে, যাৰ নাম যীচু। যীচুৰ
মৃত্যু হ’ল, কিন্তু পৌলে কৈছিল তেওঁ এতিয়াও জিৱীত।
২০মই এই বিষয়ে কেনে ধৰনৰ বিচাৰ কৰিব লাগিছিল,
বুজিব নোৱাৰি পৌলক সুধিলো তুমি যিৰুচালেমলৈ গৈ
তাতে বিচাৰৰ সন্মুখীন হব ইচ্ছা কৰা নেকি?’ ২১কিন্তু
পৌলে কৈচৰতে থাকাৰ ইচ্ছা প্ৰকাশ কৰি, সম্ৰাটৰ পৰা
এক সিদ্ধান্ত বিচাৰিলে। সেই কাৰনে তেওঁ কৈচৰিয়ালৈ
নোযোৱা লৈকে মই তেওঁক ৰোমত ৰাখিবলৈ আজ্ঞা
দিলো।”
২২তেতিয়া অগ্ৰীপ্পই ফীষ্টক ক’লে, “ময়ো এই লোক
জনৰ বিষয়ে শুনিবলৈ ইচ্ছা কৰো”
ফীষ্টে তেতিয়া ক’লে, “কাইলৈ তেওঁৰ বিষয়ে শুনিব
পাৰিব।”
২৩তাৰ পাচ দিনা অগ্ৰীপ্প আৰু বাৰ্ণীচে, এক বিশেষ
ব্যক্তিৰ দৰে অভিনয় কৰি সভালৈ আহিল। তেওঁলোকে
সেনাৰ নেতা সকল আৰু চহৰৰ প্ৰধান ব্যক্তি সকলে সৈতে
সভা কক্ষলৈ সোমাল। তাতে, ফীষ্টে সৈনিক সকলক
পৌলক উলিয়াই আনিবলৈ আজ্ঞা দিলে।
২৪তেতিয়া ফীষ্টে ক’লে, “অগ্ৰীপ্প ৰজা আৰু আমাৰ
লগত ইয়াত একত্ৰিত আপোনালোক আটায়ে এই লোক
জনক চাওক। এই লোক জনৰ বিষয়ে মোক, ইয়াত আৰু
যিৰুচালেমত নিবাস কৰা সকলো যিহুদী লোকে, অভিযোগ
কৰিছে, যেতিয়া তেওঁৰ বিষয়ে অভিযোগ কৰি আছিল
তেতিয়া তেওঁলোকে তেওঁক হত্যা কৰিব লাগে বুলি
চিঞৰিছিল। ২৫মই যেতিয়া তেওঁৰ বিচাৰ কৰিলো তেতিয়া
মৃত্যু জনিত কোনো অপৰাধ তেওঁত নাপালো। তেওঁ কিন্তু
কৈচৰত বিচাৰৰ কথা কৈছিল, গতিকে মই তেওঁক ৰোমলৈ
পঠিয়াবলৈ সিদ্ধান্ত ললো। ২৬যি কি নহওক মই আচলতে
কৈচৰক তেওঁৰ বিষয়ে কি গোচৰ আনিম বুজি নাপালো,
সেই বাবে এতিয়া এওঁক আপোনালোক সকলোৰে আগলৈ
বিশেষকৈ অগ্ৰীপ্প ৰজা আপোনাৰ আগলৈ আনিছো, মই
ইচ্ছা কৰিছো আপুনি তেওঁক প্ৰশ্ন কৰি কৈচৰলৈ লিখিবলৈ
মোক কিবা দিয়ক ২৭কিয়নো মই ভাবো এজন বন্দীক একো
জগৰীয়া নকৰাকৈ কৈচৰলৈ পঠোৱাটো মূৰ্খামী”

২৬ ১অগ্ৰীপ্পই তোতিয়া পৌলক ক’লে, “এতিয়া
তুমি নিজৰ পক্ষে কব পাৰা।” তেতিয়া পৌলে
তেওলোকৰ মনোযোগ আকৰ্ষন কৰিবলৈ হাত জোকাৰি
কবলৈ ধৰিলে। ২“হে অগ্ৰীপ্প ৰজা, মই ভাবো, আজি মই
আপোনাৰ সন্মুখত যিহুদী সকলে মোৰ বিৰোদ্ধে অনা
সকলো অভিযোগৰ উত্তৰ দিবলৈ পোৱাতো মোৰ বাবে এক
আশীৰ্ব্বাদ। ৩সেয়ে মই আপোনাৰ লগত কথা পাতিবলৈ
পোৱাত বৰ আনন্দিত, কিয়নো আপুনি যিহুদী সকলৰ
সকলো নীতি নিয়মৰ বিষয়ে ভালকৈয়ে জানে আৰু ইয়াৰ
বিতৰ্কৰ বিষয়েও জানে, এতিয়া মোৰ কথা ধৰ্য্যৰে শুনক।
৪“সকলো যিহুদী লোকে মোৰ সমগ্ৰ জীৱনৰ বিষয়ে
জানে। মই আৰম্ভনীৰে পৰা কেনে দৰে মোৰ নিজৰ দেশত
আৰু তাৰ পাচত যিৰুচালেমত আছিলো তাক তেওঁলোকে
জানে। ৫এই যিহুদী সকলে মোক বহু দিনৰ পৰাই জানে
.তেওঁলোকে ইচ্ছা কৰিলে কব পাৰে, মই এজন ভাল
ফৰীচী আছিলো আৰু ফৰীচী সকলে আন সকলতকৈ
যিহুদী ধৰ্ম্মৰ নীতি নিয়ম অধিক সাৱধানে পালন কৰে।
৬এতিয়া মই বিচাৰাধীন কিয়নো ঈশ্বৰে আমাৰ ওপৰ পিতৃ
সকললৈ কৰা প্ৰতিজ্ঞাৰ প্ৰতি মই আশাবাদী। ৭এই প্ৰতিজ্ঞা,
যি আমাৰ আটাই বাৰ ফৈদৰ লোক সক’লে পাবলৈ আশা
কৰাছিল, এই আশাৰ বাবেই যিহুদী সক’লে ঈশ্বৰৰ সেৱা
দিনে নিশাই কৰিছিল মহাৰাজ, যিহুদী সক’লে মোক

দোষী কৰিছে, কাৰণ মই সেই একে প্ৰতিজ্ঞাৰ আশাবাদী
৮আপোনালোক সকলোৱে, লোক সকলক মৃত্যুৰ পৰা
তোলা ঈশ্বৰৰ বাবে অসম্ভব বুলি কিয় ভাবে? ৯মই
ভাবিছিলো, নাচৰতীয় যীচুৰ বিৰোদ্ধে যিমান কৰিব পাৰো.
কৰিম ১০আৰু এই দৰে যিৰুচালেমৰ পৰাই যিমান পাৰো
আৰম্ভ কৰিলো, এনেতে প্ৰধান পুৰোহিতে মোক ঈশ্বৰৰ
লোক সকলক বন্দীশালত থবলৈ অধিকাৰ দিলে, আৰু
যেতিয়াই লোক সকলক বধ কৰা হয় এইয়া উচিত বুলি
সন্মত হওঁ। ১১মই সকলো নাম ঘৰলৈ গৈ লোকসকলক
শাস্তি বিহো আৰু তেওঁলোকক যীচুক অভিশাপ[a] দিয়াবলৈ
চেষ্টা কৰো। মোৰ ক্ৰোধ এই লোক সকলৰ প্ৰতি ইমান
প্ৰবল আছিল যে মই তেওঁলোকক আন নগৰলৈ বিচাৰি
গৈ শাস্তি বিহিছিলো।

## পৌলে যীচুৰ দৰ্শন লাভ কৰা

১২“এবাৰ মোক অধিকাৰী আৰু প্ৰধান পুৰোহিতে দম্মেচক
নগৰলৈ যাবলৈ অনুমতি দিলে। ১৩তালৈ যোৱাৰ পথত,
দুপৰীয়া মই স্বৰ্গৰ পৰা সূৰ্য্যতকৈয়ো উজ্জ্বল এক পোহৰ
অহা দেখিলো, এই পোহৰ মোৰ আৰু মোৰ লগত যোৱা
সকলৰ চাৰিওফালে প্ৰকাশিত হ’ল। ১৪আৰু আমি আটায়ে
মাটিত পৰি গলো, তেনেতে মই ইব্ৰী ভাষাত মোলৈ কোৱা
এক মাত শুনিলো, “হে চৌল, হে চৌল, মোক কিয় তাড়না
কৰিছা? মোৰ লগত যুজ কৰি তুমি কেৱল নিজৰে হানি
কৰিছা।
১৫“তেতিয়া মই কলো, ‘প্ৰভু, আপুনি কোন?’
“প্ৰভুৱে ক’লে, ‘মই যীচু, মইয়ে সেইজন যাক তুমি
তাড়না কৰিছা। ১৬এতিয়া উঠা, মোৰ সেৱক হবলৈ মই
তোমাক মনোনিত কৰিলো, তুমি আজি যি দেখিলা আৰু
আগলৈ যি সকলো দেখুৱাম, তাৰ বিষয়ে তুমি লোক সকলক
কবা। এই বাবে মই তোমাৰ ওচৰলৈ আহিলো। ১৭মই
তোমাক তোমাৰ নিজ লোক সকলৰ পৰা আৰু অযিহুদী
সকলৰ পৰা, যি সকললৈ তোমাক পঠালো, তেওঁলোকৰ
পৰা তোমাক ৰক্ষা কৰিম। ১৮তুমি তেওঁলোকক সত্যৰ
বিষয়ে বুজিবলৈ সমৰ্থবান কৰাবা, তেওঁলোক অন্ধকাৰৰ
পৰা পোহৰলৈ ঘূৰিব আৰু চয়তানৰ প্ৰতাপৰ পৰা ঈশ্বৰলৈ
ঘূৰিব, তেতিয়া তেওঁলোকে পাপ সমূহৰ পৰা ক্ষমা পাব
পাৰিব, আৰু যি সকলক, মোৰ কথাত বিশ্বাস কৰাৰ দ্বাৰাই
পবিত্ৰ কৰা হ’ল তেওঁলোকক ঈশ্বৰৰ লোক সকলৰ সহিত
স্থান দিয়া হব।”

## পৌল তেওঁৰ কৰ্ম্মৰ সম্বন্ধে কোৱা

১৯পৌলে কৈয়ে থাকিল, “হে অগ্ৰীপ্প ৰজা, মই স্বৰ্গৰ পৰা
দৰ্শন পোৱাৰ পাচত ইয়াক স্বীকাৰ কৰি ললো। ২০আৰু
লোক সকলক তেওঁলোকৰ হৃদয় আৰু জীৱন সলনি কৰি
ঈশ্বৰলৈ ঘূৰিবলৈ কব আৰম্ভ কৰিলো। লগতে তেওঁলোক
যে সঁচাকৈয়ে সলনি হৈছে তাক কিবা এক কৰি প্ৰকাশ কৰি
দেখুৱাবলৈ কলো। মই প্ৰথমতে দম্মেচকৰ লোক সকলৰ
ওচৰলৈ গলো। তাৰ পাচত যিৰুচালেম আৰু যিহুদীয়াৰ
প্ৰতিটো ভাগলৈ গৈ লোক সকলৰ মাজত ঘোষনা কৰিলো।
মই অযিহূদী সকলৰ ওচৰলৈও গৈছিলো।
২১“এই কাৰণেই যিহূদী লোক সকলে মোক গতিয়াই
মন্দিৰত বধ কৰিবলৈ চেষ্টা কৰিছিল। ২২কিন্তু ঈশ্বৰে মোক
সহায় কৰিলে আৰু আজিও ঈশ্বৰৰ সহায়ত মই ইয়াত
থিয় হৈ যি দেখিলো, তাক সকলো লোককে কৈছো।
মই কিন্তু নতুন একো কথা কোৱা নাই। কেৱল মোচি
আৰু ভাৱবাদীয়ে কোৱা, ঘটিবলগীয়া কথাহে কৈছো।
২৩তেওঁলোকে কৈছিল যে, মচীহৰ মৃত্যু হব আৰু মৃত্যুৰ
পৰা প্ৰথমেই জী উঠিব। তেওঁলোকে এইটোও কৈছিল যে,
যিহুদী আৰু অযিহুদী সকললৈ, তেওঁ ঈশ্বৰৰ পৰা উদ্ধাৰৰ
প্ৰকৃত সত্যৰ[b] পোহৰ আনিব।”

## পৌলে অগ্ৰীপ্প ৰজাক পতিয়ন নিয়াবলৈ চেষ্টা কৰা

২৪পৌলে নিজকে প্ৰতিৰক্ষা কৰি থকাৰ সময়তে, ফীষ্টে
চিঞৰি ক’লে, “পৌল তুমি বলিয়া হলা, অতিপাত বিদ্যাই
তোমাৰ বিভ্ৰান্তি জন্মাইছে। !”
২৫তেতিয়া পৌলে ক’লে, “পৰম সন্মানীয় ফীষ্ট, মোৰ
বিভ্ৰান্তি হোৱা নাই, মই যি কৈছো সত্য কৈছো এই
সকলোবোৰৰ সঠিক যথাৰ্থ আছে। ২৬অগ্ৰীপ্প ৰজাই এই
সকলো বোৰৰ বিষয়ে জানে, আৰু মই মুকলিকৈ তেওঁৰ
লগত কথা পাতিব পাৰো। মই জানো যে তেওঁ এই বোৰৰ
বিষয়ে শুনিছে কিয়নো এইবোৰ বিষয় যি ঠাইত ঘটিল
সকলোৱে দেখাকৈয়ে ঘটিল।” ২৭অগ্ৰীপ্প ৰজা, যি কথা
ভাৱবাদীসকলে লিখি থৈ গ’ল তাত আপুনি বিশ্বাস কৰে
নে? মই জানো আপুনি বিশ্বাস কৰে
২৮তেতিয়া ৰজা অগ্ৰীপ্পই পৌলক ক’লে, “তুমি কি মোক
ইমান সহজে যীচুৰ অনুগামী হবলৈ পতিয়ন নিয়াবলৈ
বিচাৰিছা নেকি?”
২৯পৌল ক’লে, “ই সহজেই হওক বা টানেই হওক মোৰ
ওপৰত ইয়াৰ কোনো প্ৰভাব নপৰে, মই কেৱল ঈশ্বৰৰ
ওচৰত প্ৰাৰ্থনাহে কৰো, অকল আপুনিয়ে নহয়, কিন্তু আজি
যি সকলোৱে মোৰ কথা শুনিছে তেওঁলোকে যেন উদ্ধাৰ
পায় আৰু মোৰ দৰে হয়, কেৱল মাত্ৰ তেওঁৰ যেন এই দৰে
শিকলীহে নাথাকে!”
৩০তেতিয়া ৰজা অগ্ৰীপ্প, ৰাজ্যপাল ফীষ্ট, বাৰ্ণীচ আৰু
তাত বহি থকা সকলোৱে থিয় হৈ উঠি ৩১সেই কোঠাৰ পৰা
ওলাই তেওঁলোকে ইজনে সিজনে কথা পাতি ক’লে, এই
লোক জনে মৃত্যু বৰণ কৰিবলগীয়া বা বন্দীশালত থবলগীয়া
কোনো অপৰাধ কৰা নাই। ৩২অগ্ৰীপ্প ৰজাই তেতিয়া ফীষ্টক
ক’লে, “আমি তেওঁক মুকলি কৰি এৰি দিব পাৰো, কিন্তু
কৈচৰক দেখা কৰি যাবলৈ তেওঁক কোৱা হওক।”

[a] **২৬:১১ অভিশাপ** প্ৰকৃতাৰ্থত “ঈশ্বৰ বিৰোধ কৰাবলৈ” তেওঁলোকে যীচুক বিশ্বাস নকৰো বুলি কবলৈ বাধ্য কৰোৱা।

[b] **২৬:২৩ সত্যৰ … আনিব** প্ৰকৃতাৰ্থত পোহৰক ঘোষণা কৰা।

### ৰোমলৈ পৌলৰ জল যাত্ৰা

**২৭** ১আমি ইটালি লৈ যাবলৈ নিৰ্ণয় লোৱাত
জূলিয়াচ নামৰ এজন সেনাধক্ষ্য, যি সম্রাটৰ
বিশেষ সৈন্যত সেৱা কৰিছিল, তেওঁক পৌল আৰু আন
বন্দী সকলক যাত্ৰাৰ সময়ত পহৰা দিবলৈ ভাৰ দিয়া হ'ল,
২আদ্ৰামূত্তীয়াৰ চহৰৰ পৰা আহি এচিয়াৰ বিভিন্ন প্ৰান্তলৈ
যাবলৈ যুগুত থকা এখন জাহাজত আমি উঠিলো।
থিচলনিকীৰ মাকিদনিয়া চহৰৰ আৰিষ্টাৰ্খো নামৰ এজন
লোকো আমাৰ লগত গৈছিল।
৩পাছদিনা আমি চিদোন চহৰ আহি পালো। জূলিয়াচ
পৌলৰ লগত বৰ ভাল আছিল, তেওঁ পৌলক তাত তেওঁৰ
বন্ধু সকলক দেখা কৰিবলৈ স্বাধীনতা দিলে, যি সক'লে
তেওঁৰ সকলো লাগতিয়াল বস্তু তেওঁক দিলে। ৪তাৰ পাচত
আমি সেই চহৰ এৰি কুপ্ৰ দ্বীপৰ ওচৰলৈ গলো কিয়নো
বতাহ আমাৰ বিপৰিতে বলিছিল। ৫আমি সমূদ্ৰেয়েদি
কিলিকিয়া আৰু পাম্ফুলিয়া হৈ, পাৰ হৈ গলো তাৰ পাচত
লুকিয়া দেশৰ মুৰা নগৰ আহিলো। । ৬তাতে সেনা ধক্ষ্যই
আলেকজেন্দ্ৰীয়াৰ নগৰৰ পৰা ইটালী লৈ যোৱা এখন
জাহাজ পাই, তেওঁ আমাক তাত তুলি দিলে।
৭আমি লাহে লাহে বহু দিনলৈকে গৈ থাকিলো। আমি
ক্নীদ চহৰলৈ যোৱাটো কষ্টকৰ আছিল, কাৰণ বতাহ আমাৰ
বিপৰীতে বলিছিল, সেয়ে সেই পথেদি বৰকৈ আগুৱাই
যাব নোৱাৰি আমি চালমণিৰ কাষেদি ক্ৰিতী দ্বীপৰ দক্ষিন
দিশেদি গলো। ৮আমি সমূদ্ৰৰ দাঁতিয়েদি গলো কিন্তু ই বৰ
কষ্টকৰ আছিল। তাৰ পাচত আমি লাচেয়া চহৰৰ নিৰাপদ
বন্দৰলৈ আহিলো।
৯এইদৰে আমি অনেক সময় নষ্ট কৰিলো, আৰু এতিয়া
যাত্ৰা কৰাটো বিপদজনক হ'ল, কিয়নো এতিয়া যিহুদী
সকলৰ উপবাসৰ[a] পৰৱৰ্ত্তি দিন হৈ গ'ল সেই বাবে পৌলে
তেওঁলোকক সতৰ্ক কৰি দিলে, ১০"মহাশয়, মই দেখিছো যে,
আমাৰ এই যাত্ৰাত অশেষ কষ্ট হব। এই জাহাজ আৰু ইয়াত
থকা সকলো বস্তুৰ আনকি আমাৰ জীৱনৰো হানি হব পাৰে।"
১১কিন্তু সেনাপতি আৰু জাহাজৰ গৰাকীয়ে পৌলৰ কথাত
সন্মত নহ'ল, সেই বাবে পৌলক বিশ্বাস কৰাৰ পৰিৱৰ্ত্তে
সেনা ধক্ষ্যই তেওলোকৰ কথাহে মানি ললে। ১২তাৰোপৰি
সেই বন্দৰ, শীত কালত জাহাজ ৰাখিবলৈ সঠিক স্থান নহয়,
সেই বাবে অধিকাংশ লোকে তাতে থাকিবলৈ নিৰ্ণয় ললে।
সেয়ে তেওঁলোক ফৈনিক গৈ পাবলৈ ইচ্ছা কৰিছিল, যত
শীত কালত জাহাজ খন ৰাখিব পৰা গ'ল হয়। ফৈনিক ক্ৰিতী
দ্বিপৰ এখন চহৰ। ইয়াত এখন দক্ষিন পশ্চিম আৰু উত্তৰ
পশ্চিম মুখাকৈ এক সমতল আছে।

### ধূমূহা-বতাহ

১৩তেতিয়া দক্ষিন দিশৰ পৰা এজাক ভাল বতাহ বলিবলৈ
আৰম্ভ কৰাত জাহাজত থকা লোক সকলে ভাবিলে, "এনে
ধৰনৰ বতাহৰেই আমাৰ প্ৰযোজন আছিল, আৰু এতিয়া
আমি তাকে পাইছো।" সেই বাবে তেওঁলোকে জাহাজৰ
লঙ্গৰ টানি উঠালে আৰু আমি ক্ৰিতী দ্বীপৰ নিচেই কাষ
চাপিলো ১৪কিন্তু তেতিয়াই এক শক্তিশালী 'উৰাকুলো'
নামৰ এক বতাহ দ্বীপেদি আহিল। ১৫এই ধূমুহাই জাহাজ
খন উটুৱাই লৈ গ'ল তাতে জাহাজ খন বতাহৰ বিপৰীতে
আগুৱাই যাব নোৱাৰিলে গতিকে আমি চেষ্টা কৰা এৰি
ধূমুহাই আমাক উৰাই নিবলৈ এৰি দিলো।
১৬তাৰ পাচত আমি ক্লৌদা নামৰ এক সৰু দ্বীপৰ তলেদি
পাৰ হলো, এই দ্বীপৰ নিৰাপত্তাত আমি ধূমুহাৰ পৰা পাৰ
হোৱাত জীৱন ৰক্ষক নৌকা উলিয়াবলৈ সমৰ্থ হলো। কিন্তু
ইয়াক কৰাত যথেষ্ট কষ্ট হৈছিল ১৭লোক সকলে এই জীৱন
ৰক্ষক নৌকা সোলোকাই অনাৰ পাচত তেওঁলোকে ইয়াক
জাহাজৰ লগত সংলগ্ন কৰিবলৈ ৰছীৰে বান্ধিলে। লোক
সকলে চুৰ্টিৰ বালি চাপৰিত জাহাজ খনে খুন্দা মাৰিব পাৰে
বুলি চিন্তা কৰিছিল, গতিকে তেওঁলোকে পাল নমাই বতাহে
জাহাজ খন বলাই নিবলৈ এৰি দিলে
১৮পাচ দিনা আমাৰ বিপৰীতে ধূমূহা ইমান প্ৰবল হ'ল
যে লোক সকলে জাহাজৰ পৰা কিছুমান বস্তু বাহিৰলৈ
পেলাই দিলে। [b] ১৯তাৰ এদিন পাচত জাহাজৰ সঁজুলি
বোৰো দলিয়াই দিলে। ২০আৰু আমি ভালেমান দিন সূৰ্য্য
কি তৰা একো নেদেখিলো, ধূমুহা ইমান ভয়ঙ্কৰ হ'ল যে
আমাৰ জীয়াই থকাৰ আশা হেৰাই গ'ল, তেতিয়া আমি
ভাবিলো আমাৰ মৃত্যু হব।
২১লোক সকলে ভালেমান দিন একো খোৱা নাই। সেই
বাবে এদিন পৌলে তেওঁলোকৰ আগত থিয় হৈ ক'লে,
"ৰাইজ সকল মই আপোনালোকক ক্ৰিতী এৰি আহিবলৈ
বাধা দিছিলো, আপোনালোকে মোৰ কথা শুনা হলে এই
সকলো বোৰ গণ্ডগুল বা হানি নহ'ল হয়। ২২কিন্তু এতিয়া
মই আপোনালোকক আনন্দ কৰিবলৈ কওঁ, কিয়নো
আপোনালোকৰ কাৰো মৃত্যু নহয়, কেৱল জাহাজ খনৰ
হে হানি হব। ২৩কাৰণ মই যি ঈশ্বৰৰ উপাসনা কৰো সেই
ঈশ্বৰৰ এজন দুতে ২৪যোৱা কালি ৰাতি মোৰ ওচৰলৈ আহি
ক'লে, 'পৌল ভয় নকৰিবা! তুমি নিশ্চয়কৈ কৈচৰৰ আগত
থিয় হব লাগিব। আৰু ঈশ্বৰে তোমালৈ এই প্ৰতিজ্ঞা কৰিছে
যে, তেওঁ তোমাৰ লগত যাত্ৰা কৰা সকলোৰে প্ৰাণ ৰক্ষা
কৰিব।' ২৫সেয়ে ৰাইজ সকল, চিন্তাৰ কোনো কাৰণ নাই,
মই ঈশ্বৰত ভাৰসা ৰাখো আৰু মই নিশ্চিত যে, দূতে মোক
কোৱাৰ দৰেই সকলো ঘটিব। ২৬কিন্তু আমাৰ জাহাজ খন
এটা দ্বীপত খূন্দা খাব।"
২৭এইদৰে চৌদ্ধ দিনৰ নিশা আদ্ৰীয়া সমূদ্ৰত ধূমূহাই
আমাক ইফালে সিফালে বলাই থাকোতে নাবিক সক'লে
আমি স্থলৰ কাষ পাইছো বুলি ভাবি ২৮তেওঁলোকে এডাল
ৰচীৰ অন্তিম ভাগত এক ওজন আঁৰি সাগৰত পেলাই দিলে

[a] **২৭:৯ উপবাসৰ দিন।** প্ৰায়চিত্ত দিন। বছৰ শেষৰ যিহুদী সকলৰ এক গুৰুত্বপূৰ্ণ দিন। এই সময়চোৱাত সাগৰত বেয়া ধুমুহা বয়।

[b] **২৭:১৮ জাহাজৰ পৰা ... পেলাই দিলে** ই জাহাজ খন ডুবি নাযাবৰ বাবে লঘু কৰে।

তাতে তেওঁলোকে পানীৰ গভীৰতা ১২০ ফুট[a] পালে, আকৌ
অলপ আগুৱাই গৈ পুনৰ ৰচী ডাল পেলাই এই বাৰ ৯০
ফুট[b] গভীৰ পালে। ২৯তেতিয়া নাবিক সক'লে ভয় কৰিলে
আমি কিজানিবা শিলত খূন্দা মাৰো, সেয়ে তেওঁলোকে
চাৰিটা লঙ্গৰ সমূদ্ৰত পেলাই দিলে। তাৰ পাচত দিনৰ
পোহৰ হবলৈ প্ৰৰ্থনা কৰিলে। ৩০তেতিয়া কেইজনমান
নাবিকে কিন্তু জাহাজ খন এৰি যাবলৈ বিচাৰি জীৱন নৌকা
পানীলৈ নমাই দিলে, তেনেতে আন লোক সকলে ভাবিলে,
তেওঁলোকে হয়তো জাহাজৰ সন্মুখৰ ফালৰ পৰা লঙ্গৰ
নমাইছে ৩১কিন্তু পৌলে সেনাধক্ষ্যক আৰু আন সৈনিক
সকলক ক'লে, "এই লোকসমূহ যদি জাহাজত নাথাকে,
তেন্তে আপোনালোকে জীয়াই থকাৰ আশা হেৰুৱাই দিব।"
৩২গতিকে সৈনিক সকলে সেই ৰচী কাটি জীৱন নৌকা
পানীত পৰিবলৈ এৰি দিলে।

৩৩তাৰ পাচত ঠিক দোকমোকালিৰ আগতে পৌলে
সকলোকে কিছু খাদ্য গ্ৰহণ কৰিবলৈ হেঁচা দি ক'লে,
"যোৱা দুটা সপ্তাহে আপোনালোকে অপেক্ষা কৰি চাই
আছে, আৰু এই চৌদ্ধ দিনে একো খোৱা নাই ৩৪এতিয়া
মই আপোনালোকক কিবা খাবলৈ অনুৰুধ কৰিছোঁ কিয়নো
আপোনালোক জীয়াই থাকিব লাগিব আপোনালোকৰ
কোনেও এডাল মুৰৰ চুলিও নেহেৰুৱাব।" ৩৫এই কথা
কোৱাৰ পাচত পৌলে অলপ পিঠা লৈ ঈশ্বৰক ইয়াৰ বাবে
সকলোৰে আগত ধন্যবাদ দিলে আৰু ভাঙি টুকুৰা কৰি
খাবলৈ আৰম্ভ কৰিলে। ৩৬তেতিয়া সকলোৰে সকাহ পাই
খাবলৈ আৰম্ভ কৰিলে। ৩৭(তাত ২৭৬ জন মানুহ জাহাজত
আছিল।) ৩৮আমি ইচ্ছা অনুযায়ী খালো, তাৰ পাচত আমি
জাহাজ খন পাতল হবলৈ শষ্য বোৰ সমূদ্ৰত পেলাই দিলো।

### জাহাজখন বিনষ্ট হ'ল

৩৯যেতিয়া দিনৰ পোহৰ হ'ল, তেতিয়া নাবিক সক'লে
মাটী দেখিবলৈ পালে কিন্তু সেইয়া কি ঠাই গম নাপালে।
তেওঁলোকে পাৰত এক সমতল স্থান দেখি, যিমান পাৰে
জাহাজ খন সমতললৈ নিবলৈ চেষ্টা কৰিলে। ৪০গতিকে
তেওঁলোকে লঙ্গৰৰ ৰচী কাটি সমূদ্ৰত এৰি দিলে। একে
সময়তে হালীৰ বান্ধো মোকলাই দিলে। তাৰ পাচত
তেওঁলোকে সন্মূখৰ পাল বতাহলৈ মেলি দিয়াত জাহাজ
খন দাঁতিৰ ফাললৈ গ'ল। ৪১কিন্তু জাহাজ খন গৈ বালি
চাপৰিত খূন্দা মাৰিলে আৰু জাহাজৰ সন্মূখ ভাগ ইয়াত
খূন্দা মাৰি লৰ-চৰ হব নোৱাৰিলে তেনেতে এক প্ৰকাণ্ড
ঢৌৱে জাহাজ খনৰ পাচফাল টুকুৰা ডোখৰ-ডোখৰ কৈ
ভাঙিবলৈ ধৰিলে।

৪২তেতিয়া সৈনিক সকলে বন্দী সকলক বধ কৰিবলৈ
চিন্তা কৰিলে, যাতে কোনো বন্দী সাঁতুৰি পলাই যাব
নোৱাৰে। ৪৩কিন্তু সেনাধক্ষ্য জুলিয়াচে পৌলক জীয়াই
ৰাখিবলৈ ইচ্ছা কৰি সৈনিক সকলক, বন্দী সকলক বধ
কৰিবলৈ অনুমতি নিদি, যি সক'লে যেনেকৈ পাৰে,
তেওঁলোকক সাঁতুৰি পাৰলৈ যাবলৈ পানীত জপিয়াবলৈ
ক'লে। ৪৪আন লোক সক'লে জাহাজৰ ভঙা কাঠৰ টুকুৰা
বোৰ ব্যৱহাৰ কৰিলে, এই দৰেই সকলো লোক নিৰাপদে
মাটীলৈ আহিল।

### পৌল মিলিতা দ্বীপত

২৮ ১যেতিয়া আমি নিৰাপদে দ্বীপত নামিলো
তেতিয়া এই দ্বীপৰ নাম মিলিতা বুলি গম
পালো। ২ইয়াত বাস কৰা লোক সকল আমাৰ বাবে বৰ ভাল
আছিল। ইয়াত বৰষুণ দি আছিল আৰু বৰ ঠাণ্ডা আছিল,
সেই কাৰনে তেওঁ লোকে জুই জ্বলাই আমাক আটাইকে
আমন্ত্ৰন জনালে। ৩পৌলে জুইৰ বাবে এমুঠা খৰি গোটালে
আৰু জ্বলিবলৈ মুঠিটো জুইত দিয়াত এটা বিষাক্ত সাঁপ
গৰমৰ বাবে তাৰ পৰা ওলাই আহি তেওঁৰ হাততে খুটিলে।
৪যেতিয়া দ্বীপত বাস কৰা সকলে সাঁপ ডাল তেওঁৰ হাতত
ওলমি থকা দেখিলে, তেওঁলোকে কবলৈ ধৰিলে, "নিশ্চয়ে
এই মানুহজন এজন হত্যাকাৰী, তেওঁৰ সমুদ্ৰত মৃত্যু নহ'ল
কিন্তু প্ৰতিফল[c] দিওঁতাই তেওঁক জীয়াই থাকিব নিদিলে।"
৫কিন্তু পৌলে একো আঘাট নাপাই, হাতখন জোকাৰি
সাঁপ ডাল জুইত পেলাই দিলে। ৬লোক সক'লে ভাবিলে
তেওঁৰ গা উখহিব নতুবা তেওঁৰ মৃত্যু হব। সেই বাবে
তেওঁলোকে অপেক্ষা কৰি কিছু সময় প্ৰতক্ষ্য কৰিলে কিন্তু
তেওঁৰ একোৱেই ক্ষতি নহ'ল, গতিকে তেওঁলোকৰ বিচাৰ
সলনি কৰি ক'লে "এওঁ এজন ঈশ্বৰ।"

৭সেই অঞ্চলত পুব্লিয় নামৰ এজন লোকৰ এটুকুৰা মাটী
আছিল তেওঁ সেই দ্বীপৰ এজন ৰোমীয় অধীক্ষক আছিল।
তেওঁ আমাক তেওঁৰ ঘৰলৈ আদৰণী জনালে, যত আমি
তিনি দিন থাকিলো। তেওঁ আমাৰ বাবে বৰ ভাল আছিল।
৮পুব্লিয়ৰ পিতৃ নৰিয়াত আছিল, তেওঁ জ্বৰ আৰু গ্ৰহণী ৰোগত
আছিল, গতিকে পৌলে তেওঁৰ ওচৰলৈ গৈ তেওঁৰ বাবে
প্ৰৰ্থনা কৰি তেওঁৰ গাত হাত দি তেওঁক সুস্থ কৰিলে। ৯এই
ঘটনাৰ পাচত দ্বীপত থকা আন নৰিয়াত পৰা লোক সকল
পৌলৰ ওচৰলৈ আহিলত তেওঁ আটাইকে সুস্থ কৰিলে।

১০-১১সেই দ্বীপত থকা লোকসমূহে আমাক বৰ সন্মান
জনালে। তাৰ পাচত আমি তাত তিনি মাহ থাকি তাৰ পৰা
যাবলৈ ওলোৱাত তেঁওলোকে যাত্ৰাৰ বাবে আমাৰ সকলো
যবতীয় সামগ্ৰী দিলে।

### পৌলৰ ৰোমলৈ যাত্ৰা

আমি জাৰ কালি মিলিতাত ৰৈ থকা আলেকজেন্দ্ৰীয়াৰ পৰা
অহা এখন জাহাজত উঠিলো। ইয়াৰ সন্মূখত দুজন যঁজা
দেৱতাৰ[d] চিন আছিল। ১২আমি চাৰাক্কাচ চহৰত আহি ৰলো,

[a] **২৭:২৮ ১২০ ফুট** প্ৰকৃততে ৪০ মিটাৰ।
[b] **২৭:২৮ ৯০ ফুট** প্ৰকৃততে ৩০ মিটাৰ।

[c] **২৮:৪ প্ৰতিফল** এগৰাকী দেৱী নাম, মানুহে বিশ্বাস কৰিছিল যে সেই দেৱীয়ে বেয়া মানুহ শাস্তি দিয়ে।
[d] **২৮:১০-১১ যঁজা দেৱতা** গ্ৰীক দেৱতা কাষ্ট আৰু পৌলাচৰ মূৰ্ত্তি।

তাত আমি তিনি দিন থাকি তাৰ পৰা গলো। ১৩তাৰ পৰা আমি ৰীগিয় চহৰ আহি পালো। পাচ দিনা দক্ষিন পশ্চিমৰ পৰা বতাহ বলিবলৈ আৰম্ভ কৰাত আমি যাবলৈ সমৰ্থ হলো। তাৰ এদিন পাচত আমি পুতিৱলি নগৰ পালোহি। ১৪আমি তাতে কেইজনমান বিশ্বাসী পালো, যি সকলে আমাক এসপ্তাহৰ বাবে তেওঁলোকৰ লগত থাকিবলৈ ক'লে, অবশেষত আমি ৰোমলৈ আহিলো। ১৫ৰোমত থকা ভাই ভণী সকলে আমাৰ কথা শুনি আমাক লগ পাবলৈ আপ্পিও হাটলৈ[a] আৰু তিনি চৰাইলৈকে[b] আহিল, পৌলে যেতিয়া এই বিশ্বাসী সকলক, দেখিলে তেওঁ প্ৰেৰণা পালে আৰু ঈশ্বৰক ধন্যবাদ দিলে।

### ৰোমত পৌল

১৬আমি যেতিয়া ৰোম আহি পালো, পৌলক তেতিয়া অকলে থকাৰ অনুমতি দিলে;কেৱল এজন সৈনিকহে তেওঁৰ লগত পহৰা দিবলৈ থাকিল।

১৭তাৰ তিনি দিনৰ পাচত পৌলে কেইজন মান প্ৰধান যিহুদী লোকক মাতি অনালে, যেতিয়া তেওঁলোক একেলগে আহিল, তেতিয়া তেওঁ ক'লে "মোৰ ভাই সকল, মই আমাৰ লোক সকলৰ অহিতে বা আমাৰ পিতৃ সকলৰ নীতি বিৰোদ্ধে একো কৰা নাই, তথাপিও মোক যিৰুচালেমত আটক কৰি ৰোমীয় সকলক গতাই দিলে।" ১৮তেওঁলোকে মোক বহুতো প্ৰশ্ন কৰিলে, কিন্তু মোক কিয় বধ কৰা হব তাৰ কোনো কাৰণ বিচাৰি নাপালে, গতিকে তেওঁলোকে মোক মুকলি কৰি দিবলৈ চিন্তা কৰিলে ১৯কিন্তু যিহুদী সকলে সেইটো নিবিচাৰিলে, সেই বাবে মই ৰোমলৈ আহি চিজাৰৰ আগত মোৰ বিচাৰ হোৱাটো বিচাৰিলো, ইয়াৰ এই অৰ্থ নহয় যে, মই মোৰ লোক সকলক কিবা ভূল কৰাৰ কাৰণে দোষাৰোপ কৰিছো। ২০সেই বাবে মই আপোনালোকক লগ পাই কথা পাতিব বিচাৰিলো। মই এই শিকলীৰে বান্ধ খাই আছো কিয়নো ইস্ৰায়েলৰ আশাত মই বিশ্বাস কৰো।"

২১যিহুদী সকলে পৌলক উত্তৰ দিলে, "আমি যিহুদীয়াৰ পৰা তোমাৰ বিষয়ে কোনো চিঠি পোৱা নাই। যিহুদীয়াৰ পৰা অহা আমাৰ ভাই সকলৰ কোনোৱে তোমাৰ বিষয়ে একো সংবাদ দিয়া নাই বা তোমাৰ অহিতে একো কোৱা নাই। ২২আমি তোমাৰ মনৰ ভাব বোৰ জানিব বিচাৰো, আমি জানো যে লোক সমূহে সকলো ঠাইতে এই নতুন দলৰ বিৰোদ্ধে কথা পাতে।"

২৩তাৰ পাছত পৌল আৰু যিহুদী সকলে আলোচনাৰ বাবে এটা দিন ধাৰ্য্য কৰিলে, সেই দিনটিত এই যিহুদী সকলৰ অনেকেই পৌলৰ লগত তেওঁৰ ঘৰত গোট খোৱাত গোটেই দিন তেওঁলোকৰ লগত ঈশ্বৰৰ ৰাজ্যৰ কথা ব্যাখা কৰিলে, তেওঁ ভাৱবাদীৰ লিখনি আৰু মোচিৰ বিধানৰ আলম লৈ তেওঁলোকক যীচুক বিশ্বাস কৰিবলৈ পতিয়ন নিয়াবলৈ চেষ্টা কৰিলে। ২৪যিহুদী সকলৰ কিছুমানে তেওঁ কোৱা কথাত বিশ্বাস কৰিলে, আন কিছুমানে বিশ্বাস নকৰিলে। ২৫তেওঁলোকৰ নিজৰ ভিতৰতে বিতৰ্কৰ সৃষ্টি হবলৈ ধৰিলে। কিন্তু পৌলে এটা কথা তেওঁলোকক ক'লে: "তোমালোকৰ পিতৃ সকলক, যিচয়া ভাৱবাদীৰ যোগে পবিত্ৰ আত্মাই এই দৰে সত্য কথা কৈছে, তেওঁ ক'লে,

২৬ 'এই লোক সকলৰ ওচৰলৈ যোৱা, আৰু তেওঁলোকক
কোৱা,
তোমালোকে বাৰে বাৰে শুনি থাকিলেও,
একো বুজি নাপাবা।
তোমালোকে বাৰে বাৰে চাই থাকিলেও
আচলতে একো দেখা নাপাবা।
২৭ এই লোক সকল বুজিবলৈ অসমৰ্থ,
তেওঁলোকৰ কাণো গধুৰ
আৰু তেওঁলোকৰ চকুও বন্ধ।
সেই বাবে লোকসকলে,
তেঁওলোকৰ চকুৰে দেখা নাপায়।
বা তেওঁলোকে কাণেৰে নুশুনে
বা তেওঁলোকে হৃদয়েৰে নুবুজে
তেওঁলোকে বুজা হলে, মোলৈ ঘূৰি আহিল হয়, আৰু
মই তেওঁলোকক সুস্থ কৰিলো হয়। *যিচয়া ৬:৯–১০*

২৮"সেয়ে মই যিহুদী সকলে জনাটো বিচাৰো, যে ঈশ্বৰে তেওঁৰ পৰিত্ৰাণৰ বাৰ্ত্তা অযিহুদী সকললৈও প্ৰেৰণ কৰিছে, আৰু তেওঁলোকে তাক গ্ৰহণ কৰিব।" ২৯[c]

৩০পৌলে তেওঁৰ নিজ ভাৰা ঘৰত সম্পূৰ্ন দুবছৰ থাকিল তাতে তেওঁক লগ ধৰিব অহা সকলক তেওঁ আদৰণি জনাই। ৩১তেওঁলোকক ঈশ্বৰৰ ৰাজ্যৰ বিষয়ে ঘোষনা কৰি প্ৰভূ যীচু খ্ৰীষ্টৰ বিষয়ে শিক্ষা দিছিল। তেওঁ বৰ সাহসী আছিল আৰু কোনেও তেওঁক এই ঘোষণা কৰাৰ পৰা বন্ধ কৰিবলৈ চেষ্টা কৰা নছিল।

[a] **২৮:১৫ আপ্পিও হাটলৈ** ৰোমৰ পৰা প্ৰায় ৪৩ মাইল (৬৯ কিঃমিঃ) দূৰত।
[b] **২৮:১৫ তিনি চৰাইলৈকে** ৰোমৰ পৰা ৩০ মাইল (৪৮কিঃমিঃ) দূৰত।

[c] **২৮:২৯** কোন কোন গ্ৰীক ২৯ যিবিলাক কৰা হৈছে: "পৌল এই কথা কোৱাৰ পাচত যিহুদী তেওঁক এৰি গল গল আৰু পৰস্পৰে মাজত তৰ্ক আৰম্ভ কৰিলে।"